# প্রজ্ঞাজ্যোতি

# PRAJNAJYOTI

## WEST GUWAHATI COLLEGE OF EDUCATION

TEMPLEGHAT, PANDU
GUWAHATI-12

2011-2012



সম্পাদক ঃ

বিশ্ব হাজৰিকা
হিৰণ্য দুৰৰা

Psychology Lab



Our Excursion




Flag Hoisting



Library



# PRAJNAJYOTI




# প্ৰজ্ঞাজ্যোতি

প্ৰতি

.........................................

সম্পাদক ঃ

বিশ্ব হাজৰিকা

হিৰণ্য দুৰৰা

**WEST GUWAHATI COLLEGE OF EDUCATION**

*TEMPLEGHAT, PANDU*
*GUWAHATI-12*

2011-2012

প্ৰজ্ঞাজ্যোতি
পশ্চিম গুৱাহাটী শিক্ষক প্ৰক্ষিশন মহাবিদ্যালয়ৰ আলোচনী ২০১১-১২ বৰ্ষ

# সম্পাদনা সমিতি

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | গীতাঞ্জলি চৌধুৰি |
| তত্ত্বাৱধায়ক | ঃ | পাৰিজাত চক্ৰৱৰ্ত্তী |
| সম্পাদক | ঃ | বিশ্ব হাজৰিকা<br>হিৰণ্য দুৱৰা |
| সম্পাদনা সহযোগী | ঃ | পম্পী কাকতি<br>কৃষ্ণাঞ্জলি ভট্টাচাৰ্য্য<br>জিয়াউৰ হোসেইন |
| বেটুপাত আৰু স্কেচ্ | ঃ | সঞ্জীৱ বৰা |
| অক্ষৰ বিন্যাস | ঃ | বিপুল কুমাৰ দাস |
| অংগসজ্জা | ঃ | বিশ্ব, হিৰণ্য |
| মুদ্ৰণ | ঃ | জয় গণেশ প্ৰিন্টাৰ্ছ (99578-46004) |

পশ্চিম গুৱাহাটী শিক্ষক প্ৰক্ষিশন মহাবিদ্যালয়ৰ দ্বাৰা প্ৰকাশিত আৰু সৰ্বস্বত্ব সংৰক্ষিত।

# উচৰ্গা





সুধাকণ্ঠ ড° ভূপেন হাজৰিকা
আৰু
জ্ঞানপীঠ বঁটা বিজয়ী সাহিত্যিক
মামণি ৰয়ছম গোস্বামীৰ
কৰকমলত
...



ড° অখিল কুমাৰ মেধি
উপাচাৰ্য
Prof. O.K. Medhi
Vice-Chancellor

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

Ph. No.: +91-361-2570412 (o)
+91-361-2570408 (R)
Fax: +91-361-267551
e-mail : vc_gu@yahoo.in
Web site : www.gauhati.ac.in
Gopinath Bardoloi Naga
Guwahati-781014, Assam : Indi
গুৱাহাটী-৭৮১০১৪, অসম ঃ ভাৰ



# Message

It gives me immense pleasure to learn that West Guwahati College of Education, Guwahati is going to publish its College Magazine very shortly.

I hope that the Magazine which they are going to publish will reflect the hidden potential and useful articles of the Students.

I wish all success in their mission and hope the magazine will be immensely beneficial to all concerned.

(Prof. O.K. Medhi)

Date : 30.04.2012

**Dr. Minodhar Barthakur**
Retired Prof. & Head,
Deptt. of Geography, GU
Chairman
West Guwahati College of Education
Templeghat, Pandu, Ghy.-12



# Message

*This institution was initiated at the time when the schools of the state suffered from acute dearth of trained teachers. As a result of which we observed that people from other state were slowly entering the educational organizations of the state depriving local talented teacher educators. This institution has shown brilliant academic achievements during the last ten years or so and at the same time I am very much impressed for the devotion, sincerity, honesty of the teacher educators of the institution. The inspiration and encouragement offered by the teacher educators are really commendable. I hope this spirit of the present faculty will continue for greater interest of the society of the state. Academic publications are always helpful in provoking the student's mind for indepth search of knowledge. I have seen that the teacher trainees of this college have been publishing a college Magazine since its inception and this practice has shown a positive result especially encouraging the students to write and express their mind in a pragmatic expression. I wish the teacher trainees of this institution will continue their endeavour to publish such thought provoking ideas particularly in connection with educational system of the state.*

**Dr. Minodhar Barthakur**

**Mrs. Gitanjali Choudhury**
Principal i/c cum Secretary
West Guwahati College of Education
Templeghat, Pandu, Ghy.-12



# Message

*Education is a social change. Education leads us from evolution to revolution in our life. And I am happy that I am honoured to be with the institution to impart such education to our student trainees. I fell in love with the institution, its dignity of the organization. As time passed by I develop an emotional bond with my students and colleagues. Now my institution has become my family. My colleagues maintain a professional dignity and a conducive environment where our student trainees can mould their behaviour for the future dignified, technical professional teacher. Obviously my colleague team work together day in and out without ever getting tired to offer the improvement, development and a change to our institution.*

*Prajnajyoti is a showcase of our institution. It is a creation of devotion where student trainees and colleagues wholeheartedly have given maximum efforts. Needless to say that as a teacher training institution, we are committed to our profession and our human basic values so that we can feel proud as a creator of teacher trainee of the twenty first century.*

*My best wishes to everyone associated with the institution.......*

**Mrs. Gitanjali Choudhury**

# সম্পাদকীয়

## প্ৰসংগক্ৰমে ঃ শিক্ষা আৰু শিক্ষক

শিক্ষা হ'ল এখন সমাজৰ ঘাইশিপা অথবা মূল চালিকা শক্তি। সমাজ এখনক শিক্ষাৰ দ্বাৰা প্ৰাণৱন্ত কৰি ৰখাৰ ক্ষেত্ৰত শিক্ষকসকলৰ ভূমিকা অপৰিসীম। এটা প্ৰজন্মক সৎ আৰু প্ৰগতিৰ দিশেৰে আগুৱাই নিয়াৰ ক্ষেত্ৰত শিক্ষকসকল সদায় আগৰণুৱা হ'ব লাগিব।
বৰ্তমান সময়ত সমাজত দুৰ্নীতি-ভ্ৰষ্টাচাৰ, শোষণ-নিপীড়নৰ যিমানবোৰ ঘটনা ঘটি আছে ; ইয়াৰ অন্তৰালত শিক্ষাৰ ফলাফলৰ ছবিখনো প্ৰতিফলিত হৈছে। সমাজৰ তথাকথিত মুধাফুটাৰ পৰা একেবাৰে সাধাৰণ জনলৈকে যিবোৰ দুষ্কাৰ্য, নিষিদ্ধ ঘটনা সংঘটিত কৰাৰ প্ৰৱনতা দেখা যায়, সেয়া সঁচা অৰ্থত প্ৰকৃত শিক্ষাৰ অভাৱ বুলিয়েই ক'ব পাৰি।
শিক্ষা সম্পৰ্কে যুগ যুগ ধৰি পণ্ডিত-মনিষিসকলে বিভিন্ন ধৰণৰ মতামত অথবা উপদেশ আগবঢ়ায় আহিছে। এই গোটেই কথাবোৰৰ পৰা এটা কথা ঠিৰাং যে শিক্ষা অবিহনে এটা জাতি অথবা এখন সমাজ পংগু। কিন্তু প্ৰশ্ন হয় শিক্ষা ব্যৱস্থাটোক ৰক্ষনাবেক্ষন দিয়া বা উন্নতিৰ জখলাৰে আগুৱাই নিয়াৰ প্ৰধান দায়িত্বত থকা শিক্ষকসকলৰ সচেতনতাক লৈ। এটা কথা ঠিক যে, ভূল শিক্ষা দিয়া শিক্ষক ব্যক্তিগত জীৱনত আমাৰো দৃষ্টিগোচৰ হোৱা নাই। তথাপিও কিছু ব্যতিক্ৰম স্বীকাৰ কৰি সামগ্ৰিক ক্ষেত্ৰত চালে শিক্ষকসকলৰ সমাজ সচেতনতাত এডাল প্ৰশ্নবোধক মনলৈ আহে। অবিৰত ভাৱে এই প্ৰশ্নবোধকৰ উত্তৰৰ প্ৰযত্ন চলি থকাও দেখা যায়। আমি মাত্ৰ আশাবাদী...।



প্ৰসংগ ক্ৰমে —
উন্নতিৰ বিৰিখ বগাই থকাৰ ঢাক-ঢোল বাজি বহুসময়ত কান ঘোলা পৰে। নদাই-ভদাই সেই একে মানসিকতাৰে একে ঠাইতে থাকে। শিক্ষাৰ অম্লান জ্যোতিৰেই আমি আগুৱাই গৈ থাকো। কিন্তু গাখীৰ বিক্ৰী কৰি চাদা কিনাৰ মানসিকতাহে নিৰ্মূল কৰিব নোৱাৰোঁঙ্গ কিয় ?
উত্তৰ কোনে উলিয়াব ? ?

বিশ্ব হাজৰিকা
হিৰণ্য দুৱৰা

# সূচীপত্ৰ


সম্পাদকীয়

**প্ৰবন্ধ**

| | | |
|---|---|---|
| সৃষ্টি সম্পৰ্কে কিছুকথা | কৰেন্দ্ৰ চন্দ্ৰ তালুকদাৰ | ১ |
| বিজ্ঞান সন্মত শিক্ষক নিযুক্তি প্ৰক্ৰিয়া হ'ব পাৰে | ড° ৰমনী বৰ্মন | ৫ |
| ক্ষমতাৰ বিকেন্দ্ৰীকৰণ, আঞ্চলিক বৈষম্য দূৰীকৰণ, দুৰ্নীতি নিবাৰণ ও সন্ত্ৰাসবাদ নিৰ্মূলৰ মূল চাবি-কাঠি | | |
| NATURE OF TEACHING (DEMOCRATIC, AUTHORITARIAN & LASSIEZ FAIRE) | Dr. Parijat Chakraborty | ৯ |
| NEED OF VALUE-BASED EDUCATION | Barsita Sarkar | ১৩ |
| সমাজৰ সৰ্বাঙ্গীন বিকাশত বৈজ্ঞানীক মানসিকতাৰ প্ৰয়োজনীয়তা | অৰবিন্দ ৰাজখোৱা | ১৫ |
| গ্ৰাম্যাঞ্চলত বিশুদ্ধ পানীৰ সংকট আৰু ৰাইজৰ সজাগতা | ড° দিগন্ত কুমাৰ ফুকন | ১৯ |
| WOMEN EMPOWERMENT IN NORTHEAST INDIA | Neetu Saharia | ২৪ |
| সমন্বয় প্ৰক্ৰিয়াত অসম সাহিত্য সভা এক চমু অৱলোকন | ড° ৰমেন মেধি | ২৯ |
| TECHNIQUES OF TEACHING MATHEMATICS | Hiranya Hazarika | ৩৩ |
| প্ৰসংগ ঃ অসমীয়া ভাষা | ধ্ৰুৱজ্যোতি দলে | ৩৫ |
| ভাৰতীয় গণতন্ত্ৰ আৰু ছাত্ৰ সমাজৰ ভৱিষ্যৎ | ভাস্কৰ পাটগিৰি | ৩৯ |
| বাংলা শিক্ষণ পদ্ধতির প্রাসঙ্গিকতা | ঝৰ্ণা ভৌমিক | ৪১ |
| অসমীয়া ভাষাৰ সংকট আৰু সমাজ ভাষাবৈজ্ঞানিক দৃষ্টিভংগীৰে ভাষা আৰু সমাজৰ সম্পৰ্ক | অলকানন্দা শইকীয়া | ৪৩ |
| উন্নয়ন সম্পৰ্কীয় কিছু কথা... হিৰণ্য দুৱৰা৪৬ | | |
| SANSKRIT INSCRIPTIONS IN US, PERU CAVES | Collected by Dr.M.Barthakur | ৪৮ |
| A Forgotten Page of History Peasant Revolt of 1861 | Biswajit Bordoloi | ৫০ |
| ONE OF AMERICA'S GREAT TEACHERS AND PSYCHOLOGISTS, WILLIAM JAMES | Pompy Kakoti | ৫২ |
| ADOLESCENTS AND ADDICTION OF DRINKING | Kalpana Das | ৫৫ |
| Role of Statistics in Education | Gagan Kr Sarma | ৫৭ |
| Albert Einstein and Pacifism | Nayanmoni Kalita | ৫৮ |
| সুখী জীৱনৰ পঞ্চ প্ৰকল্প | | ৬০ |

**কবিতা**

| | | |
|---|---|---|
| প্ৰতীক্ষা | হেমেন ভৰালী | ৬৪ |
| প্ৰেম | নিতু চহৰীয়া | ৬৫ |
| এটি আবেদন | চন্দনা কলিতা | ৬৫ |
| শৈশৱ | মূৰ্চ্ছনা শৰ্ম্মা | ৬৬ |

| | | |
|---|---|---|
| নিজান দুপৰীয়া | নৰজ্যোতি চাংমাই | ৬৬ |
| ক্লাছমেট | শ্ৰীবনজিত শৰ্ম্মা | ৬৭ |
| জাগি উঠা মা | ৰুবী চৌধুৰী | ৬৭ |
| ভালোবাসা | অনিতা রায় | ৬৮ |
| হৃদয়ের আকুতি | দেবজ্যোতি রায় | ৬৮ |
| অভিশপ্ত দিন | পুলক দেবনাথ | ৬৯ |
| শীতের সকাল | জিয়াউর হোসেন | ৬৯ |
| রাত্রি | রনজিৎ পাল | ৭০ |
| অগ্রগামী বর্তমান | সমীর শর্মা | ৭০ |
| বক্তব্য | শুভেন্দু মজুমদাৰ | ৭১ |
| পৃথিবী | মিঠুন আচার্য্য | ৭১ |
| PLIGHT OF A LITTLE GIRL | Rupali Dutta | ৭২ |
| Desire | Faiza Ahmed | ৭২ |
| Music | Yetika Jain | ৭৩ |
| EDUCATION | Manisha Paul | ৭৩ |
| Be A Gem Collector | Priya Daimari | ৭৪ |
| About Money Saheli | Sangupta | ৭৪ |
| JOKES | Collected by Jasmine Lakra | ৭৪ |

## গল্প

| | | |
|---|---|---|
| পপীয়া তৰাৰ সাধু | অসীম চুতীয়া | ৭৫ |
| এটি জীয়া সপোন | ৰিজুমণি শাণ্ডিল্য | ৭৯ |

## সাক্ষাৎকাৰ

| | | |
|---|---|---|
| ড° কুলেন্দু পাঠকদেৱৰ সৈতে | | ৮২ |
| ড° অখিল কুমাৰ মেধিদেৱৰ সৈতে | | ৮৭ |

| | | |
|---|---|---|
| ORIENTATION PROGRAMME 2011-12 | | ৯০ |

## শেষ পৃষ্ঠা

| | | |
|---|---|---|
| আলোচনীৰ আঁৰৰ আলোচনা... | বিশ্ব হাজৰিকা | ৯২ |




প্ৰচ্ছদ কথা—

আলোক সন্ধানী ঃ শিক্ষাৰ জ্যোতিৰে ভৱিষ্যতমুখী যাত্ৰা

# GOVERNING BODY


Dr. Minodhar Barthakur
President


Gitanjali Choudhury
Principal i/c


Dr. Chandicharan Bhattacharjee
Member


Debendra Kr. Borah
Member


Anil Ch. Talukdar
Member


Dr. Ramoni Barman
Member


Dr. Dulumoni Goswami
Member


Monica Simon
Member

# TEACHING STAFF


Dr. Parijat Chakraborty


Dipak Kalita


Barsita Sarkar


Mrityunjoy Dasgupta


Hiranya Hazarika


Priyanki Barpujari


Neetu Saharia


Jharna Bhowmik


Prabin Saharia

# Editorial Board



Gitanjali Choudhury
Advisor



Dr. Parijat Chakraborty
Prof-in-charge



Bishwa Hazarika
Editor



Hiranya Duwarah
Editor



Krishnanjali Bhattacharjee
Member



Pompy Kakoti
Member



Jiaur Hossein
Member

## Non Teaching Staff



Diganta Patowary, Raju Deb, Khargeswar Kakati, Anamika Das Kalita (Not Present)

# সৃষ্টি সম্পৰ্কে কিছুকথা

কৰেন্দ্ৰ চন্দ্ৰ তালুকদাৰ
প্ৰাক্তন অধ্যক্ষ

সৃষ্টিৰ আৰম্ভণি ক'ত, কেনেকৈ কেতিয়া হৈছিল ক্থা বোৰ জানিবৰ ইচ্ছা নাযায়নে ? এইবোৰ ভাবিলে ইয়াৰ মাঁতি-গুৰি, উৰাদিহ্ পোৱা বৰ কঠিন। সকলোবোৰ কথা ৰিশ্বাস আৰু অবিশ্বাসৰ ওপৰত নিৰ্ভৰ কৰে। প্ৰাচীন কালত ৰিষি মুনি সকলে পৃথিৱীৰ জন্ম ৰহস্য, সৃষ্টিৰ পাতনি আদি বিশবোৰৰ বৰ্ণনা শাস্ত্ৰীয় পুথি পুৰাণ সমূহত লিপিবদ্ধ কৰি থ গৈছে। পণ্ডিত সকলে কয় যে পুৰাণ পুথি সমূহ বেদৰ মান। পুৰাণ পুথি সমূহত প্ৰকৃতি আৰু পুৰুষ সম্পৰ্কে, থা বিভিন্ন দেৱ দেৱীৰ জন্ম কথা সম্পৰ্কে সুন্দৰ ভাৱে ৰ্ণনা পোৱা যায়। পুৰাণ পুথি সমূহ কোনে প্ৰথমে ৰচনা কৰিছিল সঠিককৈ কোনেও ক'ব নোৱাৰে। কিন্তু পণ্ডিতসকলে ভাৱে যে সৰ্ব্বপ্ৰথম পৰমেশ্বৰ কৃষ্ণই গোলোক ধামত পুৰাণৰ কথা কৈছিল ব্ৰহ্মাক। ব্ৰহ্মাই পুস্কৰ তীৰ্থত ধৰ্মক এই পুৰাণ শিকাইছিল। ধৰ্মই তেওঁৰ পুত্ৰ নাৰায়ণক এই পুৰাণ শিকাইছিল। নাৰায়ণে নাৰদক শুনাইছিল। নাৰদে গংগা নদীৰ পাৰত ব্যাসদেৱক পুৰাণ পুত্ৰ দান কৰিছিল। ব্যাসদেৱে এই পুৰাণ পুত্ৰ শুকদেৱক আৰু শিষ্য সকলক শিকাইছিল। পিছত শিষ্য সুত মুণিয়ে নৈমিষাৰণ্যত শৌণকাদি মুনি সকলক প্ৰদান কৰিছিল। নৈমিষ্যৰণ্য আছিল প্ৰাচীন ভাৰতবৰ্ষৰ এক পবিত্ৰ তীৰ্থ স্থান। সৌত মুনিয়ে ভক্তিভাৱে ব্যাসদেৱক স্মৰণ কৰি প্ৰণাম জনাই শৌণক আদি মুনি সকলক কবলৈ ধৰিলে এনেদৰে প্ৰলয় কালত বিশ্বত কৌটি সূৰ্য্যৰ সমান পোহৰ দেখা হৈছিল। সেই মহাজ্যোতি হৰিৰ (পৰমেশ্বৰৰ) শৰীৰ পৰা বিস্তাৰিত হৈছিল। সেই জ্যোতিৰ মাজত স্বৰ্গ, মাটি আৰু ৰসাতল এই তিনি লোক সুন্দৰ ভাৱে দেখা হৈছিল। এই ত্ৰিলোকৰ উৰ্দ্ধভাগত তিনি কৌটি যোজনা ব্যাপি আছে মনোহৰ গোলোকধাম। এই ধামত দুখ, শোক, জৰা, মৃত্যু একোৱে বিৰাজ কৰিব নোৱাৰে। প্ৰলয়ৰ সময়ত একমাত্ৰ কৃষ্ণহে (পৰমেশ্বৰহে) তাত থাকে। এই গোলোক ধামৰ দক্ষিণে পঞ্চাশ কৌটি যোজনা বিস্তাৰিত নিম্নভাগত বৈকুণ্ঠলোক আৰু বাঁওপিনে শিৱলোক আছে। বৈকুণ্ঠ ধামত সৃষ্টিৰ সময়ত তাত লক্ষ্মী নাৰায়ণ থাকে। আৰু শিৱলোকত মহাদেৱ পৰিষদ সহ তাত থাকে। গোলোক ধামত থকা পৰমবহ্মাই হ'লে সিদ্ধিদাতা সত্য নাৰায়ণ। তেওঁ সৰ্ব্ব শক্তিমান। তেওঁৰ জন্ম-মৃত্যু নাই। তেওঁ নিগুণ। তেৰেঁই স্বৰ্গ, সত্য, ৰসাতল শাসন কৰে। সৃষ্টি, স্থিতি আৰু লয়ৰ কাৰণ তেৱেঁই। তেওঁৰ ইচ্ছাতে বিশ্ব ব্ৰহ্মাণ্ড বৰ্তি থাকে আৰু তেওঁৰ ইচ্ছাতেই ধ্বংস হয়। তেওঁৰ ইচ্ছাতেই প্ৰলয় কালত বিশ্বব্ৰহ্মাণ্ড তেওঁতেই বিলীন হয় আৰু নতুনকৈ সৃষ্টিৰ আৰম্ভণি ঘটায়। প্ৰলয়ত সকলো জীৱৰ মৃত্যু হয়। নদ-নদী, পাহাৰ, পৰ্ব্বত, সাগৰ, গছলতা, তৰুতৃণ সকলোবোৰ নিঃশেষ হোৱাৰ পিছত তেওঁ, পৰমেশ্বৰে (কৃষ্ণই) নতুনকৈ সৃষ্টি কৰে। এইটো এটা জাগতিক ঘটনা।

পৰমেশ্বৰৰ (কৃষ্ণৰ) সোফালৰ পৰা জন্ম হ'ল নাৰায়ণৰ। চতুভূজধাৰী নাৰায়ণৰ হাতত শঙ্খ, চক্ৰ, গদা আৰু পদ্ম থাকে। এই নাৰায়ণেই প্ৰথমতে আহি পৰমেশ্বৰক (কৃষ্ণৰ) হাত যোৰকৈ প্ৰণাম জনাই কৃষ্ণৰ নিৰ্দেশত ৰত্নসিংহাসনত বহিল। পৰমেশ্বৰ (কৃষ্ণ)ৰ বাাওফালৰ পৰা জন্ম হয় দেৱাদিদেৱ মহেশ্বৰ (সদাশিৱ), এওঁৰ মূৰত জট, কপালত অৰ্দ্ধচন্দ্ৰ, হাতত ত্ৰিশূল, কমন্দলু আৰু ৰুদ্ৰাক্ষৰ মালা। এওঁ হাত যোৰকৈ কৃষ্ণক প্ৰণাম জনাই কৃষ্ণৰ নিৰ্দেশত ৰত্ন সিংহাসনত বহিল। কৃষ্ণৰ অংশৰ পৰা জন্ম লাভ কৰা, সেইজনা শিৱৰ (মহাদেৱৰ) শিৱস্তোত্ৰ

শুনা সকলৰ সৰ্ব্ব প্ৰকাৰ সিদ্ধিলাভ হয় আৰু মন শুদ্ধ হয়। বন্ধু, ধন, জন বৃদ্ধি হয়। শত্ৰু নাশ হয়। সকলো দুখ শোক আৰু ৰোগ বিনাশ হয়। নাৰায়ণ আৰু মহাদেৱৰ সোঁ আৰু বাওঁফালৰ পৰা জন্ম পোৱাৰ পিছত কৃষ্ণৰ নাভিৰ পৰা মহাতপা বৃদ্ধ এজনৰ জন্ম হয়। তেওঁৰ চাৰিখন মুখ। পিন্ধনত বগা দিব্য বস্ত্ৰ, শুভ্ৰ মুৰ্তি, মুখত মৃদু হাঁহি। তেওঁৰ নাম ব্ৰহ্মা। সেই জনাই সকলো জীৱৰ সৃষ্টিকৰ্তা মহাযোগী, তপস্যাকাৰীৰ ফল দাতা, চাৰিবেদৰ বিধাতা স্বভাৱ সুন্দৰ, সৰ্বস্ত বেদমাতা সাবিত্ৰী দেৱীৰ পতি। তেওঁ জন্ম লাভ কৰিয়েই পৰমেশ্বৰ কৃষ্ণক হাত যোৰকৈ ভক্তি ভাৱে প্ৰণাম জনালে আৰু কৃষ্ণৰ নিৰ্দেশত ৰত্ন সিংহাসনত বহিল। বহাৰ আগতে ব্ৰহ্মাই নাৰায়ণ আৰু শিৱক প্ৰণাম জনালে। পৰমেশ্বৰ কৃষ্ণৰ বক্ষ স্থলৰ পৰা এজন শুক্লবৰ্ণৰ পুৰুষৰ জন্ম হৈছিল। তেওঁৰ নাম ধৰ্ম। তেওঁ ক্ষমতাবাণ, কোপশূণ্য, সৰ্বজ্ঞ, ধাৰ্মিক, সৰ্বত্ৰ সমদৰ্শী আৰু নিৰ্ভীক। এওঁ কৃষ্ণক প্ৰণাম কৰি নাৰায়ণ, মহাদেৱ আৰু ব্ৰহ্মাকো সম্ভাষণ জনাই কৃষ্ণৰ নিৰ্দেশত ৰত্ন সিংহাসনত বহিল।

কৃ ষ্ণৰ মুখৰ পৰা শুক্ল বৰ্ণা, সুহাসিনী, ৰত্নবিভূষিতা এজনী দেৱীৰ জন্ম হয়। তেওঁৰ হাতত বীণা আৰু গ্ৰন্থ। মন পৱিত্ৰ আৰু কৌটি চন্দ্ৰৰ কিৰণতকৈ বেছি উজ্জল পোহৰ যুক্তা শান্তৰূপা সেই জনী দেৱীৰ নাম সৰস্বতী। তেওঁ কবি সকলৰ ইস্তদেৱী আৰু বিদ্যান সকলৰ মাতৃ। তেওঁ শ্ৰুতিৰ জন্মদাত্ৰী আৰু সকলো শাস্ত্ৰৰ জননী। তেওঁ সদায় বীণা বজাই হৰি কীৰ্ত্তন কৰে। মাঘ মাহৰ শুক্ল চতুৰ্থীৰ দিনা আৰু বিদ্যা আৰম্ভনিৰ আগদিনা পৱিত্ৰ মনে উপবাসে থাকি ভক্তি সহকাৰে সৰস্বতী দেৱীৰ পূজাৰ ঘট স্থাপন কৰে। গনেশ, সূৰ্য্য, ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ (শিৱ), শিৱাণী (পাৰ্বতী, দুৰ্গা) এই ছয় দেৱতাৰ পূজাৰ পিছত ঘটত সৰস্বতীক স্মৰণ কৰি পূজা কৰিব লাগে। এই পূজাত আৰৈ চাউলৰ গুৰিৰ শুক্ল চিপিটিক, স্বস্তিক, মংগল সূচক প্ৰাচীন চিহ্নৰ দ্বাৰা পূজা কৰা হয়। এই (?) চিহ্নক স্বস্তিক বোলা হয়। তেওঁ কৃষ্ণক হাত যোৰ কৰি প্ৰণাম জনাই বাকী সকলকো প্ৰণাম জনাই কৃষ্ণৰ নিৰ্দেশত ৰত্ন সিংহাসনত বহিল। তাৰ পাছত পৰমেশ্বৰ কৃষ্ণৰ মনৰ ইচ্ছা এজনী দেৱীৰ জন্ম হয় নাম লক্ষ্মী দেৱী। ৰত্ন বিভূষিত অত্যুজ্জল, গৌৰবৰ্ণা, নবীন, সৌৰণা তেওঁৰ চেহেৰ স্বৰ্গত তেওঁক স্বৰ্গলক্ষ্মী, ৰাজগৃহত ৰাজলক্ষ্মী, মানবৰ গৃ গৃহলক্ষ্মী, বাণিজ্যত বাণিজ্য লক্ষ্মীৰূপে পৰিচিত। এ পৰমেশ্বৰ পৰমাত্মা কৃষ্ণক প্ৰণাম জনাই কৃষ্ণৰ নিদেশ ৰত্ন সিংহাসনত বহিল। তাৰ পাছত কৃষ্ণৰ বুদ্ধিৰ পৰা এজ দেৱীৰ জন্ম হয়। সেইজনা দেৱীয়েই পৰমা প্ৰকৃতি, পংক লোচনা, তপ্ত সুবৰ্ণৰ বৰ্ণ, এতি সুদৰ্শনা, কৌটি সূ পোহৰৰ সমান কান্তি, অতি শুদ্ধ চিত্তৰ, ৰঙা দিব্য পৰিহিতা, আৰু নানা ৰত্ন বিভুষিতা মহাদেৱী। তেৱেঁই দুৰ্গতি নশিনী, জগৎজননী, শুভংকৰী, শক্তিস্বৰূপি সবাৰো ঈশ্বৰ, দেৱী দুৰ্গা। তেওঁৰ হাতত ত্ৰিশূল, খৰ্গ, শ চক্ৰ, ধনু-শৰ, গদা, পদ্ম, ৰুদ্ৰাক্ষৰ মালা, অংকুল, নাগপাশ, ভুশুণ্ডা, ব্ৰহ্মাস্ত্ৰ, ৰুদ্ৰাস্ত্ৰ আদি ভয়ানক দিব্যা আছে। তেৱেঁই সকলোৰে ক্ষুধা, তৃষ্ণা, শ্ৰদ্ধা আৰু দ পৰমেশ্বৰী। তেওঁ কৃষ্ণক প্ৰণাম জনাই তেওঁৰ নিদে ৰত্ন সিংহাসনত বহিল। কৃষ্ণৰ জিভাৰ আগৰ পৰা পাইছিল ৰজত বসনা, নানা অলংকাৰ বিভূষিতা, হা জপ মালা ধাৰণ কৰা, বেদমাতা, পাপতাপ বিনাশিনী এজ দেৱী, নাম সাবিত্ৰী। কৃষ্ণক হাতযোৰ কৰি তেওঁৰ নিদে ৰত্ন সিংহাসনত বহিল। পৰমেশ্বৰ কৃষ্ণৰ মনৰ পৰা পালে কামদেৱে। এইজনেই সোণবৰণীয়া, অতি সুন্দৰ দিব্য পুৰুষ, যিয়ে কামনাৰ পঞ্চ বাণৰ দ্বাৰা সকলোৰে মুগ্ধ কৰিব পাৰে। কামদেৱৰ হাতত ধনু আৰু মাৰণ, স্ত জুম্ভণ, ঘোষণ আৰু উন্মাদন নামৰ পঞ্চবাণ আছে। পঞ্চবাণৰ প্ৰভাৱত সকলোৱে কামাতুৰ হয়। স্বয়ং ভগ কৃষ্ণ কামাতুৰ বাণত জৰ্জৰিত হৈ ৰেতঃ (বীৰ্য্য) স্খ হোৱাত লাজতে সেই বীৰ্য্য মহাসাগৰৰ পানীত নিে কৰিছিল। সেই বীৰ্য্যই সহস্ৰ বছৰ পিছত পানীৰ মা এটি প্ৰকাণ্ড দিম্বৰূপ ধাৰণ কৰিছিল। সেই দিম্বৰ এটি মহৎ ৰূপ ধাৰণ কৰা এজন দেৱতাৰ জন্ম সেইজনৰ প্ৰতিডাল নোমৰ বিন্ধাত একোখন প্ৰকাণ্ড ব্ৰ

বিৰাজমান। এই বিশ্ব ব্ৰহ্মাণ্ডত তেওঁৰ সমান ব্ৰহ্মাণ্ড ধাৰণ কৰিছে। তেওঁ পৰমেশ্বৰ কৃষ্ণৰ মাত্ৰ এটি অংশহে তেওঁ মহাসাগৰত ভাহি থাকিল। সেইজনা মহাবিষ্ণুৰ কাণৰ মলিৰ পৰা প্ৰকাণ্ড দেহ ধাৰণ কৰা দুজন দানবৰ জন্ম হয়। এজনৰ নাম মধু আৰু আনজনৰ নাম কৈভত। জন্ম লাভ কৰিয়েই দৈত্য দুজনে ব্ৰহ্মাক বধ কৰিবলৈ খেদি গৈছিল। তেতিয়া মহাবিষ্ণুই দানৱ দুজনক উৰুত স্থাপন কৰি বধ কৰিছিল। সিহঁতৰ মেদবোৰ মহাসাগৰৰ পানীত পেলাই দিয়াত তাৰ পৰা মেদিনীৰ জন্ম হয়। (মেদিনী বুলিলে পৃথিৱী ধৰণী, বসুমতী, ধৰিত্ৰী, বসুন্ধৰা আদি) কৃষ্ণৰ বিশ্বাসৰ পৰা জন্ম লাভ কৰে পৱন দেৱতা অৰ্থাৎ বায়ুদেৱতা। তেওঁ কৃষ্ণক প্ৰণাম জনাই পৰমাত্মাৰ নিৰ্দেশত ৰত্ন সিংহাসনত বহিল।

ভগৱান কৃষ্ণ কেতিয়াবা সাকাৰ আৰু কেতিয়াবা নিৰাকাৰ হয়। তেওঁৰ বিভিন্ন লীলাৰ কথা কৈ শেষ কৰিব নোৱাৰি। ভক্তৰ ইচ্ছাত ভগৱানে বিভিন্ন ৰূপ লয়। পৰমেশ্বৰৰ কিবা নহয় কিবা এটা ৰূপ থাকিব। তেওঁ নিজ ইচ্ছাৰে কিবা এটা ৰূপ ধাৰণা কৰে। তেওঁ নিজ ইচ্ছাত পৃথিৱীত নানা অৱতাৰ ধাৰণা কৰি মানৱৰ কল্যাণ সাধন কৰে। যুগে যুগে কৃষ্ণই মানবৰ কল্যাণৰ বাবে দহটা ৰূপ ধাৰণ কৰা কথাটো বৈষ্ণৱ ভক্ত সকলে বিশ্বাস কৰে। তেওঁৰ পৰা বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টি হৈছে। সেই জন ভগৱান কৃষ্ণই সৃষ্টিৰ ইচ্ছা কৰি নিজ দেহ দুভাগত বিভক্ত কৰি সোঁভাগ পুৰুষ আৰু বাওঁভাগ নাৰীৰূপ ধাৰণ কৰিছিল। একেটি দেহৰ দুভাগত নাৰীজনীয়েই হৈছে প্ৰকৃতি। কৃষ্ণৰ দেহৰ বাওঁফালৰ প্ৰকৃতি দেৱীয়ে শত মন্বন্তৰ (এশজন জন্ম হৈ বিনাশ নঘটা সময়লৈ কৃষ্ণৰ তেজঃ গৰ্ভত ধাৰণ কৰিছিল।) (গৰ্ভৱতী হৈছিল) তাৰ পিছত প্ৰকৃতি দেৱীয়ে সোণ বৰণীয়া এটি ডিম্ব প্ৰসৱ কৰিছিল। প্ৰকৃতি দেৱীয়ে ক্ৰোধিত হৈ সেই ডিম্বটি পানীতে পেলাই দিছিল। তেতিয়া কৃষ্ণই খঙতে প্ৰকৃতি দেৱীক কৈছিল— যিহেতু তুমি নিজ সন্তানক পৰিত্যাগ কৰিলা সেই হেতু মই তোমাক অভিশাপ দিলো আজিৰ পৰা তুমি কোনো কালে সন্তানৰ মুখ দেখা নাপাবা আৰু সন্তানৰ সুখ লাভ নকৰিবা। তোমাৰ শৰীৰৰ অংশৰ পৰা যিবোৰ নাৰীৰ জন্ম লাভ হ'ব সেই নাৰীয়েও কোনোদিন সন্তান জন্ম দিব নোৱাৰিব। তেতিয়া প্ৰকৃতি দেৱীয়ে নিজৰ ভুল বুজিব পাৰি জিভা উলিয়াওতেই জিভাৰ আগৰ পৰা হালধীয়া বস্ত্ৰ পৰিধান কৰা, হাতত কিতাপ আৰু বীণা লৈ এজনী দেৱীৰ জন্ম হৈছিল। সেই জনীয়েই দেৱী সৰস্বতী যাক আগতে উল্লেখ কৰা হৈছে। বহুবছৰ পাৰ হোৱাত প্ৰকৃতি দেৱীয়ে নিজৰ দেহ দুভাগত বিভক্ত কৰি বাওঁভাগত কমলা (লক্ষ্মী) আৰু সোঁভাগত ৰাধাৰ জন্ম হৈছিল। তেতিয়া ভগৱান কৃষ্ণই তেওঁৰ দেহ দুভাগত বিভক্ত কৰি সোঁভাগত দ্বিভূজ আৰু বাওঁভাগত চৰ্তুভূজ মূৰ্তি ধাৰণ কৰিছিল। সোঁভাগ কৃষ্ণ আৰু বাওঁভাগ নাৰায়ণ হ'ল। ভগৱান কৃষ্ণই লক্ষ্মী আৰু সৰস্বতীক নাৰায়ণক দান কৰিছিল। নাৰায়ণে দুয়ো দেৱীক পত্নীহিচাবে গ্ৰহণ কৰি আনন্দ মনে বৈকুণ্ঠ ধামলৈ গমণ কৰিছিল। যিহেতু প্ৰকৃতি দেৱীৰ পৰা লক্ষ্মী আৰু সৰস্বতীৰ জন্ম হৈছিল আৰু কৃষ্ণৰ দ্বাৰা অভিশপ্ত আছিল সেয়েহে দুয়োজনীয়ে সন্তান জন্ম দি জননী হ'ব নোৱাৰিলে।

ভগৱান কৃষ্ণৰ বাওঁফালৰ পৰা ৰাস মণ্ডপতে এগৰাকী পৰমা সুন্দৰী, দিব্যবস্ত্ৰ পৰিহিতা অপূৰ্ব ৰূপৱতী, নানা অলংকাৰেৰে সুশোভিত সজ্জিত, মুখত মিচিকিয়া হাঁহিযুক্তা এজনী দেৱীৰ জন্ম হ'ল। তেওঁৰ নাম ৰাধা। এওঁ জন্ম লাভ কৰিয়েই সুগন্ধি ফুল আনি কৃষ্ণক পূজা কৰিলে আৰু কৃষ্ণইও সেই দেৱীক পূজা কৰিছিল। এইজনী দেৱীয়ে কৃষ্ণক প্ৰণাম জনাই একেখন ৰত্ন সিংহাসনত কৃষ্ণৰ বাওঁফালে বহিলে। পৰমেশ্বৰ কৃষ্ণৰ দেহৰ নোমৰ গুৰিৰ বিন্ধাৰ পৰা গোপ সকলৰ জন্ম হ'ল। ইয়াৰ পিছতেই প্ৰভু ঈশ্বৰৰ দেহৰ নোমৰ বিন্ধাৰপৰা কামধেনু আৰু অলেখ গাই আৰু ষাঁড়গৰুৰ জন্ম হ'ল। কৌটি সিংহৰ সমান পৰাক্ৰমী এটি ষাড় গৰু কৃষ্ণই মহাদেৱৰ (শিৱৰ) বাহনৰ বাবে দান কৰিলে। কৃষ্ণৰ নখৰ পৰা অলেখ হংস আৰু হংসীৰ জন্ম হ'ল। মহা বলবান হংস এটি কৃষ্ণই ব্ৰহ্মাৰ বাহনৰ বাবে দান কৰিলে। কৃষ্ণৰ বাওঁকাণৰ পৰা বগা

ৰঙৰ ঘোৰা এটি জন্ম লাভ কৰাত সেইটো ঘোৰা ধৰ্মৰ বাহন হিচাবে প্ৰদান কৰিলে। কৃষ্ণৰ সোঁকাণৰ পৰা অতি ভয়ংকৰ সিংহৰ জন্ম হ'ল। এই মহা পৰাক্ৰমী সিংহটি দুৰ্গাৰ বাহন হিচাবে দান কৰিলে। কৃষ্ণই যোগবলৰ দ্বাৰা মনোহৰ পাঁচখন দিব্যৰথ নিৰ্ম্মাণ কৰিলে। কৃষ্ণই এখন ৰথ নাৰায়ণক, এখন ৰাধাক বাকী তিনিখন ৰথ নিজৰ বাবে ৰাখিলে। কৃষ্ণৰ গুহ্য দেহৰ পৰা জন্ম পালে গুহ্যকৰ সকল। গুহ্যকৰ সকলৰ মাজত এজন অতি চেহেৰাৰ যুৱক আছিল। তেওঁৰ নাম ৰাখিলে কুবেৰ। কুবেৰৰ বাওঁফালৰ পৰা এজনী সুন্দৰীৰ জন্ম হ'ল। তেওঁৰ নাম মুৰজা। মুৰজাক কুবেৰৰ পত্নী কৰিলে। কুবেৰ আৰু পত্নী মুৰজাই কৃষ্ণক প্ৰণাম কৰি তেওঁৰ নিৰ্দেশত ৰত্ন সিংহাসনত বহিল। কৃষ্ণ গুহ্য দেশৰ পৰা ভূত-প্ৰেত আৰু ৰাক্ষসৰ জন্ম হ'ল। কৃষ্ণৰ মুখৰ পৰা শ্যাম বৰণীয়া চাৰিহাত যুক্ত, ৰত্ন মালা পৰিধান কৰা পাৰিষদৰ দল এটিৰ জন্ম হ'ল। এই দলটি নাৰায়ণক দান কৰিলে। শ্ৰীকৃষ্ণৰ চৰণৰ পৰা বৈষ্ণৱ সকলৰ জন্ম হ'ল। তেওঁলোকে অনবৰতে কৃষ্ণ নাম জপ কৰে। ভূত প্ৰেতবোৰ কৃষ্ণই মহাদেৱক দান কৰিলে। কৃষ্ণই সোঁচকুৰ পৰা আঠজন ভৈৰৱৰ জন্ম দিলে। ভগৱান কৃষ্ণই বিভিন্ন দেৱ দেৱীৰ সৃষ্টি কৰি যোগ্যজনৰ হাতত সৰ্মপন কৰিছিল। লক্ষ্মী আৰু সৰস্বতীক নাৰায়ণক প্ৰদান কৰিছিল। কৃষ্ণই মহাদেৱক মাতি আনি ভগৱতী দেৱী (দুৰ্গাক) গ্ৰহণ কৰিবলৈ কৈছিল। সাবিত্ৰী দেৱীক ব্ৰহ্মাক প্ৰদান, ৰতিদেৱী কামদেৱক প্ৰদান কৰিছিল। এই দেৱী ভগৱতীয়ে (দুৰ্গাই) হ'ল সত্যযুগত দক্ষ ৰজাৰ জীয়ৰী সতী আৰু পিছৰ জন্মত হিমালয়ৰ পত্নী মেনকাৰ গৰ্ভত জন্ম লাভ কৰিছিল পাৰ্বতীৰূপে। নিৰাকাৰ পৰমব্ৰহ্মাই জীৱ সৃষ্টি কৰিবৰ ইচ্ছা কৰি চিন্তা কৰিলে যে প্ৰকৃতি অবিহনে জীৱ সৃষ্টি অসম্ভৱ। মাটি অবিহনে যেনেকৈ ঘট তৈয়াৰ কৰিব নোৱাৰি, সোণ নহ'লে যেনেকৈ সোনৰ অলংকাৰ কৰিব নোৱাৰি, তেনেকৈ প্ৰকৃতি অবিহনে জীৱ সৃষ্টি নহয়। প্ৰকৃতিৰ প্ৰভাৱত শক্তিৰ জন্ম। একমাত্ৰ প্ৰকৃতিৰ শক্তিৰ প্ৰভাৱতহে জীৱনৰ সৃষ্টি হয়। প্ৰকৃতি শব্দই সৃ আদ্যাশক্তি, সৃষ্টিৰ মূলাধাৰ, সৰ্ব্বশ্ৰেষ্ঠা মহাদেৱীক বুজাই পুৰাণৰ মতে প্ৰধান পঞ্চ প্ৰকৃতি হৈছে— দুৰ্গা, লক্ষ্মী, ৰা সৰস্বতী আৰু সাবিত্ৰী দেৱী।

নাৰায়ণে নাৰদক কৈছিল বিশ্বব্ৰহ্মাণ্ড কেনে সৃষ্টি হ'ল। প্ৰকৃতি দেৱীয়ে জলত নিক্ষেপ কৰা ডিম্ব ব্ৰহ্মাৰ পতন নোহোৱালৈ জলত (পানীত) পৰি আছি ব্ৰহ্মাৰ পতনৰ পিছত ডিম্বটো দুটা ভাগত বিভক্ত হৈছি পৰমেশ্বৰে প্ৰথমবাৰ সৃষ্টি কৰা প্ৰথম বিশ্বব্ৰহ্মা কালক্ৰমত বিনাশ হৈছিল। প্ৰথম সৃষ্টি বিনাশৰ পি পানীত পেলাই দিয়া দিম্বটিৰ পৰা কৌটি সূৰ্য্যৰ পোহ সমান উজ্জল শিশু এটিৰ জন্ম লাভ হৈছিল। জন্ম ল কৰিয়েই শিশুটিয়ে ভোকত কান্দিছিল। মাতৃয়ে ত্যাগ ক সেই শিশুটিয়ে পৰমেশ্বৰ (কৃষ্ণৰ) সকলো ব্ৰহ্মা অধীশ্বৰ। তেৰেই মহাবিষ্ণু। সেই শিশুৰ দেহত কৃ ষোড়শ ভাগৰ পোন্ধৰ ভাগ তেজ আছে। সেই জ অসংখ্য বিশ্ব ব্ৰহ্মাণ্ডৰ জীৱৰ সৃষ্টিকৰ্তা। ধ্ৰুৱলোকৰ প্ৰতি বিশ্ব ব্ৰহ্মাণ্ডতে সেই জনা শিশুই একোজন ব্ৰহ্মা, বিষ্ণু ও মহেশ্বৰৰ জন্ম দিছে। প্ৰত্যেক খন ব্ৰহ্মাণ্ডত কৌটি কৌ দেৱ দেৱীৰ জন্ম দিছে। প্ৰত্যেকতে স্বৰ্গ, মৰ্ত্য আৰু পাত আছে। প্ৰত্যেকতে স্বৰ্গত দেৱতা, মৰ্ত্যত মানৱ অ অন্যান্য জীৱ-জন্তু আছে। এই শিশুটিয়ে পিতৃ-মাতৃক কা নেদেখি ভোকত ক্ৰন্দন কৰাত নিৰাকাৰ কৃষ্ণই শিশু দেখা দিছিল। শিশুটিয়ে তেওঁক দেখি মৃদু হাঁহি মাৰিছি পৰমেশ্বৰে (কৃষ্ণই) শিশুটিক যুৱক কৰি কৈছিল — "তু মোৰ সন্তান।" তুমি মোৰ সমান শক্তিৰ অধিকাৰী হো তুমি মোৰ বৰত সৰ্ব ব্ৰহ্মাণ্ডৰ অধীশ্বৰ হ'বা। তুমি অ অপৰাজেয়, বিশ্ব নিয়ন্তা। মোৰ শক্তি ষোল্ল ভাগৰ পো ভাগ ক্ষমতা তোমাৰ দেহত থাকিব। তোমাৰ না পদ্মৰপৰা সৃষ্টিৰ কাৰণে একোজনকৈ ব্ৰহ্মাৰ জন্ম হ' সেই ব্ৰহ্মাই সৃষ্টিৰ কাম কৰিব।

# বিজ্ঞান সন্মত শিক্ষক নিযুক্তি প্ৰক্ৰিয়া হ'ব পাৰে ক্ষমতাৰ বিকেন্দ্ৰীকৰণ, আঞ্চলিক বৈষম্য দূৰীকৰণ, দুৰ্নীতি নিবাৰণ ও সন্ত্ৰাসবাদ নিৰ্মূলৰ মুল চাবি-কাঠি

ড° ৰমনী বৰ্মন
যুটীয়া পঞ্জীয়ক, গুৱাহাটী বিশ্ববিদ্যালয়

গুৰু ব্ৰহ্মা, গুৰু বিষ্ণু,
গুৰু দেৱ মহেশ্বৰ ঃ
গুৰু সাক্ষাৎ পৰম ব্ৰহ্মা,
তস্মৈ শ্ৰী গুৰুৱে নমঃ

শিক্ষক হ'ল সমাজৰ খনিকৰ। ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে শিক্ষকেহে সমাজ গঢ়িব পাৰে সকলো সময়তে সমাজ জীৱনক সুৰক্ষা দিয়া আৰু সমাজ বিকাশৰ ধাৰাক পোনাই লৈ যোৱা শ্ৰেণীটো হ'ল শিক্ষা। সেয়ে হয়তো কোৱা হয় "শিক্ষক জাতিৰ মেৰুদণ্ড"। সমাজ জীৱনত বাকী আৰু কোনো শ্ৰেণী বা গোষ্ঠীয়ে তেনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা দেখা নাযায়। সাধাৰণতে শিক্ষকৰ দৈনন্দিন অভ্যাস, আচাৰ-ব্যৱহাৰ, সাজ-পোছাক, চলন-ফুৰণ আদিৰ দ্বাৰা পৰিচালিত আদৰ্শগত জীৱন প্ৰণালীৰ বাবে ছাত্ৰসকলে শিক্ষক সকলৰ প্ৰতি আকৰ্ষিত হয়। ইয়াৰ প্ৰমাণ প্ৰতি ঘৰে ঘৰে থকা কণ কণ শিশুসকল। প্ৰত্যেক শিশুৱে তেওঁলোকৰ শিক্ষকে কোৱা কথাবোৰ শিলৰ ৰেখা হিচাপে পালন কৰে লাগিলে তেনে শিশুৰ মাক দেউতাক বিদগ্ধ পণ্ডিতেই হওক তেওঁলোকে তথাপি তাক গ্ৰাহ্য নকৰে আৰু বিনা দ্বিধাই কয় "ই আমাৰ চাৰে/ ম্যেমে কৈছে" তুমি কলেই হ'ব নেকি? অকল ছাত্ৰই নহয় বৰং সমগ্ৰ সমাজ ব্যৱস্থাই শিক্ষক সমাজক যিমান শ্ৰদ্ধা, ভক্তি আৰু ভয় কৰে বোধহয় কোনো সমাজ ব্যৱস্থাই কোনো কালতে কাকো কেতিয়াও ইমান শ্ৰদ্ধা-ভক্তি কৰা দেখা নাযায়। ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে চৰকাৰী প্ৰশাসন যন্ত্ৰই পুলিচ-মিলিটাৰী লগাই বন্দুক বাৰুদেৰে এতিয়ালৈ কোনো যুৱ আন্দোলন স্তিমিত কৰিব পৰা নাই, এয়া অসমৰ ভাষা আন্দোলনেই হওঁক বা বিদেশী বিতাৰণ আন্দোলনেই হওঁক নাইবা সৰ্বভাৰতীয় স্বাধীনতা আন্দোলনেই হওঁক কিন্তু তেনে সমস্যা সমাধানৰ বাবে শিক্ষক সমাজে গুৰি ধৰি অতি সহজে তাৰ পট পৰিৱৰ্তন কৰাৰ ইতিহাস বিৰল নহয়। ইয়াৰ মূল কাৰণ সমাজ গঢ়িবলৈ যুৱশক্তিৰ প্ৰয়োজন আৰু সেই যুৱশক্তিৰ ধাৰক হ'ল শিক্ষক সমাজ। সেয়ে যুগে যুগে গীতা, মহাভাৰত, ৰামায়ণ আদিত বৰ্নিত ইতিহাসে সাক্ষী দি আহিছে যে কোনো কাৰণতে এতিয়ালৈ কোনো শিক্ষা গুৰুৱে কাৰো ওচৰত পদানত হোৱা নাই কিন্তু যুগে যুগে মহা পৰাক্ৰমী ৰাইজও নিজৰ দম্ভ পৰিহাৰ কৰি জ্ঞানগৰ্ভ ঋষিৰ চৰণত আঠু লৈ আহিছে। অকল সেয়ে নহয় বৰং নিজৰ পুত্ৰকো ঋষিৰ আশ্ৰমত থাকি শিক্ষা লবলৈ পঠিয়াই শিক্ষাৰ প্ৰতি পৰম বিশ্বাসৰ পৰিচয় দাঙি ধৰিছে আৰু আজিও সেইটো এটা সৰ্বজন বিদিত। এইটো এটা লক্ষ কৰিব লগীয়া কথা যে কোনো শিক্ষাগুৰুৱে দাবী কৰি কোনো ছাত্ৰ নাইবা সমাজৰ পৰা এনে শ্ৰদ্ধা ভক্তি আদায় নকৰে আৰু তাৰ বাবে তেওঁলোকে দাবীদাৰো নহয়। তেওঁলোকৰ কামেই সেই স্বীকৃতি প্ৰদান কৰে। তেনে প্ৰমাণ বিচাৰি বহু দুৰলৈ যোৱাৰ প্ৰয়োজন নাই, ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণন আৰু এ পি জে আব্দুল

কালামক শিক্ষক হিচাপে ৰাইজে যিমান শ্ৰদ্ধা আৰু ভক্তি সহকাৰে স্মৰণ কৰে ভাৰতবৰ্ষৰ বুৰঞ্জীত আৰু কোনো শক্তিশালী ব্যক্তিয়ে ইমান বেছি স্বীকৃতি পোৱা দেখা নাযায়।

কিন্তু অতি পৰিতাপৰ বিষয় যে বৰ্তমান এনে এটি পৱিত্ৰ শিক্ষকতা বৃত্তিক চৰকাৰী ভাৱে উপলুঙা কৰি সমগ্ৰ সমাজ জীৱনেই ধ্বংস যজ্ঞত পৰিণত কৰি তুলিছে। কিয়নো এইটো সৰ্বজন বিদিত যে বৰ্তমান চৰকাৰী স্কুল সমূহত শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়াটো নিৰ্বাচনৰ আগে আগে চলা খুচুৰা আৰু পাইকাৰী হাৰৰ এটা মুক্ত ব্যৱসায় মাত্ৰ। বৰ্তমান এনে নিযুক্তিৰ ভিত্তি সম্পূৰ্ণ ভাৱে ৰাজনৈতিক নাইবা অৰ্থনৈতিক। সেয়ে বৰ্তমান আমাৰ ইয়াত এনেভাৱে নিযুক্তি একাংশ ব্যক্তিয়ে শিক্ষকতাক মাত্ৰ এটা জীৱিকা নিৰ্বাহৰ উপায় হিচাপেহে গণ্য কৰেআৰু শিক্ষক সুলভ মানসিকতা অবিহনেই তেওঁলোকে চৰকাৰী ও বে-চৰকাৰী বন্ধ, হাফ-মাফ আদিৰ হিচাপ নিকাচ কৰিয়েই হামিয়াই হিকতিয়াই পাৰ কৰে তেওঁলোকৰ কৰ্মজীৱন। তেনে শিক্ষকৰ পৰা শিক্ষা লাভ কৰা ছাত্ৰসকলে উপযুক্ত প্ৰশিক্ষণ অবিহনে শিক্ষা জীৱন সমাপ্ত কৰিব লগা হয়। ই সমাজ জীৱনৰ বাবেই ক্ষতিকাৰক। তেনে শিক্ষকে ছাত্ৰ সমাজৰ পৰা শ্ৰদ্ধাও আদায় কৰিব নোৱাৰে আৰু অসীম উদ্যমৰ গৰাকী এই ছাত্ৰ সমাজক নেতৃত্ব দিয়াতো ব্যৰ্থ হয় আৰু ইয়াৰ ফলত গোটেই শিক্ষা ব্যৱস্থাটোৱে বিফল হৈ পৰে।

সেয়ে সমাজক পৰিকল্পিত ভাৱে আগবঢ়াই নিয়াৰ বাবে প্ৰয়োজন এক বিজ্ঞান সন্মত শিক্ষক নিযুক্তি প্ৰক্ৰিয়াৰ। কিয়নো প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয় সমূহত পৰিকল্পিত ভাৱে সমাজৰ সমস্ত অসূয়া, অপ্ৰীতি বিনাশ কৰিবলৈ বিজ্ঞান সন্মত প্ৰক্ৰিয়াৰ দ্বাৰা শিক্ষক নিযুক্তি দিয়াৰ লগতে ক্ষমতাৰ বিকেন্দ্ৰীকৰণ, আঞ্চলিক বৈষম্য দূৰীকৰণ, দুৰ্নীতি নিবাৰণ আৰু সন্ত্ৰাসবাদ নিৰ্মূল কৰাৰ বাবে কাৰ্য ব্যৱস্থা লোৱা প্ৰয়োজন আৰু বাস্তৱ সন্মত। ... কৰিবলৈ হ'লে শিক্ষক নিযুক্তিৰ বাবে পৰিকল্পিত ... কেইটামান প্ৰয়োজনীয় অৰ্হতা নিৰ্দ্ধাৰণ কৰি উচি... লাগিব। যাতে তেনে অৰ্হতাৰ ভিত্তিত প্ৰত্যেক স্কুলৰে পৰিচালনা কমিটি সমূহে নিকা, নিৰপেক্ষ ... স্বচ্ছতাৰ ভিত্তিত শিক্ষক নিযুক্তি দিবলৈ সক্ষম ... শিক্ষক নিযুক্তিৰ বাবে পৰিচালনা কমিটিক দায়িত্ব ... কৰিলে স্থানীয় লোকসকলে তেওঁলোকৰ নি... সন্তানৰ ভৱিষ্যত চিন্তাৰ বাবে অধিক উৎসাহী ... ইয়াৰ ফলত ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰাটো সম্ভৱ ... আৰু পৰোক্ষ ভাৱে বিচ্ছিন্নতাবাদী আন্দোলনক ... কৰিব পৰা যাব। লগতে এনে প্ৰক্ৰিয়াৰ জৰিয়তে ... শিক্ষক নিযুক্তি প্ৰক্ৰিয়াটো নিকা হৈ পৰিব। আৰ... তেনে কৰিবলৈ হ'লে চৰকাৰী ভাৱে শিক্ষকতা চাক... অধিক আকৰ্ষিত কৰি তলত দিয়া ধৰণে ... প্ৰয়োজনীয় অৰ্হতা নিৰূপণ কৰা শিক্ষক নিযু... ব্যৱস্থা কৰিব লাগিব।

**শিক্ষক চাকৰিৰ বাবে প্ৰয়োজনীয় অৰ্হতাৰ ধাৰ...**

১। শিক্ষক হিচাপে নিযুক্তি পাবলৈ হ'লে প্ৰাৰ্থী ... সেইখন বিদ্যালয়ৰ পৰা শিক্ষাগ্ৰহণ কৰা ব্যক্তি ... লাগিব। (নেতুনকৈ স্থাপিত বিদ্যালয়ৰ ক্ষেত্ৰত আ... সেই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাগ্ৰহণ কাৰ বিদ্যাল... ছাত্ৰই নতুন বিদ্যালয়ৰ প্ৰাৰ্থী হ'ব পাৰিব।

২। প্ৰাৰ্থীজনে সেইখন বিদ্যালয়ৰ পৰা কমেও ... শতাংশ নম্বৰ সহ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ ... লাগিব। (উপযুক্ত প্ৰাৰ্থী অবিহনে পৰিচালনা সমিতি ... কম নম্বৰৰ প্ৰাৰ্থীক নিৰ্বাচন কৰিব পাৰিব কিন্তু ... বিদ্যালয়ৰ প্ৰাৰ্থীক নিৰ্বাচন কৰিব নোৱাৰিব।)

৩। প্ৰাৰ্থীজন বি এড হ'ব লাগিব নাইবা নিযু... পোৱাৰ পৰা ২ বছৰৰ ভিতৰত বি এড পাঠ্যক্ৰম স... কৰিব লাগিব। অন্যথা ২ বছৰৰ পিছত পদটো ...

হোৱা বুলি গণ্য কৰা হ'ব। অৱশ্যে তেওঁৰ পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ কাম বাকী থাকিলে পৰিচালনা কমিটিয়ে সেইটো বিবেচনা কৰিব পাৰে কিন্তু সেইটো বাধ্যতামূলক নহয়।

৪। প্ৰাৰ্থীজনে প্ৰৱেশিকা পৰীক্ষাত স্থানপ্ৰাপ্ত হ'লে তেওঁক ৫ টা অতিৰিক্ত বৰ্দ্ধিত ভাট্টা দিয়াৰ ব্যৱস্থা হ'ব লাগে। তাৰোপৰি তেনে ব্যক্তি ১০ বছৰ শিক্ষকৰ অভিজ্ঞতা থাকিলে, সেই স্কুলত অধ্যক্ষৰ পদ খালী হলে তেনে স্থানপ্ৰাপ্ত প্ৰাৰ্থীয়ে অগ্ৰাধিকাৰ লাভ কৰিব।

৫। নিয়ম অনুযায়ী নিযুক্তিপ্ৰাপ্ত সকলো শিক্ষকে প্ৰথমে কৰ্মস্থলিত যোগদান কৰাৰ দিনৰে পৰা চৰকাৰী বেতন পাব।

৬। কোনো ব্যক্তি নাইবা সংগঠনে চৰকাৰী অনুজ্ঞাপত্ৰ অবিহনে কোনো নতুন বিদ্যালয় আৰম্ভ কৰিব নোৱাৰিব। কৰিলে তাৰ বাবে জিলা উপায়ুক্তক জগৰীয়া কৰা হ'ব। কেনো ব্যক্তি নাইবা সংগঠনে তেনে প্ৰচেষ্টা চলালে জিলা উপায়ুক্তই প্ৰয়োজন অনুপাতে ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

৭। বৰ্তমান কাৰ্যনিৰ্বাহক কৰি থকা সকলো শিক্ষকে বাধ্যতামুলক ভাৱে বি এড প্ৰশিক্ষণ ল'ব লাগিব অন্যথা তেওঁলোকৰ বাৰ্ষিক ভাত্তা মঞ্জুৰ কৰা নহ'ব। বি এডৰ প্ৰমাণ পত্ৰ জমা দিলে পৰীক্ষাৰ ফলাফল ঘোষণা কৰা তাৰিখৰ পৰা নতুন নিৰিখৰ সম্পূৰ্ণ বেতন পাব।

৮। প্ৰতিজন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকে পাছ বছৰৰ মুৰত নিজ খণ্ড উন্নয়ন সীমাৰ ভিতৰত একোটা ৫ দিনীয়া প্ৰশিক্ষণ ল'ব লাগিব আৰু প্ৰতিখন প্ৰাথমিক বিদ্যালয়ে তিনি বছৰৰ ভিতৰত একোখন আঞ্চলিক শিক্ষক প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰিব লাগিব।

৯। প্ৰতিজন উচ্চ মাধ্যমিক শিক্ষকে পাছ বছৰৰ মুৰত জিলাভিত্তিত একোটা ৭ দিনীয়া প্ৰশিক্ষণ ল'ব লাগিব আৰু প্ৰতিখন তেনে বিদ্যালয়ে পাছ বছৰৰ ভিতৰত একোখন শিক্ষক প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰিব লাগিব।

১০। প্ৰতিজন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষকে প্ৰতি দহ বছৰৰ মুৰত ৰাজ্যিক ভিত্তিত একোটা ২১ দিনীয়া প্ৰশিক্ষণ ল'ব লাগিব আৰু প্ৰতিখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ে প্ৰতি পাঁচ বছৰৰ ভিতৰত একোখন প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰিব লাগিব।

উচ্চ মেধাসম্পন্ন যুৱক সকলক দৰ্মহাৰ লগতে অন্যান্য চমকপ্ৰদ সা-সুবিধা বৃদ্ধি কৰি শিক্ষকতা বৃত্তিক অধিক আকৰ্ষণীয় ও লোভনীয় কৰাৰ বাবে এনেবোৰ কৌশলৰ প্ৰয়োজনীয়তা আছে আৰু এনে কৰিলেহে মেধাসম্পন্ন যুৱকসকল শিক্ষকতা বৃত্তিলৈ আকৰ্ষিত হ'ব। এনে কৰিবলৈ যাওঁতে এটা কথা মনত ৰখা দৰকাৰ যে মানৱ সম্পদৰ উন্নয়ন অবিহনে কেনো উন্নয়নেই অধিক ফলপ্ৰশু নহয় আৰু পৰিকল্পিত ভাৱে এই মানৱ সম্পদ গঢ় দিবলৈ প্ৰয়োজন উপযুক্ত শিক্ষকৰ। তাৰোপৰি এনে বিজ্ঞান ভিত্তিক শিক্ষক নিযুক্তি প্ৰক্ৰিয়াৰ দ্বাৰা ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ লগত আঞ্চলিক বৈষম্য আনকি সন্ত্ৰাসবাদো নিৰ্মূল কৰাটো সম্ভৱ।

**সমাজ সংস্কাৰৰ মূল চাবিকাঠি ঃ**

প্ৰতিখন বিদ্যালয়ৰ পৰা সুখ্যাতিৰ উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীয়ে সেইখন বিদ্যালয়তে শিক্ষক হিচাপে নিযুক্তি পালে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে এইটো এটা আদৰ্শ হ'ব আৰু ভৱিষ্যতে তেওঁলোকেও ভালকৈ পঢ়াশুনা কৰাত আগ্ৰহান্বিত হ'ব। প্ৰৱেশিকা পৰীক্ষাত স্থানপ্ৰাপ্ত প্ৰাৰ্থীক ৫ টা অতিৰিক্ত বৰ্দ্ধিত ভাট্টা দিয়াৰ উপৰিও ১০ বছৰ কাম কৰাৰ পিছতে অধ্যক্ষ পদৰ বাবেও অগ্ৰাধিকাৰ পোৱাৰ ব্যৱস্থা হ'লে, মেধাবী ছাত্ৰ-ছাত্ৰী সকল তেনে বৃত্তিৰ প্ৰতি আকৰ্ষিত হ'ব। প্ৰত্যেকখন গাঁওতে থকা প্ৰাথমিক বিদ্যালয় যিহেতু একেবাৰে ওচৰৰ ছাত্ৰ-ছাত্ৰীয়ে পঢ়ে সেয়ে

তেনে ছাত্ৰ-ছাত্ৰীক তেওঁলোকে পঢ়া বিদ্যালয়খনত উৎকৃষ্ট প্ৰাৰ্থীজনক নিয়ম ভিত্তিক চৰকাৰী ভাৱে কৰ্ম সংস্থাপন দিয়াৰ ব্যৱস্থা হ'লে চাকৰিৰ নামত চলা দুৰ্নীতি বন্ধ হ'ব অন্যথা তথ্য জনাৰ আইন অনুসৰি বিভাগীয় কৰ্তৃপক্ষই উপযুক্ত প্ৰাৰ্থীজনক কিয় নিযুক্তিৰ কাৰণে বাছনি কৰা নহ'ল তাৰবাবে জৱাব দিহি হ'ব। তেনে ব্যক্তিয়ে ওচৰতে থকা বিদ্যালয়খনত শিক্ষক হিচাপে নিজৰ কৰ্মদক্ষতাৰ ভিত্তিত কৰ্মসংস্থাপন পোৱাৰ পিছত যিকোনো গ্ৰামোন্নয়নৰ কৰ্মসূচী ৰূপায়নৰ বাবে এজন অতন্দ্ৰ প্ৰহৰী হ'ব। ইয়াৰ উপৰিও এনে ব্যক্তিয়ে গ্ৰাম্য সমাজক অন্ধ-বিশ্বাস ও কু-সংস্কাৰ আদিৰ পৰা ৰক্ষা কৰাত মুখ্য ভূমিকা লবলৈ সক্ষম হ'ব। তেনে ব্যক্তি যিহেতু অৰ্থনৈতিক ভাৱে স্বচ্ছল হ'ব সেয়ে তেওঁলোকৰ থকা ঘৰ, স্কুললৈ অহা যোৱা কৰা ৰাষ্টা তথা বিশুদ্ধ খোৱাপানীৰ ব্যৱহাৰ আৰু ন্যূনতম স্বাস্থ্য সেৱা আদি উপলব্ধ হ'ব আৰু ইয়াৰ জৰিয়তে আঞ্চলিক বৈষম্য দূৰ হ'ব। ওপৰোক্ত ন্যূনতম সা সুবিধা খিনি উপলব্ধ হ'লে একেবাৰে ভিত অঞ্চল বুলি স্বাস্থ্য কৰ্মীৰ লগতে আন আন বিভ গ্ৰামাঞ্চলৰ কৰ্মচাৰী সকলে নিজৰ কৰ্মক্ষেত্ৰলৈ যো বাবে আগ্ৰহী হ'ব। আনহাতে প্ৰত্যেকখন স্কুলতে এ আদৰ্শনীয় ব্যক্তি শিক্ষক হিচাপে থাকিলে সন্ত্ৰাসব বীজ অঙ্কুৰিত হোৱাৰ পৰিৱেশ নাথাকিব। কেতি অসাৱধানতা বশত ঃ তেনে বীজ ৰোপিত হ সাংগঠনিক প্ৰক্ৰিয়াৰে আন অঞ্চলত প্ৰসা কৰিবলৈ উপযুক্ত সুবিধা কৰিব নোৱাৰিব।

সেয়ে সমাজক পৰিকল্পিত ভাৱে আগবঢ়াই নি বাবে বিজ্ঞান সন্মত শিক্ষক নিযুক্তি প্ৰক্ৰিয়াৰ জৰি প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ মাধ্যমিক বিদ্য সমূহত পৰিকল্পিতভাৱে উপযুক্ত শিক্ষক নিযুক্তি সমাজৰ পৰা সমস্ত অসূয়া, অ-প্ৰীতি বিনাশ কৰাৰ অগ্ৰাধিকাৰ ভিত্তিত বিজ্ঞান সন্মত কাৰ্যব্যৱস্থা গ্ৰহণ প্ৰয়োজন ও সময় সাপেক্ষ।

## মহৎ লোকৰ বাণী

লোকৰ ওচৰত আঁঠু লোৱাতকৈ গাঁৱৰ হোজা খেতিয়ক বেছি স্বাধীন।

—আব্ৰাহম লিংকন

সৰু বুলি কাকো অৱহেলা নকৰিবা, তুমি সৰু বুলি ভবা বস্তু এটাই কেতিয়াবা বিৰাট সত্যৰ সন্ধান দিব।

—গ্যেইট

নজনাটো সিমান লাজৰ কথা নহয়, শিকিবলৈ ইচ্ছা নকৰাটোহে লাজৰ কথা।

—বেঞ্জামিন ফ্ৰেংকলিন

# NATURE OF TEACHING (DEMOCRATIC, AUTHORITARIAN & LASSIEZ FAIRE)

Dr. Parijat Chakraborty

**.Introduction**

Teaching causes learning. The learning pro-ess can be activised in a number of ways .The hoice of the proper method is determined by asing on a variety of factors-

l) The type and size of the institution.
2) Level of the class
3) Field of knowledge
4) Facilities and financial support
5) Teacher- student ratio
6) Nature of students
7) Institutional Climate.
8) Teachers' basic concepts of the purpose f education.

Teaching is a complex activity .The nature f teaching determines how successfully eachers stimulate ,interest and arouse the tudent's enthusiasm in learning .Effective earning is the result that the good teacher is fter, because ,after all ,if there is no learning iere is no teaching.

Teaching includes the design of instruc-ional materials ,for students learn from media s well as from teachers with whom they in-eract .Teaching is an art and not a science . It epends on the personality, skills and attitudes f teachers. Teaching is a process by which eacher and students create a shared environ-ient including sets of values and beliefs. Ev-ry teacher develops a parttern in the way he handles the pupils and the various situations and crisis that arise in the teaching –learning process. Media Technology or the Educational Technology is adopted for increasing effectiveness and productivity of teaching and learning .Teaching media and the technology oriented components ,supplement the teachers work by stimulating and communicating with the student .

**2. Nature of Teaching**

Teaching is done by teacher .Therefore, it is essential to know the function of teacher first, some of the essential function of teacher are-

1) Motivating and guiding pupils
2) Influencing and shaping the pupils and social system.
3) Understanding the pupils and securing their cooperation
4) Creating a climate for performance.

All these function have implications for effective teaching by the teachers. Some teachers are able in stressing successfully the teacher's functions during teaching while others are not .Hence, it is natural to know as to what lies behind the effectiveness and success of some teachers and to failure by some others. Also , it will be interesting to know the different styles of teaching used by the teacher in their day to day affair.

There are mainly three types of teaching viz,-

a) Authoritarian Teaching.
b) Democratic Teaching.
c) Laissez Faire Teaching

Each of these types or nature of teaching are explained in detail.

**3. AUTHORITARIAN TEACHING**

a) Concept

Authoritarian teaching style is characterized by teaching with high power motivation .An authoritarian teacher is task –oriented .In this type ,The decision is always based on teacher's own thinking and ideas.

H.C Morrison defined authoritarian model of teaching as " Teaching is an intimate contact between a more mature personality and a less mature which is designed to further the education of the latter".

b) Evaluation

Authoritarian type of teaching behaviour is based upon close supervision ,clear and specific instructions and commanding orders of the teacher . In this type of teaching quick decision and prompt action is taken .This model demoralizes pupils, retards the growth of their participation and lowers the quality of performance.

c) Example

Teaching behaviour of the Gurukula system of education during the vedic period and the British period in India was mostly authoritarian in nature . This can be realized if we go through the books dealing with the educational system at that period.

In the present period also, authoritarian type of teaching is seen in all the educational institutions in varying degrees .For example ,in military schools this type of teaching can be observed at greater degrees.

d) Diagramatic Representation –

The situation can be diagrammatically represented as in fig.1

Instructs (efficiency varies) Acade
Content
Exercises Authority & control
Model Criticises Poor performanc
& Deviation from n
(Authoritarian Teaching) Avoid Involvement
pupils Concentrates Task Orientation & po
Motivation Nurtures Discipline & memory le

**4. Democratic Teaching-**

**a) Concept**

Teaching is characterized by democr style with affiliation motivation .In the de cratic or the participative nature of teac the participative –educative strategy is follo .The teacher allows pupil's participatio varying degrees for the accomplishment of cational and teaching goals Teaching in democratic from is human relations orien Independence and flexibility are allowed to maximum possible extent.

Edmund Amidon has defined teachin terms of democratic model of behaviour Teaching is defined as an interactive process marily involving class room talk which takes p between teacher and pupils and occurs du talk which takes place between teacher and pils and occurs during definable activities".

**b) Evaluation**

Democratic from of teaching requires action through the mutual support of stud and teachers. Benefits of democratic teac include greater pupil co-operation, impr formulation of plans because of receiving ideas and suggestions, greater understan of orders and instructions as well as the h

est personnel growth and development. In this type of teaching main aim is to lead the pupils in the study of significant problems. Greater scope for interchange of ideas, evidences, and insights, give and take and respect for one anothers' ideas exists.

Shortcomings of democratic model of teaching are manifested in the absence of clear and complete instructions, the fear of unauthorized modification of the plan and the pupil expectation of participation in all phases of decision making. The implementation of democratic methods of teaching as been exceedingly difficult. This type of teaching requires the teacher to have a high level of interpersonal and instructional skills.

**c) Example**

Almost in all educational institutions in India or in the world extensive efforts have been made to develop classroom instruction as a mode of democratic process. In India, we have democratic form of teaching since our country adopted democratic form of Government which has strong influence on the educational institutions.

I hope my class friends will strongly agree that in our classrooms complete participative-educative teaching strategy is followed by all the teachers. Here teachers emphasize co-operation with us and vice-versa and in doing so very conducive and relaxed classroom atmosphere is created. I would say from my personal experience that our classroom stresses and bases on complete democratic form of teaching.

d) Diagrammatic representation-Let me present the democratic form of teaching diagrammatically as in fig.2.

Instructs (efficiency varies) Academic Content
Instructs(effeciently) Democratic process skills
Model Nurtures
Commitment to democracy (Democratic Teaching) Nurtures Active citizenship Creates Friendly relationships& relaxed atmosphere Gives General positive rewardsFIG.2 Democratic model of teaching

## 5. LAISSEZ FAIRE TEACHING

**a) Concept**

Under the free –rein or laissez –faire form of teaching , the teacher gives wide scope to pupils in making their own performances .Teaching behaviour of this type is based on modern Theory of Organisation : Task and relationship centred .According to this concept the learners should be free to learn according to their will.

John Brubacher has defined Laissez Faire teaching behaviour as " Teaching is an arrangement and manipulation of a situation in which there are gaps and obstructions which an individual will seek to overcome and from which he will learn in the course of doing so".

**b) Evaluation**

In the Laissez faire form of teaching , teacher permits the members or participants to do whatever they want to do . No definite policy or procedure is established .Teachers permit the participants to set their own goals and to adopt means of achieving them .Such teaching model confine to aid the pupils' operations by way of furnishing information and maintaining outside contact .Under this form of teaching behaviour the group cohesion may be destroyed and the learners may function in

different direction individually.

c) **Example-**

In the science Laboratory ,Laissez –Faire teaching behaviour is mostly used. In the physics /Chemistry / any type of laboratory ,equipments /Chemicals /required materials ,are provided to the students/ pupils and method of functioning or what is to be determined is only said . Then the students perform their activities on their own .Teacher maintains outside contact and if necessary , hints are given .Though this is not to that extent pure Laissez Faire form ,even some degree of these form is applied here.

d) **Diagramatic Representation-**

We can diagrammatically represent the model as shown in Fig. 3.

Instructs (efficiency varies) Academic content

Model Greatly Emphasises Individual problem (Laissez–Faire solving ability Teaching) Nurtures Activity of students Creates Situation for learner Fig . 3. LAISSEZ –FAIRE MODEL OF TEACHING.

## 6. CONCLUSION

Teaching should be treated as the creation of an environment composed of interdependent parts .Content, skills, instructional roles , social relationships, types of activities, physical facilities and their use all together makes an environmental system whose parts interact with each other to constrain the behaviour of all participants and teachers . Nature of teaching is the nature of creating environments –they provide rough specifications which can be used to design and actualize learning environments.

For example , a study on ten year old boys in making paper masks ,etc .was carried out by Lippitt & White under the direction of Kurt Lewin .The researchers selected boys of same intelligence level .Boys were divided i three groups .Each group did the same tas making paper or masks or model air –pla ,etc. The three group leaders assumed differ styles of leadership as they shifted every weeks from group to group .One definite fi ing by the researchers was that nineteen ou twenty boys like the democratic leadership s That kind of a leader never tried to boss them ,yet they had plenty to do .The only who liked the authoritarian style of leader happened to be the son of an army office was also observed that seven out of ten b preferred the Laissez –Faire style , here b committed more aggressive acts than the under the democratic style.

Of course, a study on ten year old boy making paper masks or model air –planes . cannot be completely compared to teac behaviour . But like the studies of Lewin ,Li & White are a pioneering effort in underst ing teaching styles from the point of scien methodology and technology .The study throws light on how different styles of te ing can produce different complex react from the same or similar groups.

In the modern technological and In mation age situational teaching nature mig the suitable one. By situational teaching na it is meant here that skill in changing the either democratic or authoritarian or lais faire,demands one or more situational elem so that teaching effectiveness incre .Teaching skills require understanding working with different students and ele .Thus the skill is based on the interaction tween the teacher , behaviour and situatio which it is applied .The teaching skills app to teaching –learning situations can be un stood from fig .4

# NEED OF VALUE-BASED EDUCATION

Barsita Sarkar

In the present scenario the society is facing a rapid degradation of the values ,morals and cultures. This has posed a major problem for the people at large. A vast change has come over in the society due to various new innovations and discoveries. People have now become more materialistic and competitive. There life style have changed. People now only think of over taking each other in which even field possible and by any means , just closing their mindset, But even able doing so why it has been found that people with high status and position in the society are hunting for mental peace ?why do they remain restless. The reason is very simple .If we cook into our past and see our life today there is a total crisis of values .India, once rich in moral and spiritual ethics are at a loss of it in the present day .The society is now corrupted due to terrorism, molestation robbery and corruption. In the race of competition, people have forgotten their socio-cultural heritage people have become indifferent towards their families. Now the position has become such that people are now ready to win the race at the cost of our motherland .People have now become self–centered and they think themselves to be always right and also doing the right things in life. This is one of the main reasons for the downfall of the society.

So, it is very necessary that the education system should frame such a curriculum that will fulfill and help the young generation to inculcate values which can save them from the darkness of self–centeredness' , unlimited greed ,bribery ,corruption violence distortion ,frustration etc. More over this will also help in the all round development of the child .In the present day the schools & college lay stress an competing the syllabus lout little thought is given to the mental growth of the child .The education system should provide the students possibilities to inculcate social moral and spiritual values .Prof Kreet Joshi has expressed value –education thus:- "In fact value education is overdue and we feel that appropriate measures should have been taken soon after attainment of independence"

In the general term the behavior of a person is a reflection of his values. These values are mostly inculcated during childhood and it is also the environment which is me of the major factors .In fact without value ,education process itself will become meaningless and irrelevant .In reflection to value education the supreme Court in its historical judgment given on 12th September 2002, said that value based education has become the need of the hour.

**The concept of values**

According to Prof R.C Das, " A value may be defined as something which you consider vary dear , which you strive to acquire , preserve or protect and about which you can think and make judgment about the alternates of action available in a situation in relation to the value."

John Dewey's (1939) concept of values include

1) The idea of prizing, cherishing and holding dear.
2) The idea of reflection and making connections between the factors of the situation in ones existence to the end that improved judgment is unclouded
3) The idea that action in support of an approved value will be taken.

Thus if one thinks strongly about the values in life, can think of alternatives of action that support a value and would like to take any kind to action possible in order to maintain the value in life.

**Need of value –based Education**

The need of value based education has become an urgent for the society at present .But

by and large no such step has been taken up to set up a curriculum based on the value education system. The Education commission, 1964-66 headed by Prof D.S.Kothari has had very rightly observed.

"A sermons defect in the school curriculum is the absence of provision for education in social ,moral and spiritual values .In the life of the majority of Indians ,religion is a great motivating force and is intimately bound up with the formation of character and inculcation of ethical values .......... we recommend therefore ,that conscious and organized attempts be made for imparting education in social ,moral and spiritual values with the help ,wherever possible ,of the ethical teaching of great religions".

Thus various attempts have been made for the teaching of moral and spiritual values but there has always been a set back .But now its high time that ' value Based Education should be introduced in schools and college which is the need the hour.

**Objectives of value Education**

The following are the main objectives of values education

a) To promote truthfulness, co-operation lone and compassion, peace and non –violence, courage, equality, justice etc.
b) To train children to become responsible citizens to become responsible citizens.
c) To make them understand and appreciate the national goals.
d) To enable to become open and considerate in their thoughts and behaviour.
e) To help them understand and appreciate themselves in order to achieve self
e) To help them understand and appreciate themselves in order to achieve self-actualization.

**Religions Instruction Vs value Education**

Religions Instruction and value Education are two different things. One is related to the holy scriptures and other is related to the values of life .According to Vivekananda 3- things are necessary to make every man great ,e nation great;

i) Conviction of the powers of goodness
ii) Absence of jealousy and suspicion.
iii) Helping all who are trying to be good do good.

The children can be well guided only v the parents are well clarified about value ed tion and also the religious instructions in lif

**Role of teacher in value development**

a) To observe his/ her students , their inc tions and capacities so as to help them, deep sympathy and understanding.
b) To inspire much more than instruct.
c) To aid students through consultation suggestions.

**Role of students**

a) To learn the secret of self education.
b) To become heroic and fearless in the q of truth, harmony and liberty.
c) To work at the boundaries of their lin tions.

**Role of the educational administrator**

a) To become leaders, participants and serv rolled into one.
b) To guide parents, inspire teachers an serve the interest of the pupils.
c) To plan the future with boldness and ticulousness.

Thus value based education has indee come the need of the hour and proper s should be meted out so that education sys emphasizes on the value education. Value b education will co-operate in fighting evils all t of fanaticism, malice, violence, fatism, dis esty, corruption, exploitation etc. The educati administrators also can help a great deal in present system of education by incorporatin value based education in the educational ins tions.

# সমাজৰ সৰ্বাঙ্গীন বিকাশত বৈজ্ঞানীক মানসিকতাৰ প্ৰয়োজনীয়তা

অৰবিন্দ ৰাজখোৱা
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয়

মানৱ সভ্যতাৰ বিকাশত আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা লৈছে বিজ্ঞানে। বিজ্ঞান হ'ল সকলোধৰণৰ বিষয়ৰ প্ৰণালীবদ্ধ অধ্যয়ন। বিজ্ঞান সম্পূৰ্ণৰূপে যুক্তিৰ ওপৰত আধাৰিত। এলবাৰ্ট আইনষ্টাইনৰ মতে ঃ 'বিজ্ঞান হৈছে বিধিবদ্ধ চিন্তাৰ দ্বাৰা বিশ্বৰ ইন্দ্ৰিয়গ্ৰাহ্য পৰিঘটনাসমূহক যথাসম্ভৱ এটা যুক্তিগত সম্পৰ্কেৰে বান্ধিবলৈ কৰা শতাব্দীজোৰা সাধনা।' মানৱ সভ্যতাৰ আধুনিক যুগটো সম্পূৰ্ণৰূপে বিজ্ঞানৰ যুগ। এইটো যুগত মানৱ জীৱনৰ প্ৰতিটো কথাই নিয়ন্ত্ৰিত হৈছে বিজ্ঞানৰ দ্বাৰা। দৈনন্দিন জীৱনৰ সৰু সুৰা প্ৰয়োজনৰপৰা আৰম্ভ কৰি যাতায়াত, যোগাযোগ, চিকিৎসা আদি সকলো ক্ষেত্ৰতে বিজ্ঞানক বাদ দি কোনো কথাই চিন্তা কৰিব নোৱাৰি। আনকি মানুহৰ মৌলিক প্ৰয়োজন আহাৰ, বস্ত্ৰ আৰু বাসস্থানৰ ক্ষেত্ৰতো বিজ্ঞানৰ ভূমিকা অপৰিহাৰ্য হৈ পৰিল। সেয়েহে কোৱা হয় বৰ্তমানৰ যুগটো সম্পূৰ্ণৰূপে বিজ্ঞানৰ যুগ।

বৈজ্ঞানীক মানসিকতা - এই খণ্ডবাক্যটো উনবিংশ শতিকাৰপৰা জনপ্ৰিয় হৈ উঠিছে। ইয়াত মানসিকতাৰ লগত বিজ্ঞানৰ সম্পৰ্ক গ্ৰন্থন কৰা হৈছে। অৱশ্যে বিজ্ঞানৰ জটিল সমীকৰণৰ লগত ইয়াৰ কোনো বিশেষ সম্পৰ্ক নাই। বিজ্ঞান যুক্তি আৰু সত্যৰ ওপৰত প্ৰতিষ্ঠিত। তেনে যুক্তি আৰু সত্যক আধাৰ কৰি গঢ় লোৱা মানৱ মনক বৈজ্ঞানীক মন বুলি কোৱা হয়। তাৰপৰাই বৈজ্ঞানীক মানসিকতা খণ্ডবাক্যটোৰ উৎপত্তি। বৈজ্ঞানীক মানসিকতাই মানুহক সকলো কথা চালি-জাৰি চাই বিশদভাৱে জানিবলৈ সহায় কৰাৰ লগতে সিদ্ধান্ত গ্ৰহণতো সহায় কৰে। প্ৰতিটো কাৰ্যৰ কাৰণ নিৰ্ণয়ৰ চেষ্টা আৰু প্ৰশ্ন কৰাৰ প্ৰৱনতা বৈজ্ঞানীক মানসিকতাৰ অন্যতম দিশ। বৈজ্ঞানীক মানসিকতাৰ অধিকাৰী হ'বৰ বাবে বিজ্ঞানৰ ডাঙৰ ডিগ্ৰী থাকিব লাগিব বুলি কোনো কথা নাই। এজন ব্যক্তি বিজ্ঞানৰ সু-উচ্চ ডিগ্ৰীধাৰী হ'লেও তেওঁৰ মানসিকতা বৈজ্ঞানীক নহ'বও পাৰে। অন্যহাতে হোজা, নিৰক্ষৰ ব্যক্তি এজনো বৈজ্ঞানীক মানসিকতাৰ অধিকাৰী হ'ব পাৰে।

মানৱ সমাজৰ বিকাশত বিজ্ঞানৰ যিদৰে গুৰুত্বপূৰ্ণ ভূমিকা আছে তেনেদৰে বৈজ্ঞানীক মানসিকতাৰো বিশেষ প্ৰয়োজন আছে। বিজ্ঞানে মানুহৰ বাহ্যিক জীৱনৰ বিকাশ সাধে কিন্তু বৈজ্ঞানীক মানসিকতাই মানুহৰ অন্তৰ্জীৱনলৈ পৰিৱৰ্তন আনে। কোৱা বাহুল্য মাথোন যে যিখন সমাজত মানুহৰ মানসিক জগত সংশয়হীন নহয় তেনে সমাজত জ্ঞানৰ বিকাশ সম্ভৱ নহয়। এই সংশয়হীন চেতনা গঢ় ল'বৰ বাবে বৈজ্ঞানীক মানসিকতাৰ প্ৰসাৰ ঘটোৱাৰ বাদে অন্য ব্যৱস্থা নাই।

বৈজ্ঞানিক মানসিকতাৰ অভাৱত সমাজত ঘটি থকা কিছুমান পৰিঘটনা উল্লেখ কৰিলে বিষয়টো অধিক পৰিস্কাৰ হ'ব।

আমাৰ সমাজত সন্তান জন্ম হ'লে কোষ্ঠী চোৱাই গণনা কৰা হয় আৰু সন্তানৰ মঙ্গল অমঙ্গল বিচাৰ কৰা হয়। কন্যা সন্তানৰ ক্ষেত্ৰত ঋতুকাল আৰম্ভ হোৱাৰ

সময়ত জ্যোতিষীয়ে গণনা কৰি পুনৰ মঙ্গল অমঙ্গল বিচাৰ কৰে। বিভিন্ন ধৰণৰ অপশক্তি তথা গ্ৰহদোষৰপৰা ৰেহাই পাবলৈ আমাৰ অগণন লোকে তাবিজ, পাথৰযুক্ত আঙুঠি আদি পৰিধান কৰে। আমাৰ সমাজত বসন্ত ৰোগৰ কাৰণ এতিয়াও বিশেষ শক্তিধাৰী শৰৰীৰী আই বুলি ভবা হয় আৰু সেই ৰোগ হ'লে আইক তুষ্ট কৰিবলৈ টোপোলা বন্ধা হয় আৰু শৰাই দিয়া হয়। ৰাস্তাত মেকুৰী দেখিলে বা খালী পাত্ৰ দেখিলে যাত্ৰা অমঙ্গলীয়া হ'ব বুলি ভবা হয়। বৰষুণ আহিবৰ বাবে ভেকুলীৰ বিয়া পতা হয়। ছোৱালী বা বোৱাৰীয়ে যঁজা কল বা যঁজা তামোল খালে যঁজা সন্তান জন্ম হ'ব বুলি বিশ্বাস কৰা হয়। শনি আৰু মঙ্গলবাৰে চুলি আৰু নখ কটা নহয়। লাও গছত নজৰ নালাগিবৰ বাবে চুণেৰে আখৰ লিখি আঁৰি দিয়া হয়। ঘৰৰ মূধচত ফেঁচা পৰিলে বা বাৰীত ফেঁচাই মাতিলে ঘৰখনৰ বিপদ আসন্ন বুলি ভবা হয়। ভূত-প্ৰেতৰপৰা ৰক্ষা পাবলৈ ঘৰৰ মুল দুৱাৰৰ ওপৰত কাঁইটীয়া লতা ওলোমাই ৰখা হয়।

এনেধৰণৰ অলেখ পৰিঘটনা আমাৰ সমাজত যুগ যুগ ধৰি চলি আছে। সাম্প্ৰতিক কালত বিজ্ঞানৰ অগ্ৰগতিয়ে ইয়াৰ দুই এটা বিশ্বাস নোহোৱা কৰিছে যদিও সৰহভাগ এতিয়াও প্ৰচলিত হৈয়ে আছে। এই বিশ্বাসবোৰৰ প্ৰচলনে সমাজৰ উন্নতিত কেনেদৰে বাধা সৃষ্টি কৰিছে সেয়া আলোচনা কৰাৰ প্ৰয়োজন আছে।

মানৱ সভ্যতাৰ প্ৰাচীন আৰু মধ্যযুগত বিজ্ঞান আৰু বৈজ্ঞানীক মানসিকতাৰ বিশেষ বিকাশ ঘটা নাছিল। সেয়ে সেই কালৰ মানুহে কোনো জটিল বিষয়ৰ ব্যাখ্যা দিব পৰা নাছিল। প্ৰাকৃতিক পৰিঘটনা সমূহৰো কাৰণ তেওঁলোকে নিৰ্ণয় কৰিবপৰা নাছিল। বিভিন্ন সময়ত বিভিন্ন দুৰ্যোগৰ মুখামুখি হোৱা মানুহে নিজক প্ৰবোধ দিবৰ বাবে বহু বিশ্বাস আৰু পৰম্পৰাৰ জন্ম দিছিল। তেওঁলোকে অনাবৃষ্টি, অতিবৃষ্টি, ভূমিকম্প, ধুমুহা আদি প্ৰাকৃতিক পৰিঘটনাৰ ক নিৰ্ণয় কৰিব নোৱাৰি সেইবোৰ অলৌকিক শক্তি দেৱতাৰদ্বাৰা পৰিচালিত হোৱা বুলি ভাবিছিল সেইবোৰৰ সন্তুষ্ট কৰিবৰ বাবে পূজা পাতল ক প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। কিন্তু আধুনিক যুগত সক প্ৰাকৃতিক পৰিঘটনাৰ ব্যাখ্যা সম্ভৱ হৈছে। আ কিছুমান প্ৰাকৃতিক দুৰ্যোগ নিয়ন্ত্ৰণ কৰাও সম্ভৱ হৈ আচলতে বিজ্ঞানৰ এই অগ্ৰগতিৰ কাৰণেই বৰ্তম সময়খিনি আধুনিক যুগ হিচাপে নামকৰণ কৰা হৈ কিন্তু এতিয়াও যদি কোনো সমাজত প্ৰাকৃ পৰিঘটনা দেৱতাৰ দ্বাৰা নিয়ন্ত্ৰিত বুলি ভবা হয় তেনে দেৱতাক সন্তুষ্ট কৰা হয় তেন্তে সেই সমা প্ৰকৃতাৰ্থত আধুনিক সমাজ বুলি কোৱা না বিজ্ঞানৰ সকলো সা-সুবিধাৰে বাহ্যিক জীৱন স কৰি ৰখা সেই সমাজৰ ব্যক্তিসকল মানসিক আচলতে মধ্যযুগতেই বসবাস কৰি থাকে। য যুগোপযুগী জ্ঞান আৰু চিন্তাৰপৰা সেই সমাজ বা হয়। পূজা পাতলৰ লগত ব্যস্ত থকা সমাজখনে স সমাধানৰ ব্যৱহাৰিক পথবোৰ আওকান কৰাৰ য বিকাশৰ পথ ৰুদ্ধ হয়। কেৱল বৈজ্ঞানীক মানসিক প্ৰসাৰেহে সমাজৰপৰা উক্ত অন্ধবিশ্বাসবোৰ আঁ পাৰে।

সমাজত অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ জন্ম অজ্ঞতাৰ বাবে। প্ৰাচীন আৰু মধ্যযুগত যেতিয়া জ্ঞ বিকাশ ঘটা নাছিল তেতিয়া বিমূঢ় মানুহে সেইবে জন্ম দিছিল। সংস্কৃতি ঐতিহ্য ৰক্ষাৰ নামত অন্ধবিশ্বাস আৰু কু-সংস্কাৰসমূহ বৰ্তমানেও জীয় ৰখাৰ কোনো যুক্তি থাকিব নোৱাৰে। অৱ সাংস্কৃতিক পৰম্পৰাৰ ক্ষেত্ৰত কথাটো সুকীয়া। এটাৰ স্বকীয়তা ৰক্ষাৰ বাবে কিছুমান সাংস্কৃ পৰম্পৰা জীয়ন দি ৰখা হয়। এই জীয়ন দিয়া সমাপন কৰা কৰা বৈজ্ঞানীকভাৱেহে। ইয়াৰ ব

অন্ধবিশ্বাস আৰু কু-সংস্কাৰক একাকাৰ কৰিব নোৱাৰি।

বৈজ্ঞানীক মানসিকতাৰ অভাৱে সমাজৰ উন্নতি কেনেদৰে স্থবিৰ কৰে সেয়া বুজিবলৈ কেইটামান উদাহৰণ লক্ষ্য কৰিলেই যথেষ্ট।

অসম এখন কৃষিপ্ৰধান ঠাই। কৃষিৰ উৎপাদনৰ ওপৰত এই ঠাইৰ উন্নতি বহু পৰিমানে নিৰ্ভৰ পৰে। অসমত কৃষিৰ বাবে এতিয়াও পৰ্যাপ্ত জনসিঞ্চনৰ ব্যৱস্থা হৈ উঠা নাই। সেয়ে অসমৰ কৃষকে বতৰৰ ওপৰত নিৰ্ভৰ কৰিয়েই কৃষিকাৰ্যত নামিব লাগে। কিন্তু বৈজ্ঞানীক মানসিকতাৰ অভাৱে এই প্ৰকৃতি-নিৰ্ভৰ কৃষি ব্যৱস্থাটোক ক্ষতিগ্ৰস্ত কৰে। আমাৰ সমাজত বিশ্বাস আছে যে জোনমৰা, একাদশী, ষাট আদিত হাল বাব নাপায়। এই বিশ্বাসৰ কোনো বৈজ্ঞানীক ভিত্তি নাই। কিন্তু সমাজৰ গৰিষ্ঠসংখ্যকে সেয়া শ্ৰদ্ধাৰে মানি চলে। ফলত কেতিয়াবা অত্যন্ত উপযুক্ত সময়ত পথাৰলৈ যোৱাৰপৰা বিৰত থাকিব লগা হয় আৰু কৃষিৰ উৎপাদনত ই বিৰূপ প্ৰভাৱ পেলায়। অৱশ্যে সপ্তাহ বা পষেকত এদিন বা দুদিন কৃষিকৰ্মত বিৰতি থাকিব পাৰে। কিন্তু সেই বিৰতি হাজাৰ হাজাৰ কিলোমিটাৰ দূৰত থকা চন্দ্ৰটোৱে নিয়ন্ত্ৰণ কৰাতকৈ কৃষকৰ ব্যক্তিগত তাগিদাইহে নিয়ন্ত্ৰণ কৰা উচিত।

আমাৰ মানুহে দৈনন্দিন জীৱনত বহু বিজ্ঞান-সৃষ্ট আহিলা আৰু যন্ত্ৰপাতি ব্যৱহাৰ কৰে। সেই আহিলা আৰু যন্ত্ৰ পাতিসমূহৰ আৱিস্কাৰক বা সেইসমূহ ক'ত কেনেকৈ উৎপাদন কৰা হৈছে সেই কথা অতি কম সংখ্যকেহে জানে বা জানিবলৈ ইচ্ছা কৰে। কিন্তু সেইসমূহৰ কুশল মঙ্গলৰ বাবে গৰিষ্ঠসংখ্যক ব্যক্তিয়ে দেৱতাৰ নামত পূজা আগবঢ়ায়। সম্প্ৰতি তেনে পূজা পাতল কমি আহিব লাগিছিল যদিও ব্যাপক মাত্ৰাত সেয়া বাঢ়িহে আহিছে। আনকি উচ্চশিক্ষাৰ প্ৰতিষ্ঠান আৰু কাৰিকৰী প্ৰতিষ্ঠানতো তেনে পূজা পতা হয়। যন্ত্ৰ পাতিৰ লগত পূজা বা দেৱতাৰ কোনো সম্পৰ্ক নাই বা থাকিব নোৱাৰে। এই সত্যটো একবিংশ শতিকাতো উপলব্ধি কৰিব নোৱাৰাটো আমাৰ বাবে দুৰ্ভাগ্যজনক। ইয়াৰ ফলত নতুন প্ৰজন্মৰ মনত বিজ্ঞান আৰু বিজ্ঞানী সম্পৰ্কে সচেতনতা জন্ম হোৱাৰ পৰিৱৰ্তে দেৱতাৰ প্ৰতিহে কৃতজ্ঞতাবোধৰ জন্ম হয়। ফলত যুক্তি বুদ্ধিৰ পৰিৱৰ্তে ব্যাখ্যাহীন, মায়াময় জগত এখনকহে আদৰণি জনোৱা হয়। কেৱল বৈজ্ঞানীক মানসিকতাৰ অভাৱতেই এই দুৰ্ভাগ্যজনক পৰিঘটনাই আমাৰ সমাজ চানি ধৰি আছে। সমাজৰ উন্নতিত ই বহু অন্তৰায় সৃষ্টি কৰে।

আমাৰ সমাজত এতিয়াও মধ্যযুগৰ দৰে জাতিগত আৰু সম্প্ৰদায়গত ভেদাভেদ বিৰাজমান। এতিয়াও সামাজিক ৰীতি-নীতি, বিয়া-বাৰু, অনুষ্ঠান আদিত জাতিগত আৰু সম্প্ৰদায়গত পৰিচয়সমূহ গুৰুত্বপূৰ্ণ হৈয়ে আছে। অৰ্থাৎ মানুহক মানুহ হিচাপে মূল্যায়ণ কৰাতকৈ জাতি আৰু সম্প্ৰদায় হিচাপেই আজিও মূল্যায়ণ কৰা হয়। উচ্চবৰ্ণ, নিম্নবৰ্ণৰ ভেদাভেদ এতিয়াও আছে। অথচ বিজ্ঞানে কোন কাহানিবাই মানুহৰ ক্ৰম-বিৱৰ্তনৰ ব্যাখ্যা আগবঢ়াইছে। সকলো মানুহৰ জন্ম প্ৰক্ৰিয়া একে, সকলোৰে শৰীৰত একে পৰিমানৰ আৰু একে ধৰণৰ অস্থি, ৰক্ত আৰু অন্যান্য অঙ্গ প্ৰত্যঙ্গ আছে। মাথোঁ ছালৰ বৰণ বা দেহৰ গঠনৰ সামান্য প্ৰভেদ আছে। তেনেস্থলত এই ভেদাবোৰৰ ভিত্তি কোনোধৰণে থকা সম্ভৱ নহয়। কিন্তু আমাৰ সমাজত সেয়া এতিয়াও অতি তীব্ৰভাৱে বিৰাজ কৰিছে। বৈজ্ঞানীক মানসিকতাৰ অভাৱেই ইয়াৰ মূল কাৰণ। যিখন সমাজত বৈজ্ঞানীকভাৱে, যুক্তিৰে এই কথাবোৰ আলোচিত হয় সেই সমাজত এনে ভেদাভেদ থাকিব নোৱাৰে। এই ভেদাভেদে সমাজৰ বিস্তৰ ক্ষতিসাধন কৰিব পাৰে। আমাৰ অসমৰ ক্ষেত্ৰতে কথাটো স্পষ্ট হয়। জাতিগত আৰু

সম্পদায়গত ভেদাভেদে অসমত এতিয়ালৈকে যিমান অস্থিৰতাৰ জন্ম দিছে তেনে অস্থিৰতা আন একোৱেই জন্ম দিব পৰা নাই।

মানুহৰ উন্নতি আৰু সফলতা নিৰ্ভৰ কৰে পৰিশ্ৰম, আত্মবিশ্বাস আৰু প্ৰতিভাৰ উচিত ব্যৱহাৰৰ ওপৰত। তাকে নকৰি ভাগ্যক থিয়াই দেৱ দেৱতাৰ পূজা কৰি থাকিলে উন্নতি সম্ভৱ নহয়। কিন্তু আমাৰ সমাজত সেয়া হৈ আছে। আকৌ মানুহৰ জীৱনৰ সংঘাত আৰু দুৰ্ঘটনাবোৰ প্ৰায়ে আকস্মিকভাৱে সংঘতিত হয়। আঙুঠি, তাবিজ আদি পিন্ধি কোনো অপায় অমঙ্গলৰপৰা ৰক্ষা পাব নোৱাৰি। বৈজ্ঞানীক মানসিকতাৰ অভাৱত এতিয়াও তেনে চেষ্টা চলি আছে।

মানুহৰ দেহৰ সৰহভাগ ৰোগৰ কাৰণ হ'ল বীজাণুৰ আক্ৰমণ। তাৰপৰা ৰেহাই পাবলৈ যিমান পাৰি সোনকালে চিকিৎসাৰ ব্যৱস্থা কৰা উচিত। আমাৰ সমাজত কিন্তু এতিয়াও বিভিন্ন অযুক্তিকৰ কাৰ্যৰে ৰোগক বাধা দিবলৈ চেষ্টা কৰা হয়। ইয়াৰ ফলত ৰোগীৰ মৃত্যু পৰ্যন্ত ঘটিব পাৰে। পিছে আমাৰ সমাজত বৈজ্ঞানীক মানসিকতাৰ অভাৱত এতিয়াও জৰা-ফুকা, টোপোলা বন্ধা, পূজা পাতল আদি চলিয়েই আছে।

সমাজৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে মানুহৰ মনৰ এই অযৌক্তিকতাৰ অৱসান ঘটিব লাগিব। অস্পষ্টতা আৰু ধূসৰতা শেষ হ'ব লাগিব। যুক্তিৰ মাজতহে প্ৰকৃত নৈতিকতাই বিৰাজ কৰে। তাৰ মাজতেই উন্নতিবো... সোমাই থাকে।

আমাৰ ভাৰতবৰ্ষ এতিয়াও এখন তৃতীয় বি... দেশ। প্ৰগতিৰ পথত প্ৰথম আৰু দ্বিতীয় বি... দেশসমূহক লগ পাবলৈ ভাৰতবৰ্ষই এতিয়াও... বেগেৰে বহু পথ অতিক্ৰম কৰিব লাগিব। বিশ্বৰ উ... দেশসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে ... জনসাধাৰণৰ সামগ্ৰিক উন্নতিৰ মূলতেই হ'ল বৈজ্ঞা... মানসিকতাৰ ব্যাপক প্ৰসাৰ। যুক্তিহীন কথাবোৰক... তেনে দেশসমূহত ব্যস্ততা দেখুওৱা নহয়। আমাৰ ... ভাৰতবৰ্ষক প্ৰকৃত উন্নতিৰ পথলৈ আগুৱাই নি... হ'লে আমিও বৈজ্ঞানীক মানসিকতাক সাৰথি হিচ... গ্ৰহণ কৰিব লাগিব। এইক্ষেত্ৰত সমাজৰ জ্যেষ্ঠসক... বাট দেখুৱাব লাগিব। বিশেষকৈ শিক্ষকসক... এইক্ষেত্ৰত আগভাগ ল'ব লাগিব। অতি দুখেৰে ... কৰা যায় যে আমাৰ বহু বিজ্ঞান শিক্ষাৰে শি... ব্যক্তিয়েও গ্ৰহদোষৰ পৰা ৰক্ষা পাবলৈ বিভিন্ন আ... পিন্ধে, অমঙ্গল দূৰ কৰিবলৈ পুৰোহিত মাতি যজ্ঞ ... ভৱিষ্যতৰ খতিয়ান ল'বলৈ ৰাশিফল চায়। অৱ... তাৰ মাজতো যুক্তিবাদী মানুহ আছে। সংখ্যাত... হ'লেও সেই বৈজ্ঞানীক চেতনাৰ ব্যক্তি আমাৰ সমা... আছে। তেওঁলোকৰ চেতনাৰ বহুল প্ৰসাৰৰ প্ৰয়োগ... তেতিয়াহে সমাজৰ সৰ্বাঙ্গীন উন্নতি সাধিত হ'ব।

---

## মহৎ লোকৰ বাণী

- আনক সমালোচনা কৰিবলৈ যোৱাৰ আগতে নিজকে সমালোচনা কৰা, নিজে শুদ্ধ আৰু পবিত্ৰ হ'ব পাৰিলেহে আনৰ বিষয়ে মতামত দিয়াৰ যোগত্য অৰ্জন কৰিব পাৰিবা।

—ছক্ৰেটিছ

# গ্ৰাম্যাঞ্চলত বিশুদ্ধ পানীৰ সংকট আৰু ৰাইজৰ সজাগতা

ড° দিগন্ত কুমাৰ ফুকন
সহকাৰী অধ্যাপক, সমাজতত্ব বিভাগ,
যোৰহাট মহাবিদ্যালয়

পৰিৱেশৰ চাৰিটা মৌলিক উপাদান হ'ল বায়ুমণ্ডল (Atmosphere), স্থলমণ্ডল (শিল আৰু মাটি) (Lithosphere), জলমণ্ডল (Hydrosphere) আৰু জীৱমণ্ডল (Biosphere)। নকলওে হ'ব যে পানীয়ে বিশ্বত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। বিশেষকৈ জীৱমণ্ডলৰ (Biosphere) ৰ প্ৰাণী জগতেই হওক বা উদ্ভিদ জগতেই হওক - এই দুই উপাদানকে জীয়াই থাকিবলৈ, পৃথিৱীত বৰ্তি থাকিবলৈ পানী একান্তই আৱশ্যক। কোৱা হয় পানীয়েই জীৱৰ প্ৰাণ।

প্ৰকৃতিৰ অন্যতম শ্ৰেষ্ঠ উপাদান মানৱ জাতিৰ বাবেও পানী অতি প্ৰয়োজনীয়। দৈনন্দিন জীৱনত বিভিন্ন কামত পানী ব্যৱহাৰ কৰা হয়। আৰু সবাতোকৈ প্ৰয়োজনীয় কথাটো হ'ল জীয়াই থাকিবৰ বাবে, সুস্থ হৈ থাকিবৰ বাবে অন্যান্য জীৱৰ দৰে আমি মানৱ কুলেও দৈনন্দিন নিৰ্দিষ্ট পৰিমাণৰ পানী সেৱন কৰিবই লাগিব। অৱশ্যে বয়স ভেদে সেৱন কৰিবলগীয়া পানীৰ পৰিমাণ ভিন্ন। এই পানীক প্ৰকৃতিৰ এক পবিত্ৰতম সম্পদ হিচাপে গণ্য কৰা হয়। পৰম্পৰাগত হিচাপে বিশ্বাস কৰি অহা হৈছে যে - পবিত্ৰ জলত গা ধুলে পাপৰ পৰাও মুক্ত হ'ব পাৰি। সেয়ে বিশেষকৈ হিন্দু ধৰ্মত ভাৰতবৰ্ষৰ বৃহৎ নদী (গংগা, ব্ৰহ্মপুত্ৰ ইত্যাদি) ৰ পানীক পবিত্ৰ হিচাপে গণ্য কৰি সেই পানীত স্নান কৰি পাপৰ পৰা, কলুষ-কালিমাৰ পৰা পৰিত্ৰাণ পোৱাৰ কথা বিশ্বাস কৰি অহা হৈছে। কেতিয়াবা মংগল কামনা কৰি জলাশয় বা জলৰ উৎসক উদ্দেশ্যি পূজা-অৰ্চনা কৰি অহা হয়। আনহাতে পানী মানৱ সভ্যতাৰ সৃষ্টি আৰু বিকাশৰো উৎস। ইতিহাসৰ পাতত লিপিবদ্ধ হৈ আছে- কিদৰে সিন্ধু নদীক কেন্দ্ৰ কৰি গঢ়ি উঠিছিল সিন্ধু সভ্যতা, টাইগ্ৰীছ নদীক কেন্দ্ৰ কৰি গঢ়ি উঠিছিল মেছ'পটেনিয়াম সভ্যতা, নীল নদীক কেন্দ্ৰ কৰি ইয়াৰ কাষত গঢ়ি উঠিছিল নীল নদীৰ সভ্যতা ইত্যাদি। আমাৰ ভাৰতবৰ্ষৰ বিভিন্ন সংস্কৃতিৰ বিভিন্ন দিশতে পানীৰ প্ৰয়োজন।

পিছে ইমান প্ৰয়োজনীয়তা থকা স্বত্তেও বিশ্বৰ বহু দেশৰ নাগৰিকে প্ৰয়োজনীয় পানী নাপায়। অৰ্থাৎ এই দেশবোৰত প্ৰয়োজনীয় পানীৰ সংকটে দেখা দিছে। এই সম্পৰ্কে ড° দীনেশ বৈশ্য (২০০৬) দেৱে লিখিছে যে "এতিয়া পৃথিৱীৰ ৪০খন দেশৰ এক বিলিয়ন মানুহে প্ৰয়োজনীয় পৰিমাণৰ পানী নাপায়। ২০৫০ চনত পৃথিৱীৰ ২.৩ বিলিয়ন মানুহ পানীৰ পৰা বঞ্চিত হ'ব। ভাৰতবৰ্ষৰ মহানগৰীসমূহত বাস কৰা লোকসকল ন্যুনতম প্ৰয়োজনীয় পানীৰপৰা ইতিমধ্যে বঞ্চিত হৈছে। গড় হিচাপে ভাৰতৰ্ষৰ মহানগৰীত বাস কৰা লোকসকলে দৈনিক মাত্ৰ দুবাল্টি পানীহে ব্যৱহাৰ কৰিবলৈ পায়। দৰিদ্ৰতাৰ সীমাৰেখাৰ তলৰ পৰ্যায়ত জীয়াই থকা নগৰীয়া জনসংখ্যাৰ প্ৰায় ৪০ শতাংশ

ভাৰতীয়ৰ বাবে পানীৰ কোনো ব্যৱস্থা নাই। সমগ্ৰ বিশ্বতে সম্প্ৰতি ৬ বিলিয়ন মানুহ পানীৰ সুবিধাৰ পৰা বঞ্চিত হৈ আছে। ২০৫০ চনত বিশ্বৰ ১০ বিলিয়ন লোক পানীৰ সুবিধাৰ পৰা বঞ্চিত হ'ব। প্ৰতি বছৰে চ... হাজাৰ শিশুৰ মৃত্যু হয় জল সংকটজনিত পাৰ্শ্বক্ৰিয়াৰ ফলত। ভাৰতবৰ্ষত নগৰ অঞ্চলৰ সমানে সম... গ্ৰাম্যাঞ্চলতো জল সংকট দ্ৰুতগতিত বৃদ্ধি হৈছে। বেচৰকাৰী বিশ্লেষণ অনুযায়ী ১৯৮৫ চনত ভাৰতৰ ৭৫০খন গাঁৱত পানীৰ উৎসৰ ব্যৱস্থা নাছিল। ১৯৯৬ চনত পানীৰ উৎসৰ ব্যৱস্থা নথকা গাঁৱৰ সংখ্যা পাঁচ... হাজাৰলৈ বৃদ্ধি হৈছে। ২০০০ চনত জল সংকটত নিমজ্জিত হৈছে"।

আনহাতে এফালে লাহে লাহে বিশ্বৰ ভিন্নদেশ তথা ভাৰতৰ ভিন্ন ৰাজ্য যেনেকৈ পানীৰ সংকটত প... লাগিছে - তাৰ লগে লগে আন এক সংকট আহি পৰিছে। সেইয়া হ'ল বিশুদ্ধ পানীৰ সংকট। অৰ্থাৎ এফা... পানীৰ নাটনি হৈছে আৰু আন দিশেদি বিশুদ্ধ পানীৰ পৰিমাণো উপযুক্ত নহয়। ভাৰতৰ অন্যান্য ৰা... লগতে উত্তৰ-পূব ভাৰতৰ সাতোখন ৰাজ্যতে বিশুদ্ধ পানীৰ সমস্যা আহি পৰিছে। তলৰ তালিকাত উত্তৰ... ভাৰতৰ ৰাজ্যসমূহত বিশুদ্ধ পানীৰ সুবিধা থকা পৰিয়ালৰ এটি হিচাপ দিয়া হৈছে।

**তালিকা নং ১.১ উত্তৰ-পূব ভাৰতত বিশুদ্ধ খোৱা পানীৰ সুবিধা থকা পৰিয়াল (শতাংশ হিচাপত**

| ৰাজ্য | ১৯৮১ | ২০০১ |
|---|---|---|
| অৰুণাচল প্ৰদেশ | ৪৩.৯ | ৭৭.৫ |
| অসম | | ৫৮.৮ |
| মণিপুৰ | ১৯.৫ | ৩৭.০ |
| মেঘালয় | ২৫.১ | ৩৯.০ |
| মিজোৰাম | ৪.৯ | ৩৬.০ |
| নগালেণ্ড | ৪৫.৬ | ৪৬.৬ |
| ত্ৰিপুৰা | ২৭.৩ | ৫২.৫ |
| ভাৰত | ৩৮.২ | ৭৭.৯ |

১.১ নং তালিকাত এই কথা পৰিষ্কাৰ যে, ১৯৮১ চনৰ তুলনাত ২০০১ চনত উত্তৰ-পূব ভাৰতৰ ৰাজ্যস... বিশুদ্ধ খোৱা পানীৰ সুবিধা পোৱা পৰিয়ালৰ পৰিমাণ বাঢ়িছে যদিও, সুবিধা পোৱা পৰিয়ালৰ সংখ্যা... বুলি ক'ব নোৱাৰি। কিয়নো প্ৰতিখন ৰাজ্যতেই বহু শতাংশ লোকে বিশুদ্ধ পানীৰ সুবিধা পোৱা নাই। অৰুণা... বাহিৰে বাকী ৬খন ৰাজ্যত ৪০ শতাংশতকৈ অধিক লোকে বিশুদ্ধ পানীৰ সংকটত পৰিছে। অৱশ্যে ... আন কিছু ৰাজ্য যেনে- পণ্ডিচেৰী, দমন ডিউ, চণ্ডীগড়, পঞ্জাব ইত্যাদিত প্ৰায় ৯৯ শতাংশ পৰিয়ালে নি... খোৱা পানীৰ সুবিধা পায়। (মুডিয়াৰ ডেকা ঃ ২৩ ঃ ২০০৯)

ভাৰতবৰ্ষৰ গ্ৰাম্য সমাজতেই বেছি সংখ্যক মানুহে বসবাস কৰে। প্ৰায় ৭০ শতাংশ মানুহ ভাৰত... গ্ৰাম্যাঞ্চলত বসবাস কৰে যদিও বহু গ্ৰাম্যাঞ্চল বিশুদ্ধ খোৱা পানীৰ সুবিধাৰ পৰা বঞ্চিত। অসমৰ গাঁওবোৰ... একেই কথা পৰিদৃশ্যমান। সামগ্ৰিকভাৱে আমাৰ গাঁওবোৰত খোৱা পানী দূষিত হোৱাৰ কাৰকসমূহ ... দিয়াব দৰে আঙুলিয়াব পাৰোঁ।

ক) খোৱা পানীৰ উৎসবোৰত বহু সময়ত বাহিৰা দূষিত পানী সংমিশ্ৰণ হোৱাৰ ফলত পানী প্ৰদূষিত

বিশেষকৈ বাৰিষা কুঁৱাৰ পানীত বাহিৰা প্ৰদূষিত পানীৰ সংমিশ্ৰণ ঘটে। কুঁৱাৰ ৰিঙৰ সংযুক্ত (Joint) বোৰ ফাঁট মেলাৰ বাবে বাহিৰা প্ৰদূষিত পানী কুঁৱাত সোমাই, কুঁৱাৰ পানী প্ৰদূষিত কৰিব পাৰে। ঠিক তেনেদৰে বান অধ্যুষিত অঞ্চলত বৃহৎ প্ৰাৱল্যৰ বান হ'লে কেতিয়াবা কুঁৱাৰ ভূ-পৃষ্ঠৰ ওপৰ ভাগতে ওলাই থকা ৰিঙো বানপানীত ডুব যাব পাৰে। যাৰ ফলশ্ৰুতিত বানৰ প্ৰদূষিত পানীৰ লগত কুঁৱাৰ পানী মিহলি হৈ কুঁৱাৰ পানী প্ৰদূষিত কৰিব। এই অঞ্চলবোৰত থকা টিউব ৱেলবোৰৰ ক্ষেত্ৰতো একেই ঘটনা পৰিলক্ষিত হয়। টিউবৱেলবোৰো বানপানীত ডুব যোৱাত বানপানীৰ প্ৰদূষিত পানী টিউব-ৱেলত থকা পানীৰ লগত সংমিশ্ৰণ ঘটি সেই পানী প্ৰদূষিত কৰি তোলে। এইখিনিতে এটি উল্লেখনীয় কথা এই যে অসমৰ বহু গ্ৰাম্যাঞ্চলৰ মানুহে পকা ৰিংহীন নাদ; পুখুৰী আৰু নদীৰ পানী (যিবোৰ এনেয়েও প্ৰদূষিত) খোৱা পানী হিচাপে ব্যৱহাৰ কৰে, যিবোৰো বানৰ পানী বা খৰালীতকৈ বাৰিষা ঋতুত প্ৰদূষিত পানীৰ সংমিশ্ৰণত আৰু বেছি প্ৰদূষিত হৈ পৰে। এই প্ৰদূষিত পানীকেই গ্ৰাম্যাঞ্চলৰ ৰাইজে গ্ৰহণ কৰে।

খ) কুঁৱা, নাদ বা তেনে উৎসত বিভিন্ন আৱৰ্জনা যেনে- গছ-পাত, জাৱৰ-জোথৰ, পলিথিন, বাঁহ-কাঠৰ টুকুৰা ইত্যাদি পৰাৰ ফলত সেই পানী প্ৰদূষিত হৈ পৰে।

গ) ভূ-গৰ্ভৰ পৰা ওলাই অহা পানীত কেতিয়াবা ফ্লৰিদ, অৰ্গেনিক নাইট্ৰ'জেন ইত্যাদি মিহলি হৈ থাকে। ইয়াৰ ফলত বহু ঠাইৰ খোৱা পানীৰ উৎসসমূহত ফ্লৰিড, আৰ্চেনিক নাইট্ৰেট ইত্যাদি মিহলি হৈ থাকে। যাৰ ফলত উৎসৰ পানী সম্পূৰ্ণ প্ৰদূষিত হৈ থাকে। গ্ৰাম্যাঞ্চলত মানুহে সেই পানীকেই খোৱাত ব্যৱহাৰ ব্যৱহাৰ কৰে।

ঘ) গ্ৰাম্যাঞ্চলৰ বহু মানুহে পানীৰ উৎস ঢাকি নাৰাখে। অথবা কুঁৱা বা টিউবৱেলৰ পৰা ব্যৱহাৰ কৰিবৰ বাবে সংগ্ৰহ কৰা পানী যি পাত্ৰত থয়, সেই পাত্ৰৰ মুখ ঢাকি নাৰাখে। আকৌ গ্ৰাম্যাঞ্চলৰ বহু বিত্তৱান মানুহে বৰ্তমানে বিজুলী শক্তিৰে পৰিচালিত যন্ত্ৰৰ দ্বাৰা ভূ-গৰ্ভৰ পৰা উঠায়, সেই পানী ফিল্টাৰত নিষ্কাষণ কৰাই কোনো ডাঙৰ পাত্ৰত থয় যদিও বহু লোকে সেই পাত্ৰ ঢাকি নাৰাখে। ইয়াৰ ফলত নানা কীট-পতংগ, ধূলি বা অন্যান্য আৱৰ্জনা পৰি সেই পানী প্ৰদূষিত কৰি তোলে।

ঙ) আনহাতে টিউবৱেল বা কুঁৱাৰ অবিহনে গ্ৰহণ কৰা নৈ, জান-জুৰি বা পুখুৰীৰ পানী কোনো দিনেই বিশুদ্ধ নহয়। ইয়াত মিহলি হৈ থাকিব পাৰে মৃত কীট-পতংগ বা অন্যান্য জীৱ-জন্তুৰ বিষ্ঠা, উদ্যোগৰ পৰা উৎপন্ন হোৱা আৱৰ্জনা, কিছুমান উৎসৰ পৰা নিৰ্গত আচেৰ্নিক, কেড্‌মিয়াম, চায়েনাইড, সীহ, পাৰা ইত্যাদি। এইবোৰ দ্ৰব্যৰ যোগেদি এই উৎস সমূহৰ পানী সম্পূৰ্ণ দূষিত হৈ পৰে। বাৰিষাৰ সময়ছোৱাত বানপানীয়ে প্ৰভাৱিত কৰা বহু ঠাই প্ৰত্যক্ষ কৰিছোঁ যে - বহুলোকে দমকল, কুঁৱা ইত্যাদিৰ অভাৱত বানৰ পানী, যি পানীত উল্লেখিত দ্ৰব্যবোৰ মিহলি হৈ থাকিব পাৰে, তেনে পানীকেই গ্ৰহণ কৰে।

চ) গ্ৰাম্যাঞ্চলত পানী প্ৰদূষিত হোৱাৰ আন এটি কাৰক হ'ল কৃষি পথাৰত ব্যৱহৃত ৰাসায়নিক সাৰ আৰু শস্যৰ পুলিত লগা ৰোগ নিৰাময়ৰ বাবে ব্যৱহৃত ঔষধ ইত্যাদি। এই সাৰবোৰ যেনে- ইউৰিয়া, পটাছিয়াম নাইট্ৰেট, এলড্ৰিন, মালাথিয়াম, এন্দোছালফেন ইত্যাদি। পথাৰত দিয়া এই সাৰ বা ঔষধবোৰ নলা-নৰ্দমা ইত্যাদিৰ যোগে গৈ পুখুৰী বা তেনে উৎসত পৰি সেই উৎসৰ পানী প্ৰদূষিত কৰে। কেতিয়াবা মাটিয়ে শুহি লোৱা এই সাৰ বা ঔষধৰ অৱশিষ্টখিনি মাটিৰ তলত থকা পানীৰ লগত মিশ্ৰিত হৈ কুঁৱা, দমকলৰ পানীৰ লগত মিহলি হৈ সেই পানী প্ৰদূষিত কৰে ইত্যাদি।

**গ্ৰাম্যাঞ্চলত খোৱা পানী প্ৰদূষণৰ ফল ঃ**

বিশুদ্ধ পানীৰ পৰিৱৰ্তে প্ৰদূষিত পানী গ্ৰহণৰ যোগেদি মানুহৰ বাবে কিমান সমস্যা হ'ব পাৰে সেয়া

গ্ৰাম্যাঞ্চলৰ বহু কম মানুহেহে অনুধাৱন কৰিব পাৰে। এই প্ৰদূষিত পানী সেয়া কুঁৱা, দমকল, নাদ, পুখুৰী, নৈ য'ৰে নহওক কিয় সেই পানী গ্ৰহণৰ ফলত নানা অসুখ-বিসুখ হয়। যাৰফলত এখন ঠাই, এখন গাঁও বা এখন সমাজলৈ বিপদ আনিব পাৰে। এনে প্ৰদূষিত পানী গ্ৰহণৰ ফলত হ'ব পৰা ভিন্ন ৰোগ সন্দৰ্ভত খাৰঘৰীয়া (২০০৩) দেৱে তলত দিয়া অসুখবোৰৰ বিষয়ে উল্লেখ কৰিছে-

1) Viral Origin : Viral Hepatities, Polio Mylities.
2) Becterial Origin : Diarrhoea, Dysentry, Cholera, Typhoid, Paratyphoid, E- coil infection, Gastroentrities
3) Protozol - Giardiasis, Ameobiasis
4) Healminthic - Roundworm, Whipworm, Hydatial diseases, Guniaworm, Hook worm.
5) Skin infection Tinea infection, Scabies, Fungul Dermatities etc.

অৰ্থাৎ প্ৰদূষিত পানীৰ দ্বাৰা এইধৰণৰ ৰোগবোৰ হয়। বিশেষকৈ বান অধ্যুষিত অঞ্চলত এইবোৰ ৰোগৰ প্ৰাদুৰ্ভাৱ বেছি। আমি নিজেও মাতমৰা, নাৰায়ণপুৰ ইত্যাদি বান অধ্যুষিত ঠাইবোৰত বান হৈ থকা বা বান হৈ যোৱা কিছু দিনৰ পাছত প্ৰত্যক্ষ কৰিছো এনে বহু ৰোগত আক্ৰান্ত ৰোগী। বিশেষকৈ স্থানান্তৰিত লোক (displaced people) সকলে খাদ্য, পোছাক ইত্যাদিৰ লগতে এই বেমাৰবোৰত আক্ৰান্ত হৈ সমস্যাত পৰে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে গংগা নদীৰ উপত্যকাত বছৰি লাখৰ ঘৰত মানুহৰ মৃত্যু হয় গ্ৰহণী ৰোগৰ বাবেই। লগতে এনে পানীৰ দ্বাৰা সৃষ্ট পেলুৰ দ্বাৰা আফ্ৰিকা, লেটিন আমেৰিকাৰ বহু উন্নয়নশীল দেশত বহু ঠাইৰ পানীত থকা বিভিন্ন ধাতুৰ দ্বাৰা মানুহৰ নানা বেমাৰ আজাৰ হয়। আৰ্চেনিকৰ দ্বাৰা মানুহৰ বমি, খৰ, বেচু, খজুৱতি আদি চৰ্মৰোগ, শ্বাসজনিত ৰোগ, পেটৰ বিষ আদি হয়। পানীত থকা সীহে মগজুত প্ৰ[illegible] পেলায় আৰু পাৰাৰ যোগেদি মানুহৰ স্নায়ুৰোগ [illegible] এই পাৰাৰ বিভিন্ন যৌগৰ ভিতৰত মিথাইল মা[illegible] জীৱ-জগতৰ বাবে বেছি ক্ষতিকাৰক। খোৱা পা[illegible] যদি নিকেল থাকে তেন্তে শ্বাস-প্ৰশ্বাসত প্ৰ[illegible] পেলোৱাৰ লগতে হাঁওফাওঁৰ কৰ্কট ৰোগ কৰিব পা[illegible] (কলিতাঃ ২০০৬ ঃ ১৩৯)

গ্ৰাম্যাঞ্চলৰ বহু উৎসৰ পানীত আৱৰ্জনা মি[illegible] হৈ থকাটোও মানুহৰ ওপৰত প্ৰভাৱ পেলায়। কি[illegible] আৱৰ্জনা মিহলি হৈ থাকিলে খোৱা পানীত [illegible] অক্সিজেনৰ হীন-দেঢ়ি ঘটিব পাৰে। আৰু ল[illegible] আপত্তিজনক গোন্ধৰ সৃষ্টি কৰিব পাৰে। ইয়াৰ [illegible] মানুহৰ ৰোগ হ'ব পাৰে। ইয়াৰোপৰি ৰোগ সৃষ্টি[illegible] অনুজীৱ থাকিলেও তেনে পানীৰ পৰা মানুহ [illegible] জীৱ-জন্তুৰ নানা ৰোগ হয়।

গ্ৰাম্যাঞ্চলৰ কৃষি কৰ্মত প্ৰয়োগ কৰা ৰাসায়[illegible] সাৰ, কীৎ নাশক দ্ৰব্য, অপতৃণ নাশক, ভেঁকুৰ না[illegible] শামুক নাশক ইত্যাদিবোৰ যেতিয়া অত্যধিক পৰি[illegible] ব্যৱহাৰ কৰা হয় তেতিয়া সেইবোৰ পথাৰত [illegible] পানীৰ লগত মিহলি হৈ ভূ-গৰ্ভৰ পানীৰ লগত মি[illegible] হয় আৰু সেইধৰণৰ পানী যেতিয়া মানুহে উৎ[illegible] কৰি খোৱাত ব্যৱহাৰ কৰে তেতিয়া মানুহৰ নানা [illegible] হয়। এইবোৰৰ ভিতৰত নাইট্ৰেটৰ যোগে শিশুৰ [illegible] ডিডিটিৰ যোগে স্নায়ুতন্ত্ৰৰ ৰোগ ইত্যাদি হয়।

**ৰাইজৰ সজাগতা ঃ**

এই প্ৰদূষণ ৰোধ কৰি বেমাৰ-আজাৰৰ পৰি[illegible] কমাব পৰা যায়, কেৱল মানুহৰ সজাগতাৰ যোগে[illegible] ইতিপূৰ্বে আমি উল্লেখ কৰিছো যে বহু গ্ৰাম্য[illegible] বানপানীৰ কবলত পৰে আৰু বানপানীয়ে [illegible] ঠাইবোৰৰ পানীৰ উৎস প্ৰদুষিত কৰি তোলে। সময়ত ৰাইজ কেইবা ধৰণেও সজাগ হ'ব পা[illegible] বানপানী আহিলেও কম প্ৰাবল্যৰ বানৰ পানী য[illegible] কুঁৱা বা টিউব ৱেলৰ ওপৰেৰে আহি এনে উ[illegible]

নীক প্রদূষিত কৰিব নোৱাৰে তাৰ বাবে ভূ-পৃষ্ঠৰ ৰা কিছু ওখকৈ কুঁৱাৰ ৰিং সংযুক্ত কৰি ৰাখিব পাৰে টিউব্ ৱেল ওখকৈ প্ৰতিষ্ঠা কৰিব পাৰে। প্ৰসংগ মে উল্লেখ কৰিছো - বহু বান অধ্যুষিত জনজাতীয় ৰত তেওঁলোকৰ চাংঘৰবোৰৰ সমান্তৰালকৈ উবৱেল স্থাপন কৰি লৈছে। যাৰ যোগেদি চাঙৰ ৰাই টিউবৱেলৰ পানী সংগ্ৰহ কৰিব পৰাৰ লগতে ম প্ৰাবল্যৰ বান আহিলেও এনে উৎসৰ ওপৰেৰে হজতে পানী সোমাব নোৱাৰে। আনহাতে বানপানী লাকালীন বা বান আঁতৰি যোৱাৰ পাছত বা এনেয়েও যি কোনো উৎসৰ পানী গৰম কৰি লোৱাটো নিতান্তই প্ৰয়োজনীয় কথা। যিটো সচৰাচৰ গ্ৰাম্য অঞ্চলত ৰাইজে নকৰে। এইক্ষেত্ৰত মূল কাৰক প্ৰদুষিত পানীৰ প্ৰতি মানুহৰ জ্ঞানৰ প্ৰভাৱ বা সেই দিশক অৱহেলা।

আনহাতে কুঁৱা বা তেনে ধৰণৰ উৎসত পটাছ, ফটকিৰি, চূণ ইত্যাদি দিলে বহু পৰিমাণে পানী পৰিষ্কাৰ আৰু বিশুদ্ধ হ'ব পাৰে। কিন্তু বহু গ্ৰাম্যাঞ্চলৰ ৰাইজক লগ কৰি এই কথা জানিব পাৰিছো- তেওঁলোকে এনে দ্ৰব্যৰ ব্যৱহাৰ কাচিৎহে কৰে বা একেবাৰে নকৰেই। এই ক্ষেত্ৰত মানুহৰ জ্ঞানৰ অভাৱ, বিষয়টিৰ প্ৰতি অৱহেলা বা আৰ্থিক দুৰ্বলতা- এই তিনিওটাই কাৰক হিচাপে দেখা দিছে। অপৰিষ্কাৰ পানী পৰিষ্কাৰ কৰি ব্যৱহাৰ কৰিবলৈ পৰম্পৰাগত পদ্ধতিৰ ফিল্টাৰ বা আধুনিক পদ্ধতিৰ ফিল্টাৰ ব্যৱহাৰ কৰিব পাৰি। লগতে ফিল্টাৰ যোগে নিষ্কাষণ হোৱা পানী ঢাকোনযুক্ত পাত্ৰত সংৰক্ষণ কৰিব লাগে। যিটো বহুলোকে নকৰে। ইয়াৰোপৰি পানীৰ উৎসবোৰ জাৱৰ-জোথৰ বা আৱৰ্জনাৰ পৰা মুক্ত কৰি ৰখাৰ ব্যৱস্থা কৰিব লাগে। আনহাতে কোনো ঔদ্যোগিক প্ৰতিষ্ঠানৰ কাষত যদি গ্ৰাম্যাঞ্চল আছে, তেন্তে প্ৰতিষ্ঠানৰ পৰা নিৰ্গত হোৱা বৰ্জিত পদাৰ্থবোৰ বা আৱৰ্জনা যাতে পানীৰ উৎসলৈ কোনো পধ্যে যাব নোৱাৰে তাৰ ব্যৱস্থা কৰিব লাগে।

গ্ৰাম্যাঞ্চলৰ ৰাইজে কৃষি পথাৰত ব্যৱহাৰ কৰা সাৰ, অপতৃণ নাশক, কীৎ নাশক ইত্যাদিবোৰ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত কিছু পদক্ষেপ লোৱা উচিত। এই ৰাসায়নিক সাৰ, কীৎ নাশক ইত্যাদিবোৰ যিমান পাৰি কমকৈ ব্যৱহাৰ কৰি তাৰ পৰিৱৰ্তে সেউজ সাৰ (Green manure), জীৱসাৰ (Bio fertilizer), কেঁচু সাৰ (Vermi compost), পচন সাৰ (Organic manure) ইত্যাদি ব্যৱহাৰ কৰিব লাগে। কৃষি পথাৰত হোৱা অপতৃণ ৰোধ কৰিবৰ বাবে ঔষধৰ পৰিৱৰ্তে যন্ত্ৰৰ ব্যৱহাৰ কৰিব পৰা যায়। ইয়াৰোপৰি পথাৰত সাৰ বা কীৎ নাশক ইত্যাদি ব্যৱহাৰ কৰিলে, সেইয়া যাতে ওচৰৰ পানীৰ উৎসলৈ যাব নোৱাৰে তাৰো ব্যৱস্থা কৰিব লাগে।

মুঠতে গ্ৰাম্যাঞ্চলত যি বিশুদ্ধ পানীৰ সংকট আহি পৰে, সেয়া ৰাইজৰ সজাগতাৰ যোগেদিয়েই বহু পৰিমাণে ৰোধ কৰিব পাৰি। অৱশ্যে সজাগতা সৃষ্টিৰ বাবে চৰকাৰী-বেচৰকাৰী, ব্যক্তিগত সকলো প্ৰচেষ্টাই লাগিব আৰু সেয়ে হ'লে বিশুদ্ধ পানীৰ অভাৱত গ্ৰাম্যাঞ্চলৰ ৰাইজ অসুখ-বিসুখ বা অন্যান্য যিবোৰ সমস্যাত পৰে সেয়া বহু পৰিমাণে আঁতৰ হ'ব।

প্ৰসংগ পুথি ঃ


(১) বৈশ্য, দীনেশ, ২০০৬ ঃ "জলসংকট আৰু জলযুদ্ধ", *প্ৰান্তিক*, সংখ্যা ১৫ (২৩), গুৱাহাটী, পৃঃ ২৫।

(২) কলিতা, দিলীপ, ২০০৬ ঃ *পৰিৱেশ বিজ্ঞান*, ডিব্ৰুগড়, পৃঃ ১৩৯।

(৩) Kharghoria, B. 2004: "Flood and Health Hazards", *Flood Problems of Assam, Causes and Remedies*, P.C. Sabhapandit (Ed.), Omsons Publications, New Delhi, p. 101.

(৪) মুডিয়াৰ ডেকা, ৰাণী, ২০০৯ঃ "শেহতীয়া অৰ্থনৈতিক সমীক্ষাত উত্তৰ-পূৰ্বাঞ্চল", *পয়োভৰা*, গুৱাহাটী, পৃঃ ২৩

(৫) *অৰ্থনৈতিক সমীক্ষা*, ২০০৮-০৯

# WOMEN EMPOWERMENT IN NORTH EAST INDIA

Neetu Saharia

**INTRODUCTION:-**

Empowerment is a multi dimensional process. It is the process through which men and women increase their access to knowledge, resources, decision making power and raise their awareness of participation in their communities to reach a level of control. It also enable them to gain self confidence have access to resources, creates a desire to achieve and express, free from irrelevant customs, traditions, practices and prejudices. Such empowerment could be in social areas or economic or political or other areas. In recent times empowerment of women has become a serious area of study because women form a large component of human resources of our country.

India's North east which is also known as the land of eight sisters, collectivity account for about 8% of country's geographical area and roughly 8% of its population. As per last 2001 census, the total population of the region was 38,495,089 with 19,874,535 male and 128,620,554 female. The women population is around 50 percent as the sex ratio is 940 female per 1000 male in the region. He region is also characterized by the relatively high women literacy rate 63.4 percent against all India average female literacy rate Of 54.2 percent. Economically the plain areas of the region are more active than the hilly areas. However in the hill areas, women are comparatively more enterprising than the male counterparts. According to the third small industry census (2001-02). 20.03 percent micro enterprise in the region are owned and managed by women entrepensurs as against 10.11 percent in the country. This is mainly because the tribal women are mostly dominating the markets in most of the hilly areas of the region. According to the census made by the IEE, Guwahati in the North east major' of trained women 54 percent started their enterprise at the age of 26-30 years, while 49 percent untrained women started their entriprise at the age 31-40 years. The study also revels that 48.1 percent trained and 29.4 percent untrained women entrepreneurs are married. The various aspects of the women empowem in North – East India is described below.

1. Economic empowerment

Economic and social status of women is a f tional relationship characterized by a plethora of nomic and non-economic variables. Gendering production functions and relations is imperative. perceptions regarding the culturally and traditio acceptable role of women are generally by produc unplanned yet well directed propaganda of the e ing class relation and are an integral part of the society.

Women empowerment is an issue of global in tance and international agencies now focu women- centric gender based policy initiatives. stated goals to 'eradicate poverty and hunger, ac universal primary education, reduce child mort improve maternal health combat HIV/AIDS, ma and other diseases, ensure environme sustainability and develop a global partnershi development" have element of direct of indirect age with the gender based strategy. However p formulation, in other to meet international subnatioally (federal unit) envisaged goals, ar pendent on some prerequisite economic and s indicators. Indicators like literacy and educatio tainment, employment and occupation, control own earnings, ages at first marriage and at first contraceptive use; spousal age and educational ferences are used to find women's status and em erment.

Women's empowerment can be measured the help of some indicators which can be summ categorized into three groups. Education, occupa age differences and educational differences bet spouses are indicators that relate to women's a to and control over resourses. Decision-making, dom of movement and access to money are co ered to be direct indicators of women's empower while extent of self-esteem favorable attitude girls' cation and practice of family planning are calle indicators of evidence of empowerment.

North – East 36.1 percent of the populatio below the poverty line (BPL) and the inciden poverty is as high as around 40 percent in rural The incidence of poverty at the national level was

according to the 2001 census. Higher incidence of proverty in North east presents a sorry picture for the case of women empowerment. Sex ratio is an important indicator that shows the attitude of the society towards the girl – child. And lower sex ratio for females is an important factor inhibiting women empowerment. Discriminatory attitude and subsequent practices lead to lower sex ratio for women in almost all the states of India and North-East is no exception. Despite improvement as per the 2001 census there are 932 women for every 1000 men in the State, compared to 933 per 1,000 for the country as a whole. Female work force participation (FWFP) too is an indicator that helps to find the level of cooperation an operation by women in economic activities. Generally higher the level of FWFP, higher the access (of women) to financial and economic resources and hence higher self-esteem, freedom to take decisions regarding self and family and so on. There, exists wide disparity in percapita income of North-east compared to rest of India. Lower per capita incomes are translation of disguised unemployment in the rural areas and direct unemployment in the urban areas.

About 70 percent of women in North east have varying degree of anemia. The prevalence of anemia is relatively higher for rural women compared to urban women. Severe and moderate anemia is as high as 26.5 percent among women in North-East that is slightly lower than 29.9 percent in Meghalaya and is higher than all the other north eastern states. Life expectancy at birth is an impotent indicator that contributes to women empowerment. Longer the population lives and healthier it stays the productive period increases. Further, it also inhibits birth rate that in turn is a prerequisite for development of women. Through the status of women as far as life expectancy at birth is concerned is similar to that of the rest of the country, women in North-east have a expectancy of 56.6 years that is lower than the national average, the rate being 61.8 women in rural North – east are likely to live almost 10 years less than their urban counterparts.

**2. Women empowerment and education**

The position of women in the society is the true index of its cultural and spiritual attainment and their active role is proved to be an essential part in the evolution of values. No country can prosper in which women's potential is left unrealized. In most of the developing country women have a low social and economic status, in such countries empowerment of women is essential. The economic status, in such countries empowerment' means many things to many people due to ideology or preconceived nations. Empowerment is a process which covers social, political and economic aspects. Most commonly women empowerment distribution of social power and control of resources in favour of women. Its aims at changing the balance between the sexes so to create a more equitable distribution of power in society.

It is universally acknowledged that knowledge generates self-worth, confidence and self-esteem. Therefore, education is placed at the center of all strategies for women's empowerment Education accelerates effectives participation of women at all levels of national development. As the education for girls in India is influenced by several factors and forces like social class, caste, ethnic group, residence in a rural or urban area etc. serious efforts were started of encourage education for women. Education for girls has become a national goal Considering education as an essential instrument of nation-building process in the Nehruvian era University Education Commission was established headed by Dr. S Radhakrishnan. Radhakrishnan commission submitted its report in 1949 with a full chapter on women's education. It is mentioned there that here cannot be educated people without educated women. The first five year plan puts that general purpose and objectives of women's education cannot be different from those of men's education. But the Mudaliar Commission of 195253 seems to be less preoccupied with gender difference. The national Committee on women's Education, 1956 shafted its focus from higher duration to school education. According to the recommendation of this committee of Council of women's Education was also set up. In 1962 the committee (Hansa Mehta On differentiation on Curriculafor boys and girls took an unequivocal stand against differentiation. It recommended co-education at the elementary and secondary stages. In 1964-66, Kothari Commission observed" in the modern worlds the role of women goes much beyond the home and the bringing up of children. She is now adopting a career of her own and sharing

equality with men the responsibility for the development of society in all its aspects".

Our constitution legalizes what would scriptures prescribe as social duty. "God lives where women are worshipped" But their is a visible gap between the law as it stands and the law as it operates. To revolutionize one's attitude towards life and to remodel one's behavior- pattern education is the only answer. In 20th century education was a means for a women's empowerment, but today she has the right to education as a citizen. Therefore guaranteeing the human rights of women including the education of girls is fundamental to build a stable democrtateic economically prosperous society.

3. Self–help groups and women empowerment

In India patriarchal society women's duties as good daughters good wives and good mothers are well defined. Women in our society were always treated as marginalized groups. Women have been exploited by their male counterparts in every possible way. Since her childhood, girls are always deprived of their basic rights such as education, right to decide and to make a secure place in the society. Supestitus, illiteracy child marriages etc make a women's life culnerable. With the advent of British government some new ideas knowledge have emerged in our society. In the later half of 19th century, when the forces of change setin it was natural for women also to response to these forces. As a result wome's question was raised for the first time in the 19th century and gradually women form their own organizations. The main aim of these organization was to give voice the demand by women for rights and then struggles to win rights. Women acquired confidence when they actively participate in struggle for Independence.

Under Gandhi's influence women's participation in their freedom struggle heralded a new era, as women got the opportunity to enter into public sphere and bring about changes in their lives, so, with the changing perspectives women's lives are also changed today women have succeeded in making a platform for themselves by marking themselves economically independent. Government has also taken every possible steps to strengthen them to achieve their economic, social cultural and political rights and to established a welfare society. The deprtment of women and child development being the nodal organizatio national level for development of women has considerable thought for women empowerme has evolved many strategies for improvement c dition of women.

SHGs have improved women's control ov lives. The highest achievenment was made w spect to their mobility breaking of gender divi productive labour. At the community level v groups at various levels are changing attitude child education. Now the women have realiz education helps them to perform their roles effe and to build themselves up as useful citizen. duction of gender inequalities is also recorded t extent. The women have become more confid sertive and independent through self-help-g Women's involvement in economic activities creases substantially. The access to credit a interest rates an pattens of utilization of credit i that there should be improvement in the inc household. The financial status has improved improvement in access to formal credit instituto from improvement in their saving status. As a the levels of income of household have incre all the categories of participation of the SHGs over membership in a group gives them a fe protection. Thus formation of SHG could not the best participation of the poor in a credit prog Because the poor are forced to rely on credit s by bigger land lords, traders and money len high rates of interest and as a result they li constant threat of losing their means of pro indebtness and sometimes even enslavement

We all know that individual efforts is to equate to improve the fact of the poor. So, thi about the necessity for organizing the poor in by which they get the benefit of collective perc collective decision making and collective imple tion of programmes for common benefits. All th bers of self-help-groups adopts a trrong programme which enhances the SHG's capa providing small loans both for production a sumption. In the process they successfully el exploitative sources like money–lenders. The from of SHGs was the co-operative credit syste aimed at bringing together poor people by pro

small savings and mnutual self-help concept certain features of the SHG's are relevant for deciding future credit strategies for the poor.

4. Empowerment of women:

The empowerment of women is part and parcel of the Indian Constitution. It not only grants equality to women but also empowers the states to adopt measures to prevent discrimination against women. The plans and policies of the government of Indian have consistently aimed at women's advancement in various spheres and from the 5th Five years paln onwards i.e. from 1974-78 there has been a marked shift in the approach to women's issues. In more recent years the empowerment of women has been given high priority. The national commission for women was set up in 1990 and the National Policy for the Empowerment of women came into being in 2001.

It was found the desoiute some gains most of the fields women still suffer from all forms of physical sexual and emotional abuse. Cultural values and traditional patterns of social relations continue to legitimize the make exercise of coericive power. So tremendous work has yet to be done in order to eradicate the gender biases in the varios areas. Gender biases still continue to obstruct the health practices in many countries. Even today about 16000 women die from complications. Of pregnancy and child birth, and a staggering 80 million pregnancies each year in the Asian countries are unwanted! The main cause of this is the women's lack of control over sexual relations, as well as lack of access to information.

Education and training of girls rate high in the priority scale. The illiteracy rate among adult females is still extremely high (63.9% in India). Some gender inequality in access to education and training continues to be a serious problem. This problem too is traceable to cultural traditions that still favour the son, as well as to poverty. Despite the many progressive actions taken to address the structural causes of poverty the member of very poor women has not defined. In fact poverty seems to have worsened in some countries.

Thus it is seen that even as countrie are gearing up to seriously tackle the problem of women in the recent times globalization and regional development have created some new problems and worsened some existing ones. The concerns regarding women's health have the added problems of mental health now. The promotion of women's mental health is an emerging concern and the WHO has identified mental well being as an integral part of health.

In the North – east the girl child has never been discriminated against or been seen as a curse rather than a child to be cherished as in some other parts of the country. It follows therefore that the women too have not been subjected to the harsh measures and torments to the extent that we here about from other parts of India. This only goes to prove the truth of the fact that empowerment cannot be measured on any general basis, and has to be context specific.

5. Communication for empowering women:

Women occupies almost half of India's population. Women constitute a population of 495.70 million with 360.52 million in the rural areas and 135.22 million in the urban areas. But when one goes through the human development status of women, it reveals a decline in women's status despite recent advances in women's education and economic status. It is because, women do not belong to a homogenous category. Though women as whole are being exploited, suppressed under partriachal norms of the society, the degree of suppression and development of women differs from society and also among different classes i.e. the poor and the rich sections. The women of well – to-do families and elite section are getting the benefits of modern society. But more tha half of women's population resides in the rural areas. Son only when the rural women are emancipated, the status of women would rise.

The rural women could be regarded as the backbone of India's economy because basically India is an agricultural country and women are the main labour force working in he agricultural fields besides doing their daily house hold duties. India women at present are in a strange dilemma because the women of the new generation are facing grate challenges as they have to reconcile their traditional roles with the modern values of the society or global culture. Women have been oppressed by the roles enforced by patriarchal cultures. As a result women since times immemorial have been suppressed, exploited underrepresented, underpaid and are systematically

denied of all rights they deserve.

Women play a very important role in the development of country's economy. If lasting progress is to be achieved both women and man must have equal access to the resources needed for development to the benefits it produces. There are many agents of political social economic empowerment such as reservation policy, education and skill development schemes and so on, but communication as an instrument of empowerment in the most important agent through which sustainable empowerment could be achieved. It is through communication that women come to know the issues affecting them as well give a complete view of their life situation. The different media o communication helps the women to build solidarity among them and foster gender equality. Though our society is developing in order to bring an all round development there must be a parallel attitude change, imbibi8ng of new values and progressive action that must be communicated to each and every citizen at an early age if the coming generation of women are to be empowered. Consciousness and awareness are pre – requisites for empowerment and it could be generated only through the means of communication.

Communication is a powerful source for empowerment in the process of rural development with enormous potentialities to enhance people's quality of life and to create knowledge based society, which is more responsive it change, and development. Communication is that medium through which the voices of the rural women could be heard and also help them to improve their living condition. The Government of India has introduced a large number of empowerment generation schemes like the self-help-groups policy funds for development banking facilities legislation for reservation in Panchayats, Hindu Succession Amendment Act 2005, giving equal rights to women regarding joint family property and so on. But without a good gender friendly communication system, mass sensitization about these schemes couldn't achieved. Awareness about these schemes should be penetrated by disseminating the information to the needy rural women.

A holistic and gender friendly approach must be adopted by both the traditional and modern communication system and must cover all the multifaceted aspects of life in rural areas affecting women incl ing agriculture, health sanitation, family planning, e cation and literacy for emancipating and empower rural women. Thus the use of gender friendly comm nication for development and empowerment of ru women must be placed in the agenda of governm planners and policy formulators so that they co promote an active and visible policy for the requ ment of women's voice in rural communication p cies and programmes. The new information techn gies which now benefited only a few must be explo for sustainable development of the society as wh and the policy makers must take rural women's s cific needs into account and involve them in deci regarding application of such technologies which benefited only a few must be exploited for sustain development of the society as whole and the po makers must take rural women's' s specific needs account and involve them in decision regarding ap cation of such technologies. With access to infor tion and communication technologies, women wo be empowered their skills would be increased and their sphere of action would be extended.

**Conclusion:-**

There are few government level organizatio institution and NGOs which are working for the de opment of women in the region. However a conce effort by such institutions and organizations has b noticed so far in the North east. It is observed finance is one of the key factor for entreprene development for women. Lately, micro financing major tool for development of women enterprises is mainly due to active engagement of NGOs with public and private sector banks, financial institut etc. Today there are more than 360 NGOs in the re providing micro-financial services to the people pecially to the lower income women groups in region. Sustained long run achievement of empo ment of women would become a reality if neces changes in the socio economic, political and cult changes take place. Although women in the cou constitute the majority of the total population re senting 48.3 percentage of the total population in country and almost similar percentage of women the North-east women are yet to contribute to t full potential to the entrepreneurial world at large.

# সমন্বয় প্ৰক্ৰিয়াত অসম সাহিত্য সভা এক চমু অৱলোকন

ড° ৰমেন মেধি
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
গোৰেশ্বৰ মহাবিদ্যালয়

**১.০ প্ৰস্তাৱনা ঃ**

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধি চুক্তিৰ মতে অসম ইংৰাজসকলৰ হাতলৈ যোৱাৰ পিছৰ পৰাই অসমলৈ দুৰ্ঘোৰ অমানিশা নামি আহে বুলি কোৱা হয়। তাৰ পিছতে ১৮৩৬ চনৰ পৰা অসমৰ পঢ়াশালি, আদালত আদিত বাংলা ভাষাৰ প্ৰৱৰ্তন হ'বলৈ ধৰিলে। তাৰ ভালে কেইবছৰমান পিছত কলকাতাত উচ্চ শিক্ষা আহৰণ কৰিবলৈ যোৱা, ব্যৱসায় বাণিজ্য কৰিবলৈ যোৱা বা চাকৰি-বাকৰি কৰিবলৈ যোৱা এচাম অসমহিতৈষী ব্যক্তিয়ে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিক চহকী কৰাৰ মানসেৰে বিভিন্ন প্ৰচেষ্টা হাতত লয়। এইচাম অসমপ্ৰাণ ব্যক্তিৰ অপৰিসীম চেষ্টাৰ বলত ১৮৮৮ চনত অসমীয়া ভাষা উন্নতি সাধিনী সভা আৰু ১৮৮৯ চনত সেই সভাৰ মুখপত্ৰ জোনাকী নামৰ এখন মাহেকীয়া আলোচনী প্ৰকাশেৰে এক সাহিত্যিক বাতাবৰণৰ সৃষ্টি কৰিবলৈ সক্ষম হয়। লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰ কুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী আদি ব্যক্তিৰ আদৰ্শ আৰু কাৰ্যই বৃহত্তৰ অসমীয়াৰ মাজত এক নতুন জাতীয় চেতনা তথা জাগৰণৰ সূচনা কৰিবলৈ সক্ষম হ'ল। লগে লগে অসমৰ বিভিন্ন চহৰবোৰত অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ শাখাবোৰৰ জন্ম হ'বলৈ ধৰিলে। উল্লেখযোগ্য যে ১৯১৪ চনত এই সভাৰ গুৱাহাটী শাখাই সদৌ অসম ভিত্তিত একত্ৰিত হৈ এখন বৃহত্তৰ সাহিত্য সন্মিলনৰ আয়োজন কৰে।

১.১ কোহিমা সাহিত্য সভা, যোৰহাট সাহিত্য সভা অবিভক্ত অসমৰ দুখন অতি পুৰণি সাহিত্য মঞ্চ, য'ত সাহিত্য চৰ্চা বা অধ্যয়নৰ ইতিহাস জড়িত হৈ আছে। ১৮৯৫ চনত জন্মলাভ কৰা কোহিমা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি আছিল নবীন চন্দ্ৰ ভট্টাচাৰ্য আৰু প্ৰতিষ্ঠাপক সম্পাদক আছিল পদ্মনাথ গোহাঞি বৰুৱা। উল্লেখ কৰিব পাৰি যে নবীন চন্দ্ৰ ভট্টাচাৰ্য এগৰাকী বঙালী পুৰুষ আছিল। তেনেদৰে ১৯১৪ চনত গঠন হোৱা যোৰহাট সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি আছিল দেৱীচৰণ বৰুৱা আৰু প্ৰতিষ্ঠাপক সম্পাদক আছিল শৰৎ চন্দ্ৰ গোস্বামী।

১.২ এনেদৰে চালে দেখা যায় যে অসম সাহিত্য সভাই তাৰ জন্মলগ্নৰ পূৰ্বেই সাহিত্য চৰ্চাৰ এটা বোঁৱতী সুঁতি লাভ কৰিছিল। সেই বোঁৱতী সুঁতিটিৰ প্ৰভাৱৰ ফলতে ১৯১৭ চনত অসম সাহিত্য সভাই জন্মলাভ কৰাত এক বিশেষ সুবিধা হৈছিল। এই শক্তিশালী সাহিত্য মঞ্চখনৰ বিভিন্ন ক্ষেত্ৰত অৱদান নিশ্চিতভাৱে প্ৰশংসনীয় আৰু সমন্বয় সাধনৰ ক্ষেত্ৰত অসম সাহিত্য সভাৰ এক পূৰ্ণ ঐতিহ্য আছে।১৯১৭ চনৰ ২৬ ডিচেম্বৰত পদ্মনাথ গোহাঞি বৰুৱাৰ সভাপতিত্বত অসম সাহিত্য সভাৰ প্ৰথমখন অধিৱেশন অনুষ্ঠিত হৈছিল আৰু সেই সময়ত ইয়াৰ নাম আছিল সদৌ আসাম সাহিত্য সন্মিলনী। ১৯২৪ চনৰ ১৫ মে'ত আসাম সাহিত্য সভা হিচাপে পঞ্জীয়নভুক্ত হয় আৰু ১৯৪৪ চনত সভাৰ নাম হ'ল অসম সাহিত্য সভা।

**২.০ বিষয় নিৰ্বাচনৰ প্ৰয়োজনীয়তা ঃ**

অসম সাহিত্য সভা উত্তৰ পূৰ্বাঞ্চলৰ এখন বৃহৎ আৰু শক্তিশালী সাহিত্য মঞ্চ। বৰ্তমান অসমৰ সামাজিক, ৰাজনৈতিক, জনজীৱনত যি ভাঙোন আৰম্ভ হৈছে সি সঁচাকৈয়ে চিন্তনীয় বিষয় হৈ পৰিছে। সাহিত্য বিভিন্ন জাতি-জনজাতি, বিভিন্ন সম্প্ৰদায়ৰ মাজত সমন্বয়ৰ সেঁতু বন্ধোৱাত মুখ্য কাৰক হ'ব পাৰে। জন্মলগ্নৰ পৰাই এই জনপ্ৰিয় অনুষ্ঠানটোৰ বাৰ্ষিক অধিৱেশনবোৰত হিলদল ভাঙি পৰ্বত-ভৈয়াম সকলোৰে পৰা জনসমুদ্ৰৰ সোঁত বয়। গতিকে সাম্প্ৰতিক প্ৰেক্ষাপটত এখন উমৈহতীয়া অসম গঢ়াৰ ক্ষেত্ৰত অসম সাহিত্য সভাই এক বলিষ্ঠ পদক্ষেপ ল'ব পাৰে। প্ৰয়োজন হ'লে সভাই নীতি-নিয়ম সা-সলনি কৰি একতাৰ আদৰ্শেৰে আগবাঢ়ি যোৱাৰ পৰিকল্পনা কৰিব পাৰে। সেয়ে এই বিষয়টি অধ্যয়নৰ প্ৰাসঙ্গিকতা আৰু প্ৰয়োজনীয়তা আছে বুলি আমাৰ অনুভৱ হৈছে।

**৩.০ আলোচ্য বিষয়ৰ পৰিসৰ ঃ**

অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ সৰ্বাংগীন উন্নতিৰ উদ্দেশ্যৰে অসম সাহিত্য সভাৰ জন্ম হোৱা বুলি ইয়াৰ নিয়মাৱলীত উল্লেখ কৰা হৈছে। সভাই ৰাজনৈতিক আৰু সাম্প্ৰদায়িক চিন্তা আৰু স্বাৰ্থৰ উৰ্দ্ধত থাকি বিভিন্ন ক্ষেত্ৰত কাম কৰি যোৱাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰে। বৰ্তমান কালত অসম সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশনৰ দিন চমু চাপি অহাৰ লগে লগে নানা ধৰণৰ প্ৰশ্নৰ উত্থাপন হয়। সাহিত্য সভাই নিজৰ উদ্দেশ্যৰ পৰা ফালৰি কাটি আহিছে। নাইবা অসম সাহিত্য সভা থাকোঁতে অসমত আজি বিভিন্ন ভাষা-ভাষীলোকৰ সাহিত্য সভাবোৰ গঢ়ি উঠিছে। অতীজৰে পৰা অসম সাহিত্য সভাই উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ মাজত সমন্বয় ৰক্ষাকাৰী কি কি কাৰ্য সম্পন্ন কৰিলে তেনেবোৰ সম্পৰ্কীয় বিষয় বিশ্লেষণ কৰাই আমাৰ এই ক্ষুদ্ৰ গৱেষণা-পত্ৰৰ পৰিসৰ হ'ব।

**৪.০ গৱেষণা-পত্ৰ প্ৰস্তুতকৰণৰ পদ্ধতি ঃ**

এই ক্ষুদ্ৰ গৱেষণা পত্ৰ প্ৰস্তুত কৰোঁতে মূলতঃ বিশ্লেষণাত্মক পদ্ধতি অনুসৰণ কৰা হৈছে। পত্ৰখন যুগুতাবলৈ যাওঁতে এনেদৰে আগবঢ়া হৈছে—

**৪.১ তথ্য সংগ্ৰহ ঃ** আলোচনাৰ বাবে প্ৰয়োজনীয় তথ্যসমূহ অসম সাহিত্য সভা সম্পৰ্কীয় নিৰ্বাচিত গ্ৰন্থখিনি লোৱা হৈছে। তথ্যসমূহ পৰ্যবেক্ষণ আৰু বিশ্লেষণ কৰোঁতে বিজ্ঞজনৰ অভিমত তথা ধ্যান-ধাৰণাকো স্থান দিয়া হৈছে।

**৪.২ সিদ্ধান্ত গ্ৰহণ ঃ** শেষত প্ৰাপ্ত ফলৰ ভিত্তিত এক নিৰ্দিষ্ট সিদ্ধান্তলৈ আহিবলৈ যত্ন কৰা হৈছে।

**৫.০ গৱেষণা পত্ৰৰ উদ্দেশ্য ঃ**

অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ উদ্দেশ্যে অসম সাহিত্য সভা প্ৰতিষ্ঠিত হৈছিল যদিও অসমৰ বৰ্তমান পৰিস্থিতিক সাহিত্য সভাই উপেক্ষা কৰা অনুচিত। অসমৰ সামূহিক পৰিৱেশ সঠিককৈ ৰাখিবলৈ ইয়াৰ অন্তৰ্গত শাখাসমূহ, সাহিত্য সভাৰ লগত জড়িত ব্যক্তিসকলে ব্যক্তিগত স্বাৰ্থ পৰিহাৰ কৰি নিঃস্বাৰ্থৰে অগ্ৰসৰ হোৱা দৰকাৰ। তেনেবোৰ দিশে পূৰ্বৰ শান্তিময় পৰিৱেশ বিৰাজ কৰাত কিছু পৰিমাণে হ'লেও সহায়ক হ'ব। বিতৰ্কৰ মাজত ডুব গ'লেও অসম সাহি ্য সভা আজিও অসমৰ কাৰণে অতি গুৰুত্বপূৰ্ণ অনুষ্ঠান হৈ আছে। সমন্বয়ৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগোৱা অনুষ্ঠানটোৰ কাৰ্যাৱলী বিশ্লেষণৰ উদ্দেশ্য সদায় প্ৰাসঙ্গিক।

**৬.০ সভাপতি নিৰ্বাচনত সমন্বয় ঃ**

প্ৰতিবছৰে অসম সাহিত্য সভাৰ মূল অধিৱেশনৰ এগৰাকী সভাপতি নিৰ্বাচন কৰা হয়। এতিয়ালৈকে সত্তৰগৰাকী অসমৰ বিভিন্ন জনগোষ্ঠী তথা ভিন্ন সম্প্ৰ... সাহিত্যিক, বুদ্ধিজীৱী, গৱেষক পণ্ডিতে অসম সাহিত্য... সভাপতিৰ আসন অলংকৃত কৰিছে। পদ্মনাথ গোহাঞি... (১৯১৭), চন্দ্ৰধৰ বৰুৱা, (১৯১৮), কালিৰাম মেধি (১... হেমচন্দ্ৰ গোস্বামী (১৯২০), অমৃত ভূষণ দেৱ অধি... (১৯২৩), কনকলাল বৰুৱা (১৯২৪), লক্ষ্মীনাথ বেজ... (১৯২৫), বেনুধৰ ৰাজখোৱা(১৯২৬), তৰুণৰাম... (১৯২৭), কমলাকান্ত ভট্টাচাৰ্য (১৯২৯), মফিজুদ্দিন... হাজৰিকা (১৯৩০), নগেন্দ্ৰ নাৰায়ণ চৌধুৰী (১... জ্ঞানদাভিৰাম বৰুৱা(১৯৩৩), আনন্দ চন্দ্ৰ আগ... (১৯৩৪), ৰঘুনাথ চৌধাৰী (১৯৩৬), কৃষ্ণকান্ত ... (১৯৩৭), ময়িদুল ইছলাম বৰা (১৯৪০), নীলমণি... (১৯৪৪) (১৯৪৭), অম্বিকাগিৰী ৰায়চৌধুৰী (১৯৫... কুমাৰ ভূএগ (১৯৫৩), নলিনীবালা দেৱী (১৯৫৪), যতী... দুৱৰা(১৯৫৫), বেণুধৰ শৰ্মা (১৯৫৬), পদ্মধৰ ... (১৯৫৮), অতুলচন্দ্ৰ হাজৰিকা (১৯৫৯), ত্ৰৈলো... গোস্বামী (১৯৬০) (১৯৬১), ৰত্নকান্ত বৰকাকতী (১... মিত্ৰদেৱ মহন্ত (১৯৬৪), ডিম্বেশ্বৰ নেওগ (১৯৬৫), ... চন্দ্ৰ বৰুৱা (১৯৬৬), নকুল চন্দ্ৰ ভূঁএগ (১৯৬৬), ... বৰা (১৯৬৮), আনন্দ চন্দ্ৰ বৰুৱা (১৯৬৯), উপে... লেখাৰু (১৯৭০), তীৰ্থনাথ শৰ্মা (১৯৭১), হে... (১৯৭২), গিৰিধৰ শৰ্মা (১৯৭৩), মহেশ্বৰ নেওগ (১... সত্যনাথ শৰ্মা (১৯৭৫), যজ্ঞেশ্বৰ শৰ্মা (১৯৭৬), চৈদয়... মালিক (১৯৭৭), প্ৰসন্নলাল চৌধুৰী (১৯৭৮), যতী... গোস্বামী (১৯৮০), সীতানাথ ব্ৰহ্মচৌধুৰী (১৯৮১) (১... বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য (১৯৮৩), যোগেশ দাস (১... বীৰেন বৰকটকী (১৯৮৬), মহেন্দ্ৰ বৰা (১৯৮৭), কী... হাজৰিকা (১৯৮৮), মহিম বৰা (১৯৮৯), নৱকান্ত... (১৯৯০), নিৰ্মল প্ৰভাৱ বৰদলৈ (১৯৯১), লক্ষ্যধৰ ... (১৯৯২), ভূপেন হাজৰিকা (১৯৯৩), লীলা গগৈ (১... হিতেশ ডেকা (১৯৯৫), লক্ষীনন্দন বৰা (১৯৯৬), ... শইকীয়া (১৯৯৭, ১৯৯৮), চন্দ্ৰ প্ৰসাদ শইকীয়া (১... হোমেন বৰগোহাঞি (২০০১), বীৰেন্দ্ৰ নাথ দত্ত, কন... ডেকা (২০০৫, ২০০৭), আৰু ৰংবং টেৰাঙেসম সাহিত্য... আসন অলংকৃত কৰিছে। আদৰ্শ সাহিত্য সৃষ্টি কৰা ...



Technova NovaDom USR 1201901660 06/17/12 09:33

সম্প্ৰদায়ৰ বা যি ধৰ্মৰে নহওক কিয় অসম সাহিত্য সভাই সভাপতিৰ আসনত বহুৱাইছে। সীতানাথ ব্ৰহ্মচৌধুৰী, মফিজুদ্দিন আহমদ হাজৰিকা, আনন্দ চন্দ্ৰ আগৰৱালা, ময়িদুৰ ইছলাম বৰা, চৈয়দ আব্দুল মালিক, আদি নামে এই কথা প্ৰমাণ কৰে যে সাহিত্য সভাই সমন্বয়ৰ মনোভাৱ গঢ়াত গুৰুত্ব আৰোপ কৰিছে।

৭.০ সদস্য নিৰ্বাচনত সমন্বয় ঃ

অসম সাহিত্য সভাৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সমিতি ১৯১৭ চনৰ ২৬ ডিচেম্বৰত শিৱসাগৰত গঠন হৈছিল। মঙ্গলদৈ, তেজপুৰ, লখিমপুৰ, শদিয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, ক'হিমা, নগাঁও, চিলং, গুৱাহাটী, বৰপেটা, গোৱালপাৰা, ধুবুৰী, আদি ঠাইৰ পৰা বিভিন্ন জনক সদস্য নিৰ্বাচিত কৰা হৈছিল। উল্লেখ্য যে ৰেভাৰেণ্ড এছ অ' ডি বগস্ আৰু ৰেভাৰেণ্ড চি এইচ টিলডেন নামৰ দুজন ইউৰোপীয়ক ইয়াৰ সদস্য হিচাপে মনোনীত কৰা হৈছিল। এনে কাৰ্যৰ মাজতো সাহিত্য সভাৰ সমন্বয়ৰ মনোভাৱ জড়িত হৈ আছে।

৮.০ ভাষা ঃ

অসমত বসবাস কৰা বিভিন্ন জাতি-জনজাতিৰ স্বকীয় ভাষা আছে। যেনে -বড়োসকলৰ বড়োভাষা, কাৰ্বিসকলৰ কাৰ্বি ভাষা, ৰাভাসকলৰ ৰাভা ভাষা, মিচিংসকলৰ মিচিং ভাষাৰ কথা ক'ব পাৰি। অসমীয়া ভাষাৰ আৰ্য-অনাৰ্যৰ সন্মিলিত প্ৰচেষ্টাত গঢ়ি উঠা সমন্বয়ৰ ভাষা। অসমীয়া ভাষাত বিভিন্ন বড়ো ভাষাৰ শব্দ, আৰবী ভাষাৰ শব্দ, ৰাভা মিচিং ভাষাৰ শব্দ, খাচীয়া ভাষাৰ শব্দ সোমাই আছে। এইবোৰ চিন্তা-চৰ্চা কৰাৰ ক্ষেত্ৰত অসম সাহিত্য সভাই গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে। অসম সাহিত্য সভাই ১৯৯১ চনলৈ প্ৰায় ৩৬৪ খন গ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছে।[১] ইয়াৰ ভিতৰত অসমৰ বিভিন্ন জনজাতিৰ পৰিচয় সূচক গ্ৰন্থও আছে। অন্যান্য ভাষাৰ গ্ৰন্থৰ লগতে সভাই বড়ো ভাষাৰ কিছুমান নিৰ্বাচিত গ্ৰন্থ অসমীয়ালৈ অনুবাদ কৰিছে। ১৯৮২ চনত অসম সাহিত্য সভাৰ ডিফু অধিবেশনত অসম সাহিত্য সভাৰ সংবিধান সংশোধন কৰি অসমীয়া ভাষাৰ সমান্তৰালভাৱে 'থলুৱা ভাষা'ৰ বিকাশৰ হকে কাম কৰাৰ সিদ্ধান্ত লয়। উল্লেখযোগ্য যে অসম সাহিত্য সভাৰ অধীনত ১৯৯৮ চনৰ ৫-ছেপ্টেম্বৰত অসম তত্ত্ব গৱেষণা কেন্দ্ৰস্থাপন কৰা হৈছে। মন কৰিবলগীয়া বিষয় এয়ে যে অসম তত্ত্ব গৱেষণা কেন্দ্ৰ বা সংস্থাৰ অধীনত আন তিনিটা গৱেষণা কেন্দ্ৰৰ কাম পৰিচালনা কৰিব বিচৰা হৈছে। সেইকেইটা হ'ল চাহ জনগোষ্ঠী গৱেষণা কেন্দ্ৰ (ডিব্ৰুগড়), জনজাতীয় গৱেষণা কেন্দ্ৰ (ডিফু), আৰু পশ্চিম অসমৰ ভাষা-সংস্কৃতি গৱেষণা কেন্দ্ৰ (ধুবুৰী)।[২] এনেদৰে বিভিন্ন ভূমিকাৰে অসমৰ বিভিন্ন ভাষা-সংস্কৃতিৰ অধ্যয়নত অসম সাহিত্য সভাই গুৰুত্ব দিয়া দেখা যায়।

৯.০ আলোচনা চক্ৰ-সন্মিলন-শিবিৰ-আড্ডা ঃ

অসম সাহিত্য সভা বা ইয়াৰ অন্তৰ্গত শাখাসমূহে নিজ নিজ অঞ্চলৰ বিভিন্ন সম্প্ৰদায়ৰ লোকৰ মাজত সমন্বয় ৰক্ষাৰ্থে আলোচনা চক্ৰ অনুষ্ঠিত কৰি আহিছে। ১৯৭৩চনত 'থলুৱা ভাষাৰ অৱস্থা আৰু সমস্যা' শীৰ্ষক এখন সাতদিনীয়া জনগোষ্ঠীয় ভাষা সম্পৰ্কীয় আলোচনা চক্ৰ অনুষ্ঠিত হৈছিল। এইখনেই আছিল অসম সাহিত্য সভাই আয়োজন কৰা অসমৰ জনগোষ্ঠীয় ভাষা সম্পৰ্কীয় প্ৰথম আলোচনা চক্ৰ। সেই সময়ত অসম সাহিত্য সভাৰ সম্পাদক আছিল ড° নগেন শইকীয়া।[৩] অসমীয়া ভাষাত বড়ো ভাষাৰ প্ৰভাৱ, অসমীয়া সাহিত্য-সংস্কৃতিলৈ ইছলামধৰ্মী লোকৰ অৱদান, অসমীয়া সংস্কৃতিলৈ জন- জাতীয়সকলৰ অৱদান বা অসমীয়া সাহিত্য-সংস্কৃতিৰ উন্নয়নত অনা অসমীয়াৰ ভূমিকা ইত্যাদি অনেক বিস্তৃত বিষয়ক লৈ আলোচনা চক্ৰ পাতিব পৰা যায়। সঘনাই এনে কৰিলে অসমীয়া জাতিৰ মাজত একতাৰ ভাৱ ৰক্ষা হ'ব আৰু জাতীয় ঐক্যভাৱ বৰ্তিব।

অসম সাহিত্য সভাই আৰম্ভণি কালৰে পৰা হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী আঁচনি কিছুমান হাতত লৈছে। এই আঁচনিসমূহ কাৰ্যকৰী কৰোঁতেও সমন্বয় সাধিত হৈছে। ২০০৩ চনৰ ২০০৬ জুনত শোণিতপুৰ জিলা সাহিত্য সভা আৰু ঢেকীয়াজুলী শাখা সাহিত্য সভাৰ উদ্যোগত ঢেকীয়াজুলীত তৰুণ প্ৰজন্মৰ কবি সন্মিলন এখন অনুষ্ঠিত হৈছিল। তেনেদৰে এবাৰ অসম সাহিত্য সভা আৰু সাহিত্য অকাডেমীয়ে যুটীয়াভাৱে এখন পূৰ্বাঞ্চলীয় কবি সন্মিলনৰ আয়োজন কৰে। কবি নৱকান্ত বৰুৱাই উদ্বোধন কৰা সভাখনত মুখ্য অতিথিৰূপে যোগদান কৰে চন্দ্ৰশেখৰ ৰথে। ২০০৩ চনৰ ২০ জুনত নুনমাটি সাহিত্য সভাৰ সহযোগত ভাগৱতী প্ৰসাদ বৰুৱা ভৱনত সাহিত্য আড্ডা অনুষ্ঠিত হয়। তেনেদৰে ২০০৪ চনৰ ৩০ ডিচেম্বৰত অসম সাহিত্য সভাই গোলাঘাট জিলা সাহিত্য সভাৰ উদ্যোগত আৰু দৈয়াং শাখা সাহিত্য সভাৰ সহযোগত অসম আৰু নাগালেণ্ড সীমান্তৱৰ্তী এলেকা গোলাঘাট জিলাৰ মেৰাপানীত এক সমন্বয়ৰ সন্মিলন অনুষ্ঠিত কৰিছিল।[৪] ২০০০ চনৰ ১৪ নৱেম্বৰৰ পৰা ১৮ নৱেম্বৰলৈ গুৱাহাটীৰ সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত পাঁচদিনীয়া কাৰ্যসূচীৰে লেখক শিবিৰৰ আয়োজন কৰে অসম সাহিত্য সভাই। ইয়াত অসমৰ বিভিন্ন প্ৰান্তৰ ৮০ গৰাকী লেখক-

লেখিকাক আমন্ত্ৰণ জনোৱা হৈছিল। এনেদৰে দেখা যায় যে অসম সাহিত্য সভাই সমন্বয় ৰক্ষাৰ ক্ষেত্ৰত ভালেখিনি কাৰ্যসূচী ৰূপায়ন কৰিছে।

**১০.০ সমন্বয়ৰ ৰক্ষাত অসম সাহিত্য সভাৰ ভৱন ঃ**

অসম সাহিত্য সভাৰ কাৰ্য পৰিচালনাৰ বাবে পাঁচটা কাৰ্যালয় আছে। সেইকেইটা হ'ল চন্দ্ৰকান্ত আঞ্চলিক কাৰ্যালয় ভৱন (ধুবুৰী) আৰু ৰায়বাহাদুৰ ৰামেশ্বৰ লাল চহৰীয়া সংহতি ভৱন (ডিব্ৰুগড়)। ১৯২৪ চনত যোৰহাটত অসম সাহিত্য সভাৰ মুখ্য কাৰ্যালয়ৰ নিৰ্মাণ আৰম্ভ হৈছিল। সাহিত্য সভালৈ ৰাধাকান্ত সন্দিকৈয়ে ৩০ হাজাৰ টকা দান দিছিল আৰু তাৰে ১৫ হাজাৰ টকাৰে এই ভৱনটি নিৰ্মাণ কৰা হয়। ১৯৩৩ চনৰ ১৮ অক্টোবৰত শিৱসাগৰৰ দিচাং নৈত ভাগৱতী প্ৰসাদ বৰুৱা পৰিয়ালটো দুৰ্ঘটনাত পতিত হৈ মৃত্যুক আঁকোৱালি লয়। ভাগৱতী প্ৰসাদ বৰুৱাই মনৰ শোক পাতলাবলৈ অসম সাহিত্য সভাক শকত পৰিমাণৰ দান দিয়ে, যি দানেৰে সভাৰ কাৰ্যালয় ভৱন নিৰ্মাণ কৰিব পাৰে। অসম সাহিত্য সভাৰ ডিফুৰ কাৰ্যালয়টোৰ নাম হ'ল ৰাংছিমা ভৱন। ১৯৮২ চনত ডিফুত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশনৰ ৰাহি ধনেৰে এই ভৱনটি সাজি উলিওৱা হৈছিল। কাৰ্বি আংলঙৰ প্ৰবাদ পুৰুষ ৰাংছিনা চাৰপোৰ পবিত্ৰ স্মৃতিত এই ভৱনৰ নাম ৰখা হৈছে। ভিন-ভিন পুৰোধা ব্যক্তিৰ নামেৰে সভাই তেওঁলোকৰ ভৱনবোৰৰ নামকৰণ কৰিছে আৰু এনে কাৰ্যই সমন্বয় সাধন কৰিছে।

**১১.০ প্ৰাপ্ত ফল ঃ**

(১) অসমৰ বিভিন্ন জনগোষ্ঠীৰ তথা সম্প্ৰদায়ৰ সাহিত্যিকে অসম সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হৈছে আৰু এনে কাৰ্যই বিভিন্ন জনগোষ্ঠীৰ লোকৰ মাজৰ একতাৰ ভাৱ বঢ়োৱাত সহায় হৈছে।

(২) অসমৰ বিভিন্ন সৰু-বৰ অঞ্চলত অসম সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈছে। প্ৰতিখন অধিৱেশনত অসমৰ বিভিন্ন অঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ মানুহৰ সমাগম হৈছে, বিভিন্নজনে মনৰ ভাৱ বিনিময় কৰিছে, আচাৰ-ব্যৱহাৰৰ, ধৰণ-কৰণৰ সমিলমিল ঘটিছে।

(৩) অসমীয়া ভাষাৰ লগতে বিভিন্ন ভাষাৰ মাজত সমন্বয় সাধনৰ বাবে অসম সাহিত্য সভাই বিভিন্ন প্ৰচেষ্টা হাতত লৈছে।

(৪) আলোচনা চক্ৰ, লেখক শিবিৰ, কবি সন্মিলন আদিৰ সহযোগত বিভিন্ন সম্প্ৰদায়ৰ মাজত সমন্বয়ৰ ... গঢ়ি উঠিছে। এই ক্ষেত্ৰত অসম সাহিত্য সভাৰ ৰৰ... সঁচাকৈ প্ৰশংসাৰযোগ্য।

(৫) অসম সাহিত্য সভাৰ ভৱনসমূহেও সমন্বয়ৰ ব... কঢ়িয়াইছে।

**১১.০ সামৰণি ঃ**

সমন্বয় সাধনৰ ক্ষেত্ৰত অসম সাহিত্য সভাই স... সময়ে বিভিন্ন পদক্ষেপ বা ভূমিকা হাতত লৈছে যদিও ... এই ক্ষেত্ৰত বহুতো কাৰ্য সমাধা কৰিব পাৰে। সমন্বয় ৰ... ক্ষেত্ৰত অসম সাহিত্য সভা তথা ইয়াৰ অন্তৰ্গত ... সভাসমূহে অসমীয়া সাহিত্য-সংস্কৃতিৰ উৎকৃষ্ট গ্ৰন্থ... অসমৰ বিভিন্ন জনজাতীয় ভাষালৈ আৰু তেনে... জনজাতীয় লোক কথা, গীত-মাত বা বিশেষ বিশেষ পুথি... অসমীয়া ভাষা সাহিত্যৰ ভড়াঁললৈ আদৰি আনিবলৈ লা... বিভিন্ন জনজাতীয় ভাষাৰ শব্দসমূহক স্থান দি এখন ... অসমীয়া অভিধান প্ৰণয়ন কৰিব পাৰে। বিভিন্ন সম্প্ৰ... লোকৰ মাজত সমন্বয় ৰক্ষাৰ বাবে সাহিত্য সভা বা ... সভাই আলোচনা চক্ৰ, গ্ৰন্থ প্ৰণয়নৰ কাম হাতত ল'ব লা...

**প্ৰসঙ্গ টোকা ঃ**

১। কলিতা, সমীন ঃ অসম সাহিত্য সভাৰ সভাপতিস... চন্দ্ৰপ্ৰকাশ, ২০০৬, পৃ. ক-৫২

২। বীৰেন, ভট্টাচাৰ্য ঃ "সমন্বয় সাধনত অসম সাহিত্য ... ভূমিকা" প্ৰবন্ধ, দৈমাৰী, লেবেন, সম্পা. গো... মহাবিদ্যালয় আলোচনী, পৃ. ২

৩। বৈশ্য, পৰেশ ঃ অসম সাহিত্য সভাৰ বুৰঞ্জী, ... প্ৰকাশন, ২০১০, পৃ. ৭৫

৪। উল্লিখিত, পৃ. ২৬

**গ্ৰন্থপঞ্জী ঃ**


কলিতা, সমীনঃ অসম সাহিত্য সভাৰ সভাপতিসকল... প্ৰকাশ, ২০০৬

দৈমাৰী, লেবেন (সম্পা.) ঃ গোৰেশ্বৰ মহাবিদ... আলোচনী, ২০০১-২০০২

বৰুৱা, শান্তনু কৌশিক (সম্পা.) ঃ আধুনিক অসমীয়া... সমগ্ৰ, অৰুণোদই প্ৰকাশন, গুৱাহাটী, ২০১২

বৈশ্য, পৰেশঃ অসম সাহিত্য সভাৰ বুৰঞ্জী, ৰেখা প্ৰ... ২০১০

# TECHNIQUES OF TEACHING MATHEMATICS

Hiranya Hazarika

There are a number of techniques which can be effectively used for the teaching Mathematics.Techniques are not directly linked with the teaching objectives.,but they are linked with teaching methods. While methods are directly linked with teaching objectives. .Teaching techniques are used to make the teaching effective, successful and interesting.The followings are some techniques of teaching Mathematics.

**ORAL OR MENTAL WORK :**

In mathematics ,there are so many works which can be done orally without the help of pen and paper. In such works, only mental process is employed ,so it can be defined as mental work .The mental work occupies an important place in mathematics. When calculations become more complicated and lengthy and mind cannot carried out with the those calculations orally, then such works are carried out with the help of pen and paper. The major part of Mathematics has to be covered in written form ,but its application lies in oral form.

**WRITTEN WORK:**

Oral work is an essential part of teaching o mathematics but all the work cannot be done orally. The oral work can only give a start and new concepts have to be ensured and ascertained by putting them in written form .If oral and written works are used combinedly, then the process of instruction become complete. Mathematics is a science of figures and written work .The major part of mathematics has to be covered in written form. In the learning new process, the oral work forms the beginning and written work ends it.

**HOME WORK:**

In mathematics, a lot of practice is needed in the application of rules and formulas .Therefore ,home work has to be given regularly to the students to supplement classroom teaching for more practice and application of rules theorems and formulas .Thus homework is one of the practical technique of teaching .By giving home work means creating in the children a study environment at home .The nature and amount of home work should be given according to the capacities of the children.

**DRILL WORK:**

Drill and exercises occupy an important place in learning mathematics teaching and learning .Drill work is based on the psychological principal such as learning by doing and Law of exercise .It efford a convenient and fairly efficient medium for the rapid memorization of details and the autoimmunization of the processes ,Drill provides opportunity of self learning and improvement. The speed and accuracy mathematics cannot be possible without drill work.

**SELF STUDY:**

Self study means individual's own independents study .An individual attempts and solves the problems himself without any out side help .So ,it is a habit of independent study by which the children are able to solve the mathematics problems with their own effort. Self study can be made more effective and systematic by giving regular home work or assignments preparation of project, debates, Discussions, seminars

and other competitions are also require self study. In this technique, the children learn to make use of their own knowledge and experiences in tackling various problems .It also develops self confidence and self independence in the children.

**GROUP WORK**

In larger classes, a teacher can not give full attention to each students .so, we have to seek some via media so that the purposes of modern education could be fulfilled .Group work is a via media between class teaching and the individual self study In the group work technique, the larger class is divided into smaller groups auording to abilities and interests of the children. Thus the unit becomes smaller and greater attertion can be paid to individual student. In the smaller groups students work under group feeling with more co-operation and competitive attitude than in the large classes.

**SUPERVISED STUDY:**

In mathematics ,the supervised study is very useful for the students .This technique is based on the principal of activity and individual differences. .In this technique of teaching .Students are asked to solve problems or to do some practical work in the school hours. This study may be individual or collective. The teacher provides proper guidance and direction to students in solving the problems. Thus supervised study creates a formal and students are free to the self study of students because are free to work independently. Teacher's presence makes the atmosphere more disciplined and congenital for hard work. In this technique, the students get spot help and guidance at once .The mistakes and difficulties of the students can be removed on the spot In this technique .the child learns according to this abilities and capacities.

**BRAIN STORMING:**

Brain storming is a democratic and problem- centered technique. It creates situations for students and teacher interaction and both remain active in teacher .Brain storming is based up the assumption that a child can learn better in group rather than in individual study .By this the higher order of cognitive and affective objecti can be achieved.

In this technique the teacher assigns problem to the children .All the children thi over the problem independently and then th discuss and arrange a debate. The children asked to express their on views and ideas wh come to their mind frankly .The teacher wri children's view's and ideas on Black-board this way the problem is solved through br storming.

**REVIEW:**

Review is identified with drill work beca they are both characterized by repetition and b aim at the fixation of concepts ,relationshi Review aims not only at the fixation and re tion of details but also at the thoughtful org zation of the important things in a unit or a cha in order that the relationship of the various to each other and to the whole unit may be derstood clearly.

Thus, review means to view again i.e. m tal process of going over material already le is ordinarily termed as review .It aims at rec ing the past experience to produce better re tion .Both the review and drill are very imp tant in the study of Mathematics.

**ASSIGNMENT:**

It is the work given to the students ei before the lesson or after the lesson and it ma completed at school or at home. Assignment sort of commitment on the part of the lear .Here students take upon the responsibility carrying out the work assigned.

Thus, we may conclude that teaching te niques are such aids in which are used to ma the lesson interesting to explain the content to remember it by heart during teaching lea ing process . Without using technique ,mathem

# প্ৰসংগ ঃ অসমীয়া ভাষা

ধ্ৰুৱজ্যোতি দলে

অসমীয়া ভাষা ভাৰতবৰ্ষৰ অসম ৰাজ্যৰ ভাষা। ই সমগ্ৰ উত্তৰ-পূৰ্ব ভাৰতৰ সংযোগী ভাষা (LINGUA FRANCA) হিচাপে ব্যৱহৃত। বংশগতভাৱে অসমীয়া ভাষা ইণ্ডো ইউৰোপীয় (Indo-European) নামৰ পৃথিৱীৰ সৰ্ববৃহৎ ভাষা পৰিয়ালৰ ভাষা। এই ভাষা পৰিয়ালৰ পৰাই ইংৰাজী, জাৰ্মান, লেটিন আদি ভাষাৰ উদ্ভৱ।

অসমীয়া ভাষা ইংৰাজী ভাষাৰ তুলনাত দুখীয়া নেকি ? অসমীয়া ভাষাটো দুখীয়া নে জাতিটো দুখীয়া সি ভাবি চাবলগীয়া। নিশ্চিতভাৱেই এটা ভাষা শক্তিশালী হয় ইয়াক বহন কৰি থকা জাতিটোৰ অগ্ৰসৰতাত। অৱশ্যে ভাষা এটাৰ সবলতাইও ইয়াত সমল যোগায়। ইংৰাজী ভাষাটো ইংৰাজ জাতিৰ শক্তিতেই আগবাঢ়িছে বুলিব লাগিব। আমি চকু দিলেই দেখা পাওঁ যে আন্তৰ্জাতিক ভাষা হিচাপে বৰ্তমান ইংৰাজী ভাষাই অৱস্থান কৰি আছে। একালত ইংৰাজসকল পৃথিৱীৰ ইমানবোৰ দেশত উপনিবেশ স্থাপন কৰিছিল যে ইংৰাজ সাম্ৰাজ্যৰ বেলি ডুব নোযোৱা অৱস্থা হৈছিল। ইংৰাজ জাতিটোৰ অদম্য সাহসী মন আৰু নেদেখাটো চোৱাৰ বা নোপোৱাটো পোৱাৰ যি হাবিয়াস থাকে তাক কাৰ্যত ৰূপান্তৰ কৰাৰ প্ৰচেষ্টাত ৰত হোৱাৰ শক্তি প্ৰৱল। তেওঁলোকৰ উপনিবেশিক সাম্ৰাজ্য বিস্তাৰৰ লগে লগেই ভাষাটোত সমগ্ৰ পৃথিৱীতে বিয়পি পৰে।

**উপনিবেশবাদ, বিশ্বায়ন,**
**অসমীয়া ভাষাৰ ভৱিষ্যত ইত্যাদি।**

বৰ্তমান সময়ত অসমীয়া ভাষাটোৰ ভৱিষ্যতক লৈ বহু চিন্তা-চৰ্চা হ'ব ধৰিছে। সকলোৱেই ভাষাটোৰ ভৱিষ্যতক লৈ সন্দিহান হৈ উঠিছে। পশ্চিমীয়া ভাষা সংস্কৃতিৰ প্ৰভাৱত পৰি অসমীয়া ভাষা সংস্কৃতিৰ ভৱিষ্যতৰ প্ৰতি সকলো সন্দিহান হৈ পৰিছে। এই প্ৰসঙ্গত আমি উপনিবেশবাদ আৰু বিশ্বায়ন (Globalization) ৰ দিশ দুটা আলোচনা কৰি চাব পাৰো।

অসমীয়া ভাষাত উপনিবেশিক প্ৰভাৱ বুলিলে বুজা যাব উপনিবেশবাদী বৃটিছসকলৰ ইংৰাজী ভাষাৰ প্ৰভাৱ। উপনিবেশবাদী বৃটিছসকল ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে অসমত প্ৰৱেশ কৰে আৰু অসমৰ ৰাজনৈতিক ক্ষমতা দখল কৰে। বৃটিছসকলৰ লগে লগেই অসমীয়া ভাষালৈও দুই এটা ইংৰাজী শব্দৰ আগমন ঘটে। সেই সময়তে খ্ৰীষ্টান মিছনেৰী সকলৰো অসমলৈ আগমন ঘটে। তেওলোকে লগত লৈ আহে ছপা যন্ত্ৰ। তেওঁলোকৰ উদ্দেশ্য আছিল ধৰ্মপ্ৰচাৰ আৰু চীন দেশলৈ যোৱাৰ বাট উলিওৱাটো। ছপা যন্ত্ৰৰ জৰিয়তে বিভিন্ন ধৰ্মপুস্তক ছপা কৰি মানুহৰ মাজৰ বিতৰণ কৰা হৈছিল। এইখিনি সময়ত ঘটা আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হৈছে বৃটিছ চৰকাৰে ১৮৩৬ চনত অসমত চৰকাৰী ভাষা হিচাপে বঙলা ভাষা প্ৰতিষ্ঠা কৰাটো। আদালত, বিদ্যালয় সকলোতে বঙলা ভাষাৰ প্ৰচলন হ'বলৈ ধৰিলে। এইখিনি সময়তে অহা আমেৰিকাৰ বেপ্তিষ্ট মিছনেৰীসকলে বুজি পালে যে অসমত মাতৃভাষাত কাম-কাজ নহলে ধৰ্ম প্ৰচাৰতো অসুবিধা হ'ব। ড° নাথান ব্ৰাউন, মাইলছ, ব্ৰন্সন, আনন্দৰাম ঢেকীয়াল ফুকন আদিৰ প্ৰচেষ্টাত ১৮৭৩

চনত যেনিবা অসমীয়া ভাষাটো পুনঃ প্ৰতিষ্ঠা হ'ল। ইয়াৰ উপৰি মিছনেৰীসকলৰ গুৰুত্বপূৰ্ণ অৱদান হ'ল অসমীয়া ভাষাৰ প্ৰথম আলোচনী 'অৰুনোদই'। পুনঃ অহা যাওঁক অসমীয়া ভাষা প্ৰসঙ্গলৈ। বৃটিছ শাসনৰ আৰম্ভণিতে অহা এনে দুৰ্যোগৰ পিছত অৱশ্যে অসমীয়া ভাষা আৰু সাহিত্য উভয়লৈ সমৃদ্ধিৰ সময় আহিল। বহুতো বিদেশী সাহিত্যৰ অনুবাদ হ'ল, লগতে ইংৰাজী ভাষা সাহিত্যৰ লগতো পৰিচয় ঘটিল। তাৰ ফলস্বৰূপে ভাষাটোলৈ বিদেশী ইৰাজী শব্দাৱলী লাহে লাহে সোমাই আহিবলৈ ধৰিলে।

আধুনিক বিশ্বত সঘন উচ্চাৰিত এটা শব্দ 'গোলকীকৰণ' (Globalization) গোলকীকৰণ গোটেই পৃথিৱীখনকে এখন সৰু গাঁৱলৈ ৰূপান্তৰ কৰিব বিচাৰিছে। এনে এখন গাঁৱত নাথাকিব কোনো ধৰণৰ বাধাৰ প্ৰাচীৰ। বিশ্বায়ন বুলিলে ঠিক এনে এক অৰ্থকেই বুজা যায়। এনে এক সুন্দৰ অৰ্থ বিশ্বায়নে প্ৰকাশ কৰিলেও কিন্তু বিশ্বৰ বিভিন্ন পণ্ডিতে ইয়াৰ অন্তৰালত নিহিত কু-স্বৰূপ প্ৰত্যক্ষ কৰিছে। এই অনুসৰি বিশ্বায়ন পৃথিৱীৰ ধনী দেশসমূহৰ দ্বাৰা সৃষ্ট আৰু তেওঁলোকৰ অৰ্থনৈতিক লাভালাভৰ বাবে নিৰ্মিত এক প্ৰক্ৰিয়াহে যাৰ দ্বাৰা তেওঁলোকে বেহা বেপাৰৰ ক্ষেত্ৰত অবাধ সুবিধা লাভ কৰিব আৰু দুখীয়া দেশসমূহৰ প্ৰাকৃতিক সম্পদৰাজি ধনী পুজিবাদী দেশসমুহে সুবিধাজনক ভাৱে নিজৰ কামত লগাব পাৰিব।

এতিয়ালৈ বিশ্বায়নৰ যি সামান্য এক পৰিচয় দাঙি ধৰা হ'ল তাৰ পৰা বিশ্বায়নৰ লগত ভাষাৰ সম্পৰ্ক থাকে বুলি মনে নধৰে। কিন্তু বিশ্বায়ন আৰু ভাষাৰ মাজত সম্পৰ্ক আছে। বৰ্তমান পৃথিৱীত যি এক উদ্যোগমুখী অৰ্থনীতিৰ সৃষ্টি হৈছে তাৰ বাবে মানুহ উদ্যোগমুখী হৈ পৰিছে। ফলস্বৰূপে মানুহৰ বাসস্থান সলনি কৰিব লগাও হৈ পৰিছে। ফলত এই মানুহখিনিয়ে নিজা ভাষা সংস্কৃতি ধৰি ৰখাটো অসম্ভৱ হৈ পৰিছে। পুঁজিবাদী অৰ্থনীতিয়ে আনি দিয়া অৰ্থৰ প্ৰতি লালসা, উন্মাত্মিকা ভাৱ আদিয়েও এনে কাৰ্যত ক্ৰিয়া কৰি আছে। এইখিনিতে আমি অসমীয়া ভাষাৰ প্ৰসঙ্গলৈ ঘূৰি আহো— আসমত বৰ্তমান এক উদ্যোগমুখী অৰ্থনীতিয়ে গা কৰি উঠিছে। বিভিন্ন পণ্য সামগ্ৰীৰে বজাৰ ভৰি পৰিছে, পূৰ্বৰ এটা টি ভি চেনেল আৰু ৰেডিঅ' চেনেলৰ পৰিৱৰ্তে বৰ্তমান দেশী বিদেশী শ শ চেনেলে ভিৰ কৰিছেহি। পাশ্চাত্য সংস্কৃতিৰ প্ৰতি আমাৰ মানুহৰ স্বাভাৱিক আকৰ্ষণ আছে। টিভিৰ বিভিন্ন অনুষ্ঠানৰ পৰা আমাৰ মানুহে বাহিৰৰ দেশসমূহৰ (বিশেষকৈ আমেৰিকাৰ) মানুহৰ আও-ভাও আয়ত্ব ব্যস্ত হৈ পৰিছে। বিভিন্ন বিজ্ঞাপনে বিদেশী পণ্য সামগ্ৰী প্ৰতি আকৰ্ষিত কৰিছে। ভাষাৰ ক্ষেত্ৰত বিভিন্ন শব্দাৱলী যেনে— সম্বোধনসূচক পাপা, মম (মা), আংকল, আণ্টি আদিৰ ব্যৱহাৰ গভীৰলৈ সোমাই পৰিছে। ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহেও এই ক্ষেত্ৰত বিশেষভূমিকা লৈছে। এনে বিদ্যালয়ৰ অধিকাংশ (সকলো বুলি নোৱাৰি) ছাত্ৰ-ছাত্ৰীয়েই স্ব-জাতীয় ভাষা-সংস্কৃৰি পৰা পৃথক হৈ পৰিছে। এইসকলে পশ্চিমীয়া ভাষা-সংস্কৃতি প্ৰতি আগ্ৰহী হৈ পৰিছে ফলত থলুৱা ভাষা-সাহিত্য সংস্কৃতিৰ পৰাও বিচ্ছিন্ন হৈ ৰৈছে আৰু পাশ্চত্যৰ পৰিৱেশৰ অভাৱত অধিকাংশই মাজতে ওলমি ৰৈছে অসমীয়া ভাষালৈ প্ৰধানকৈ ইংৰাজী শব্দাৱলী সোমাই পৰিছে। নৱ প্ৰজন্মৰ অসমীয়া ভাষাৰ ব্যৱহাৰ কেৱল ইংৰাজী শব্দই নহয়, কথনৰীতিও সোমাই পৰিছে, ফলত কথা কওঁতে কেতিয়াবা কিছু অংশ অসমীয়াত, কিছু অংশ ইংৰাজীত ক'বলৈ লৈছে আৰু কেতিয়াবা অসমীয়া কৈ থকা কথাত একাধিক ইংৰাজী শব্দ সোমাই পৰি (Code switching, Code mixing)। বিশ্বায়নৰ প্ৰভাৱ পৃথিৱীত এনেদৰেই ভাষা এটা বিলুপ্তিৰ পথত আগবাঢ়ে

এনে নহয় যে এটা ভাষাত অন্য ভাষাৰ শব্দাৱলী সোমাই পৰিলেই ভাষা এটাৰ মৃত্যু হ'ব। তেনে হে

হ'লে ইংৰাজী ভাষাতো আন ভাষাৰ শব্দ নাথকিলেহেঁতেন। আন ভাষাৰ শব্দ গ্ৰহণ কৰাটোও এটা শক্তিশালী ভাষাৰ গুণ। ইংৰাজী ভাষাত গ্ৰীক, লেটিন আদি বিভিন্ন ভাষাৰ শব্দ সোমাই আছে। আনকি হিন্দী ভাষাৰ শব্দও ইংৰাজী ভাষাত সেমাই আছে। উদাহৰণস্বৰূপে ঃ অক্সফৰ্ড ডিক্সনেৰী (Oxford Dictionery)ত Samosa, Sari, Rajah আদি হিন্দী শব্দ আমি পাওঁ। এনেদৰে ইংৰাজী ভাষাই বিভিন্ন ভাষাৰ সমল আয়ত্ব কৰিও মৃত্যুমুখী হোৱা নাই। বৰঞ্চ ই পৃথিৱীৰ আটাইতকৈ শক্তিশালী ভাষা হিচাপে প্ৰচলিত হৈ আহিছে। মূল কথা হ'ল ভাষা এটা জীয়াই ৰাখিবলৈ ইয়াৰ কওঁতাৰ প্ৰয়োজন। ভাষা-সংস্কৃতি ৰক্ষাৰ বাবে ইয়াক পালন কৰা বা ব্যৱহাৰ কৰা মানুহ লাগিব।

ভাষা এটা কেতিয়াও একে অৱস্থাতে নাথাকে। ই পৰিৱৰ্তিত হৈয়ে থাকে। সেয়ে হ'লেও এটা ভাষা জীয়াই ৰখাত এটা জাতিৰ কৰণীয় আছে। জাতীয় চৰকাৰসমূহে এই ক্ষেত্ৰত ভূমিকা ল'ব পাৰে। তেওঁলোকে মাতৃভাষা শিক্ষাৰ ওপৰত গুৰুত্ব দিয়ক। ইয়াৰ মানে এইটো নহয় যে ইংৰাজী ভাষাটো একেবাৰে এৰি দিয়ক। এই ভাষাটো আমাক লাগিবই কাৰণ ই এটা আন্তৰ্জাতিক ভাষা। ইয়াৰ জৰিয়তে আমি পৃথিৱীৰ ভাল ভাল সাহিত্যৰাজিৰ সোৱাদ পাব পাৰো বা নজনা কথাও জানিব পাৰো। ইয়াৰ অৰ্থ এনে নহয় যে পৃথিৱীৰ সকলো উন্নত সাহিত্যৰ সৃষ্টি ইংৰাজী ভাষাত। পৃথিৱীৰ অধিকাংশ উন্নত সাহিত্যই ফৰাছী, জাৰ্মান, ৰাছিয়ান আদি অন্যান্য ভাষাতেই ৰচিত। উদাহৰণ স্বৰূপে আমি কেইজনমান ন'বেল বিজয়ী সাহিত্যিকলৈ আঙুলিয়াব পাৰো— মেৰিঅ' ভাৰ্গছায়াছ (নোবেল বঁটা, ২০১০)ৰক সাহিত্যৰ মাধ্যম স্পেনিছ, গেব্ৰিয়েল গাৰ্ছিয়া মাৰ্কুৱেজ (নোবেল বঁটা ১৯৮২)ৰ স্পেনিছ, অৰহান পামুক (নোবেল, ২০০৬)ৰ সাহিত্যৰ মাধ্যম তুৰ্কী ভাষা। বৰ্তমান সময়ত অসমীয়া ভাষাত ৰচিত উন্নত সাহিত্য ৰাজিৰ অনুবাদনৰ জৰিয়তে অন্যভাষী লোককো ইয়াৰ সোৱাদ দিবলৈ যত্ন কৰা হৈছে। গতিকে এই দিশৰ পৰা ভাষাটোৰ মৃত্যুমুখীতাৰ ঠিক বিপৰীত লক্ষণ এটাও চকুত পৰে। ইয়াৰ পিছৰ কৰণীয়খিনি আমাৰ।

## মহৎ লোকৰ বাণী

- এখন ভাল কিতাপ নষ্ট কৰা, এজন ভাল মানুহক হত্যা কৰা একে কথা।

  —মিল্টন

- নিৰ্ভীকতা নাথাকিলে সকলো গুণ ধূলিত পৰিণত হয়। নিৰ্ভীকতা নাথাকিলে সত্যসাধন বা অহিংসা অসম্ভৱ।

  —মহাত্মা গান্ধী।

- আমি চৰাইৰ দৰে উৰিবলৈ শিকিছোঁ, মাছৰ দৰে সাতুৰিবলৈ শিকিছোঁ, কিন্তু এখন পৃথিৱীত ভাতৃৰ দৰে বাস কৰিবলৈ শিকা নাই।

  —মাৰ্টিন লুথাৰ কিং

# ভাৰতীয় গণতন্ত্ৰ আৰু ছাত্ৰ সমাজৰ ভৱিষ্যৎ

ভাস্কৰ পাটগিৰি
গৱেষক ছাত্ৰ
গুৱাহাটী বিশ্ববিদ্যালয়

মানুহ সমাজপ্ৰিয় প্ৰাণী। ছাত্ৰসকল সমাজৰ এক অভিন্ন অংগ। প্ৰকৃতাৰ্থত ক'বলৈ গ'লে ছাত্ৰ সমাজৰ চিন্তা, উদ্দেশ্য, দৃষ্টিভংগী আদিয়েই অদূৰ ভৱিষ্যতৰ সামাজিক দৃশ্যপট সলনি কৰিবলৈ যথেষ্ট। ছাত্ৰ সমাজ হৈছে প্ৰাণ-প্ৰাচুৰ্য্য, সৃষ্টিশীলতা, উদ্যম আদিৰে উচ্ছল এক অজেয় শক্তি। এই চালিকা শক্তিয়ে সমাজক কিমানদূৰ পৰ্য্যন্ত অৰিহণা যোগাব, সেয়া নিৰ্ভৰ কৰে এনে শক্তিৰ ব্যৱহাৰৰ সদিচ্ছাৰ ওপৰত।

ভাৰতৰ বৰ্তমানৰ সমাজ ব্যৱস্থা হৈছে গণতান্ত্ৰিক সমাজ ব্যৱস্থা। সেয়েহে, ভাৰতীয় ছাত্ৰ সমাজৰ অতীত, বৰ্তমান তথা ভৱিষ্যৎ এই সামাজিক ব্যৱস্থাৰ লগত ওতপ্ৰোতভাৱে সাঙুৰ খাই পৰিছে। কিন্তু ইয়াতে এক প্ৰশ্ন উত্থাপিত হয়। সেয়া হ'ল আজিৰ এই ভাৰতীয় সমাজ ব্যৱস্থাত ভাৰতীয় ছাত্ৰ সমাজৰ ভৱিষ্যৎ সঁচাকৈয়ে সুৰক্ষিত নে? এই ক্ষেত্ৰত ভিন্নজনৰ ভিন্ন মত দেখা যায়। যিসকলে গণতন্ত্ৰক সমৰ্থন কৰে তেওঁলোকৰ মতে গণতন্ত্ৰ হৈছে ন্যায় আৰু সমতাৰ ওপৰত প্ৰতিষ্ঠিত শাসন ব্যৱস্থা। সেয়েহে, ভাৰতৰ দৰে অৰ্থনৈতিক গাঁঠনিৰ দেশত গণতন্ত্ৰই মানুহৰ আশা-আকাংক্ষা পূৰণ কৰিব পাৰে। কিন্তু সমাজৰ এক বৃহৎ অংশই এই চিন্তাধাৰাৰ প্ৰতিবাদ কৰে। অতি সূক্ষ্মভাৱে বিশ্লেষণ কৰিলে দেখা যায় যে— গণতন্ত্ৰৰ মূল ভেটি সমতা আৰু স্বাধীনতা কেৱল মাত্ৰ তত্ত্বগত ধাৰণাহে। গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ এক অবিচ্ছেদ্য অংগ হৈছে অৰ্থনৈতিক বৈষম্য। এনে অৰ্থনৈতিক বৈষম্যই ভাৰতৰ দৰে গণতান্ত্ৰিক দেশৰ শাসন ব্যৱস্থা যে সমতা, স্বাধীনতা আদিৰ নামত এক প্ৰহসনহে তাক উদঙাই দেখুৱায়।

যিহেতু, ছাত্ৰ সমাজৰ ভৱিষ্যৎ দেশৰ শাসন ব্যৱস্থাৰ লগত ওতপ্ৰোতভাৱে জড়িত সেয়েহে এনে শাসন ব্যৱস্থাই বহু সময়ত ছাত্ৰ সমাজক বিপৰ্য্যয়ৰ গৰাহত শা[illegible] কৰিব পাৰে। ভাৰতীয় গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ এ[illegible] লক্ষ্যণীয় আঁসোৱাহ হৈছে এক সুনিৰ্দিষ্ট উদ্দেশ্যমু[illegible] আৰু সৃষ্টিশীল শিক্ষানীতিৰ অভাৱ। ইয়াৰ কাৰণ ফঁহিয়া[illegible] চালে প্ৰথমেই চকুত পৰে শাসক শ্ৰেণীৰ ব্যৰ্থতা[illegible] ভাৰতীয় গণতন্ত্ৰত বহুদলীয় শাসন ব্যৱস্থা আছে যদি[illegible] এনে ব্যৱস্থাত এক সুস্থ, নিকা আৰু সফল চৰকাৰ গঠ[illegible] হোৱাটো বৰ কঠিন। ইয়াৰ মূল কাৰণ হ'ল জনসাধাৰ[illegible] ৰাজনৈতিক চেতনাৰ অভাৱ। অৱশ্যে, প্ৰতিখন চৰকাৰে[illegible] নিজস্ব দৃষ্টিভংগীৰে গণতান্ত্ৰিক আশা-আকাংক্ষা প্ৰতিফ[illegible] কৰিব পৰাকৈ লগতে সুস্থ, সবল, কৰ্মঠ, উদ্যোগী নাগৰি[illegible] সৃষ্টিৰ উদ্দেশ্যে শিক্ষানীতিৰ উপৰ্য্যুপৰি পৰিৱৰ্তন সা[illegible] কৰিয়েই আছে। ইয়াকে কৰিবলৈ যাওঁতে কেতিয়া[illegible] হয়তো আমি অতীজৰ গুৰুগৃহত থাকি বেদ-পুৰা[illegible] বাণী মুখস্থ কৰা তথা যাগ-যজ্ঞৰ বিধান দিয়া ন[illegible] শিক্ষাগ্ৰহণ, গুৰুদক্ষিণাৰ নামত সৰ্বস্ব ত্যাগ কৰা শি[illegible] ব্যৱস্থালৈও উভতি যাবলৈ বিচাৰিছোঁ। এনে ব্যৱ[illegible] শিক্ষা ব্যৱস্থা সবল কৰাৰ সলনি ইয়াক অন্ধ[illegible] ভৱিষ্যতলৈহে ঠেলি পঠিওৱাৰ আশংকা আছে। ইয়া[illegible] বাবেই বহুসময়ত ছাত্ৰ সমাজ নিজৰ উদ্দেশ্যৰ [illegible] বিচলিত হৈ পৰিব পাৰে। দেখা গৈছে ভাৰতৰ [illegible] গণতান্ত্ৰিক ব্যৱস্থাত কোনো বিশেষ উদ্দেশ্যমুখী আঁ[illegible] কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত বহুতো স্বাৰ্থৰ সংঘাত সৃষ্টি [illegible] ফলত এনে আঁচনিৰ সফলতা যিমানেই নিশ্চিত নহওঁ[illegible] কিয় তাক গ্ৰহণ কৰিব নোৱাৰি। অৱশ্যে ছাত্ৰ সমা[illegible]

ভৱিষ্যৎ অন্ধকাৰময় কৰি তুলিব পৰা এনে বহুতো স্বাৰ্থ বিৰোধী মত বা আঁচনিৰ গণতান্ত্ৰিকভাৱে বিৰোধিতা কৰি ছাত্ৰ সমাজে সভা, শোভাযাত্ৰা, ধৰ্মঘট আদিৰে প্ৰতিবাদ সাব্যস্ত কৰিব পৰা ব্যৱস্থা অদ্যাপি ভাৰতীয় গণতন্ত্ৰত আছে। বহু সময়ত ভাৰতীয় ৰাজনৈতিক দলসমূহৰ লগতে আঞ্চলিক দলসমূহে ছাত্ৰ সমাজক নিজৰ স্বাৰ্থপূৰণৰ বাবে এক অমোঘ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰে। অপৈণত বুদ্ধিৰ ছাত্ৰ সমাজক এনেবোৰ কু-চক্ৰান্তকাৰী গোট বা অনুষ্ঠানসমূহে নিজৰ উদ্দেশ্যৰ পৰা বিচলিত কৰি সমগ্ৰ দেশৰে ভৱিষ্যৎ বিপদজনক কৰি তোলা দেখা যায়। এটা কথা স্বীকাৰ কৰিবই লাগিব যে ৰাজনীতিত ছাত্ৰৰ এক সুকীয়া তথা গুৰুত্বপূৰ্ণ ভূমিকা আছে। কিন্তু, সুস্থ ৰাজনৈতিক চিন্তাসম্পন্ন ব্যক্তিত্ব লাভৰ প্ৰাথমিক চৰ্তটোৱেই হ'ল শিক্ষা। যদিহে ৰাজনৈতিক ন্যায়, সমতা আদি লাভ কৰিবলৈ যাওঁতে শিক্ষাই অৱহেলিত হয় তেন্তে সি হ'ব ব্যৰ্থতাৰ নামান্তৰ মাথোন।

বৰ্তমান ভাৰতীয় শিক্ষা ব্যৱস্থাত বেচৰকাৰী খণ্ডই অগ্ৰাধিকাৰ পোৱা দেখা গৈছে। পাশ্চাত্য চিন্তাধাৰাৰ এনে বীজৰ মূল কেন্দ্ৰবিন্দু হৈছে— একমাত্ৰ লাভালাভ। এক কথাত ক'বলৈ গ'লে ইয়ো ভাৰতীয় গণতন্ত্ৰৰ নীতিবৰ্জিত আঁচনিৰ ফল। ভাৰতীয় গণতন্ত্ৰৰ পদচ্ছায়াত লালিত-পালিত অৰ্থনৈতিক বৈষম্যই বেচৰকাৰী খণ্ডৰ শিক্ষাৰ দৰে নীতি বিবৰ্জিত ব্যৱস্থাৰ সৃষ্টিত অৰিহণা যোগাইছে। কিন্তু, ব্যৱসায়মুখী শিক্ষা ব্যৱস্থাই উপযুক্ত নাগৰিক সৃষ্টিৰ ক্ষেত্ৰত কিমান দূৰ সফল হ'ব সেয়া এক প্ৰশ্নৰ বিষয়। বেচৰকাৰী খণ্ডৰ প্ৰতিযোগিতামূলক শিক্ষাৰ মনোভাৱৰ বিপৰীতে চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহৰ শিক্ষক সমাজৰ, ছাত্ৰ সমাজৰ প্ৰতি দেখা দিয়া চূড়ান্ত অৱহেলাৰ মনোভাৱে দৰিদ্ৰ শ্ৰেণীৰ ছাত্ৰসকলৰ ভৱিষ্যৎ অনিশ্চয়তাৰে ভাৰাক্ৰান্ত কৰি তুলিছে।

ভাৰতীয় গণতন্ত্ৰত নতুনকৈ যোগ হোৱা এটা সংজ্ঞা হ'ল মুক্ত অৰ্থনীতি নতুবা গোলকীকৰণ। বহুতে মন্তব্য আগবঢ়ায় যে মুক্ত অৰ্থনীতিয়ে ভাৰতৰ অৰ্থব্যৱস্থালৈ এক সুদূৰপ্ৰসাৰী পৰিবৰ্তন কঢ়িয়াই আনিবলৈ সমৰ্থ হ'ব। কিন্তু, ইয়াতে অন্য এক প্ৰশ্নৰ উদ্ৰেক হয়। সেয়া হ'ল এনে পৰিবৰ্তন ভাৰতৰ ছাত্ৰ সমাজৰ পক্ষে লাভদায়ক হ'ব নে— ই সমাজৰ স্খলনতহে ইন্ধন যোগাব। মুক্ত অৰ্থনীতিৰ এক প্ৰধান পাৰ্শ্বক্ৰিয়াই হ'ল নিবনুৱা সমস্যা। শিক্ষা ব্যৱস্থাৰ উদ্দেশ্য কেৱল মাত্ৰ একো একোজন শিক্ষিত, সফল, উদ্যমী ব্যক্তি সৃষ্টিয়েই নহয়। শিক্ষাৰ এক প্ৰধানতম উদ্দেশ্য হ'ল মানুহৰ মাজত সুপ্ত হৈ থকা সৃষ্টিশীলতাক সমাজৰ বৃহত্তৰ স্বাৰ্থত প্ৰয়োগ কৰা। দেখা গৈছে ভাৰতীয় গণতান্ত্ৰিক ধাৰণাৰে পৰিপুষ্ট সমাজ ব্যৱস্থাত এনে হোৱাটো প্ৰায় অসম্ভৱ। ভাৰতীয় সংবিধানত সমতাৰ ভেটিত সকলোৰে বাবে শিক্ষাৰ ব্যৱস্থা কৰাৰ ইংগিত আছে। কিন্তু শিক্ষাৰ বাণিজ্যিকীকৰণৰ ধাৰণাই এনে ব্যৱস্থাৰ ফোঁপোলা-স্বৰূপটোহে উদঙাই দিয়ে। সাম্প্ৰতিককালত বেচৰকাৰী খণ্ডৰ শিক্ষা ব্যৱস্থাক বাদ দিলেও অন্য এক ভয়াবহ চিত্ৰ আমাৰ চকুত জিলিকি উঠে। সেয়া হ'ল চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানসমূহত উচ্চ হাৰৰ মাচুল বৃদ্ধি। উচ্চতম ন্যায়ালয়ে এক বিশেষ শুনানীত শিক্ষাৰ বাণিজ্যিকীকৰণৰ সপক্ষে মত পোষণ কৰাৰ লগে লগে ভাৰতীয় শিক্ষা ব্যৱস্থাৰ এক বৃহৎ পৰিবৰ্তন সাধন হ'ল। উচ্চতম ন্যায়ালয়ে উপভোক্তাৰ দ্বাৰা মূল্য প্ৰদান নীতি সমৰ্থন কৰাৰ লগে লগে বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষা ব্যৱস্থা এক বজাৰলৈ পৰিবৰ্তন হ'ল লগতে শিক্ষকসকলৰ ভূমিকা হৈ ৰ'ল কেৱল মাত্ৰ এজন বিক্ৰেতাৰহে। আনকি বিশ্ববিদ্যালয়সমূহৰো মাচুল বহুগুণে বৃদ্ধি পালে। এই সমগ্ৰ ব্যৱস্থা যে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ পৰিপন্থী তাক হয়তো বঢ়াই কোৱাৰ প্ৰয়োজন নাই। 'Edufest', 'Edufair' ইত্যাদিৰ জৰিয়তে শিক্ষাগ্ৰহণৰ কাৰ্যক অধিক বজাৰমুখী কৰিলে। কম আয়াস আৰু সহজতে উপলব্ধ এনে বজাৰত গ্ৰাহক আৰু বিক্ৰেতাৰ উপস্থিতি লক্ষ্যণীয় আৰু দিনে দিনে বৃদ্ধি হ'বলৈহে ধৰিলে। জে. এছ. মিলৰ মতে, "সাৰ্বজনীন ভোটাধিকাৰৰ স্বীকৃতিৰ পূৰ্বে

সাৰ্বজনীন শিক্ষা ব্যৱস্থাৰ আৱশ্যক" ("Universal teaching must precede universal infranchisement.")।

যিহেতু, গণতান্ত্ৰিক শাসন ব্যৱস্থা জনমতৰ ভেটিত প্ৰতিষ্ঠিত হয়, সেয়েহে এনে শাসন ব্যৱস্থাত অশিক্ষিত, অজ্ঞ আৰু অক্ষম ব্যক্তিয়েও শাসনত অধিষ্ঠিত হ'ব পাৰে। ইয়ে ছাত্ৰ সমাজক কেৱলমাত্ৰ বিপথগামী কৰাই নহয় হতাশ কৰিও তুলিব পাৰে।

ভাৰতীয় গণতন্ত্ৰ ঐক্য, শান্তি আৰু সমতাৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত বুলি দাবী কৰা হয় যদিও প্ৰকৃতাৰ্থত তাৰ ঠিক বিপৰীত প্ৰতিচ্ছবিহে ভাৰতীয় সমাজ-ব্যৱস্থাত প্ৰতিফলিত হয়। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে বিভিন্ন ৰাজ্য তথা অঞ্চলৰ প্ৰতি সদায়ে আগবঢ়াই অহা বৈষম্যমূলক আচৰণৰ কথা উনুকিয়াব পাৰি। ইয়াৰ মূল কাৰণ হৈছে চৰকাৰ আৰু জনসাধাৰণৰ মাজত থকা আদৰ্শ তথা চিন্তাৰ প্ৰভেদ। ইয়াকে মূল ভেটি হিচাপে লৈ সাম্প্ৰতিক সময়ছোৱাত ভাৰতৰ ঠায়ে ঠায়ে গা কৰি উঠিছে বিভিন্ন সমাজবিৰোধী শক্তিয়ে। এনে শক্তিসমূহে আকৌ ভাৰতীয় ছাত্ৰ সমাজক নিজস্ব উদ্দেশ্য সাধনৰ বাবে ব্যৱহাৰ কৰিবলৈ উঠি পৰি লাগিছে। ফলস্বৰূপে গঢ় লৈ উঠিছে সন্ত্ৰাসবাদ। যদিহে, এনেবোৰ সমস্যাক মষিমূৰ কৰিব লগা হয়, তেন্তে প্ৰথমেই প্ৰয়োজন হ'ব সমাজ ব্যৱস্থাৰ পৰিবৰ্তন। সম্পূৰ্ণ ঐক্য আৰু সমতাৰ ভিত্তিত সমাজ ব্যৱস্থাৰ পৰিবৰ্তনৰ কথা উল্লেখ কৰাৰ লগে লগে প্ৰশ্ন উদয় হয় সেই সমাজ ব্যৱস্থাৰ পৰিবৰ্তন কেনেদৰে কৰা হ'ব। অৱশ্যে ছাত্ৰ সমাজে এই সমাজ ব্যৱস্থাৰ পৰিবৰ্তনৰ হকে সমৰ্থন আগবঢ়ালে পৰিবৰ্তন আশা কৰিব পাৰি। কাৰণ, আজিৰ ছাত্ৰ ভৱিষ্যতৰ দেশৰ নাগৰিক। ভাৰতত গণতান্ত্ৰিক মাধ্যমেৰে তেনে পৰিবৰ্তন সম্ভৱ কৰি তোলাৰ খীণ আশা দেখা পোৱা যায় যদিহে ভাৰতৰ ছাত্ৰ সমাজৰ লগতে গোটেই ভাৰতবাসী সম্পূৰ্ণৰূপে শিক্ষিত হয়। নিৰক্ষৰতাই হৈছে গণতান্ত্ৰিক ৰাষ্ট্ৰৰ প্ৰধান প্ৰতিবন্ধকতা স্বৰূপ। বিশেষকৈ ভাৰতবৰ্ষত সমাজ-ব্যৱস্থাৰ পৰিবৰ্তন কৰাৰ বাবে আৱশ্যক একত্ৰিত বা সংঘবদ্ধ হৈ গণতান্ত্ৰি আন্দোলন গঢ় দি তোলা আৰু তেনে আন্দোলনক দেশ বৃহত্তৰ স্বাৰ্থৰ বাবে সুপৰিকল্পিতভাৱে আগবঢ়াই নিয় নিশ্চিতভাৱে, আন্দোলন একমাত্ৰ পন্থা হ'ব নোৱাৰে কিন্তু, আন্দোলন সংগঠিত হৈ সংঘবদ্ধ কৰিব পাৰিলে সমাজ ব্যৱস্থাৰ পৰিবৰ্তনৰ লগতে শাসন ব্যৱস্থাৰে পৰিবৰ্তন হোৱাতো স্বাভাৱিক। কিছুমান ব্যক্তি বিশেষ নীতিক লৈয়ো ছাত্ৰ সমাজে আন্দোলন কৰা দেখা যায় কিন্তু, ভাৰতৰ ছাত্ৰ সমাজে লক্ষ্য কৰিব লাগিব যে চ মুদি কাৰোবাক অনুকৰণ কৰিলে সেয়া এক প্ৰকাৰ গোলামী বুলি ধৰিব পাৰি। সেয়ে, প্ৰত্যেকে নিজ মস্তিষ্কৰে সুস্থভাৱে নিৰীক্ষণ কৰিহে কোনো আদৰ্শ নীতি সমৰ্থন কৰা নতুবা সমৰ্থন নকৰাটো আৱশ্যক ভাৰতৰ ছাত্ৰ সমাজে এইক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া আৱশ্যকতা আছে। সমাজ ব্যৱস্থাৰ পৰিবৰ্তনৰ লগে লগে শাসন ব্যৱস্থাৰো পৰিবৰ্তন আৱশ্যক। ভাৰত ছাত্ৰ সমাজ কিছু পৰিমাণে ভাৰতীয় গণতন্ত্ৰ উপাদানস্বৰূপ ৰাজনীতিত জড়িত হোৱা দেখা যায় ভৱিষ্যতত ইয়াৰ হাৰ বৃদ্ধি হোৱাৰ কথাও নুই কৰি নোৱাৰি। ইবোৰে শিক্ষাৰ সুবিধাকৰণৰ বিপৰীতে শিক্ষা এক সাৰ্বজনীন অধিকাৰ হিচাপে পুনৰ প্ৰতিষ্ঠিত কৰা ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব।

যদিও ভাৰতীয় গণতন্ত্ৰই ছাত্ৰ সমাজৰ ভৱিষ্যত ক্ষেত্ৰত সম্পূৰ্ণ সফল বুলি দাবী কৰিব নোৱাৰে তথাপি কিন্তু এটা কথা স্বীকাৰ কৰিবই লাগিব যে গণত মাজতেই ছাত্ৰ সমাজৰ ভৱিষ্যৎ সফল কৰি তোলাৰ মন্ত্ৰও লুকাই আছে। ইয়াৰ বাবে ভাৰতীয় গণতান্ত্ৰিক ব্যৱস্থ উৎকৰ্ষ সাধন কৰাৰ প্ৰয়োজনীয়তা আছে। কেৱল গণতান্ত্ৰি ব্যৱস্থাৰে শাসক শ্ৰেণীৰ নিৰ্বাচনৰ দায়িত্ব সমাপ্ত নহয় এক সুস্থ, শিক্ষিত সমাজ সৃষ্টি কৰি আৰু তাৰ জৰিয়তে এক সম্ভাৱনাময় চৰকাৰ গঠন কৰিব লাগিব। যিয়ে সমাজ ন্যায়-সমতা প্ৰদান কৰি ব্যক্তি প্ৰতিভা বিকাশত প্ৰকৃতাৰ্থ অৰিহণা যোগাব। ইয়ে হ'ব ভাৰতীয় গণতন্ত্ৰত ছাত্ৰ সমাজ ভৱিষ্যৎ গঢ় দিয়াৰ দৃঢ় ভেটি।

# বাংলা শিক্ষণ পদ্ধতির প্রাসঙ্গিকতা

ঝর্না ভৌমিক

"হে বঙ্গ ভান্ডারে তব বিবিধ রতন তা সবে অবোধ আমি অবহেলা করি।" — মাইকেল মধুসূদন বিরচিত এই কবিতার লাইনগুলো আজও যেন জীবন্ত হয়ে আছে। মাইকেল নিজের প্রথম জীবনে বঙ্গভাষাকে অবহেলা করলেও পরবর্তী জীবনে বঙ্গ ভাষা সাগরে ডুব দিয়ে বঙ্গভাষা সাম্রাজ্যে নিজের স্থান অক্ষুন্ন রেখেছেন।

কিন্তু বাংলা ভাষা আজও অবহেলিত। বাঙালি নিজে বাংলা ভাষা থেকে দূরে। এর কারণ কী? বিজ্ঞ জনের মতে যুগের প্রয়োজনে, বাংলা থেকে ইংরেজী দরকারী, তা এত দরকারী যে ইংরেজির 'mom' বাংলার 'মা' কে গ্রাস করেছে। শুধু-মুখে নয়, লেখাতেও তার ছাপ পড়েছে। 'গুরু' লিখতে গিয়ে 'গরু' লিখছে শিক্ষার্থীরা। এতে দায়ী কে বা কারা? এবং এরফলে ভুক্তভোগী কে বা কারা? আর কেনই বা বাংলার এই দুর্দশা? এতগুলো প্রশ্নের উত্তর দেওয়া হয়তো কঠিন। তবে সহজভাবে বলতে গেলে শুধু এটুকু বলা যায় ভাষার প্রতি অশ্রদ্ধা ও অবহেলা। ভাষা শিক্ষক ভাষার জ্ঞান দেওয়ার জন্য প্রথমে নিজে ভাষার প্রতি শ্রদ্ধাশীল হতে হবে। কারণ একজন শিক্ষক যদি তিনি নিজে ভাষাকে অবহেলা করেন, অশ্রাদ্ধা করেন, তবে শিক্ষার্থীদের মধ্যেও সেই মনোভাবের ছাপ পাওয়া যায়।

আবার শুধুমাত্র শিক্ষককে ভাষার প্রতি শ্রদ্ধা জনালে হবে না। শিক্ষর্থীদের ভাষার প্রতি সচেতন করার জন্য তাঁকে কিছু উপায় বা মাধ্যম অবলম্বন করতে হবে। সেই উপায় বা মাধ্যম অবলম্বন করার জান্য B.Ed course এর প্রদত্ত পদ্ধতিজ্ঞলি খুবই প্রয়োজনীয়। কারণ যদিও শিক্ষক সম্পর্কে বলা হয়েছে যে, — "A teacher is inborn not made." তবুও শিক্ষার্থীদের সার্বিক উন্নতির জন্য এই পদ্ধতিগুলি খুবই কার্যকারী।

মাতৃগর্ভ থেকে ভূমিষ্ঠ হওয়ার পর শিশুর ক্রমবিকাশের সঙ্গে সঙ্গে শিশু যে ভাষা শেখে বা বলে তা হলো তার মাতৃভাষা। এভাষার সাহায্যে তার চিন্তন, মননের প্রকাশ ঘটে। এই মাতৃভাষাই সমাজ জীবনের ভাষা, ব্যক্তি জীবনের ভাষা সৌন্দর্য সৃষ্টির ভাষা। তাই প্রত্যেকটি মানুষের জীবনে মাতৃভাষার গুরুত্ব অপরিসীম। মাইকেল মধুসূদন বলেছেন, "There is nothing like cultivating and enriching our mother tongue ............... our Bengali is very beautiful language it only wants men of genious to polish." মানুষকে 'genious' করার জন্য মাতৃ ভাষা দ্বারা 'polish' প্রয়োজন।

W.M Ryburn— এর ভাষায়, —"The mother tongue is at once a tool, a source of joy and happiness and knowledge, ................ a means of using the highest power that God has given us where we come closest to Him - that is our creative powers." — এই সৃজনীশক্তির পরিপূর্ণতার

জন্য চাই মাতৃভাষা।

ড° সুনীতি কুমার চট্টোপাধ্যয়ের 'বাংলা ভাষা শিক্ষা ও বাংলা ভাষার চর্চা' প্রবন্ধে শিক্ষাক্ষেত্রে মাতৃভাষার প্রয়োজনিয়তা সম্পর্কে বলেছেন, — "সাধারণের পক্ষে জ্ঞান অর্জনের পথ সহজ হইবে, অল্পেই ছেলেদের বুদ্ধি খুলিবে। ................ তাহাদের চিন্তাপ্রণালী মার্জিত হইবে, শিক্ষার আনন্দ তাহারা পাইবে, শিক্ষা তাহারা সম্পূর্ণ রূপে আত্মসাৎ করিতে পারিবে, শিক্ষা সত্য সত্যই তাহাদের মনের খোরাক জোগাইবে।"

এখন প্রশ্ন উঠতে পারে যে, B.Ed course — এ বাংলা শিক্ষণ পদ্ধতির প্রয়োজন আছে কি নেই? কেউ কেউ হয়তো বলবেন আছে, আবার কারো কারো মতে নেই।

একুটু চিন্তা করলে এর সদর্থক উত্তর পাওয়া যাবে। Govt. school গুলোতে যেখানে বাংলা পড়ানো হয় সেখানে এই শিক্ষণ পদ্ধতির প্রয়োজন বর্তমান। শুধু বাংলা কেন অন্য প্রাদেশিক ভাষার ক্ষেত্রেও এই কথা প্রয়োজ্য।

বাংলা সাহিত্যের বিভিন্ন দিক, যেখানে নাটক কবিতা, গল্প, উপন্যাস ইত্যাদি— শিক্ষার্থীদের কী প্রক্রিয়ার মাধ্যমে পড়াতে হবে তার জন্য চাই সঠি বাংলা শিক্ষণ পদ্ধতির প্রয়োগ। শিক্ষর্থীরা যাতে স্প উচারণ, শুদ্ধ বানান, শেখার দক্ষতা এবং কল্পনা শক্তি সঙ্গে সঙ্গে নতুন কিছু সৃষ্টি করতে পারে, তার জন্য চাই, শিক্ষকের সম্পূর্ণ সহযোগিতা। আর শিক্ষক যঁ শুধুমাত্র একটি বা দুটি ক্ষেত্রে দক্ষ থাকেন তবে তিঁ তাঁর সীমাবদ্ধতা শিক্ষার্থীদের ওপর সাধারণত আরো করেন, কিন্তু শিক্ষার্থীদের মধ্যে যদি সেই সীমাবদ্ধতা গন্ডী ছাড়িয়ে অন্যদিকে বেশি ঝোঁক দেখা দেয়,অং শিক্ষার্থীর পক্ষে সেই নির্দিষ্ট দিকটি উন্নতির পথে অন্তরায় হয়ে দাঁড়ায়। তাই ছাত্র ছাত্রীর ইচ্ছা বা তাদে মধ্যে থেকে প্রতিভার সঠিক মূল্যায়ন করার জন্য এ বিশেষ শিক্ষণ পদ্ধতি নেহাতই জরুরী।

পরিশেষে বলতে গেলে এটি বলা যায়, যে, ভা হ'ল মানুষের জীবনের অঙ্গ। তার স্বরূপ যেমনই হো কিন্তু কোনো না কোনো ভাবে তার প্রকাশ ঘটবে ভাষার মধ্যদিয়ে মানুষের মনের ভাবটি ফুটে ওঠে তাই এই ভাবনাকে আরও উন্নত করার জন্য চাই পরি যত্ন ও সাহচার্য আর তা একমাত্র ভাষা শিক্ষণ পদ্ধ দিয়েই সম্ভব। তাই শিক্ষণ পদ্ধতির গুরুত্ব উপেক্ষা করা জো আমাদের নেই।

---

## মহৎ লোকৰ বাণী

- শিক্ষাই হৈছে মুল উপায়, যি মানৱ জীৱনলৈ সুখ শান্তিৰ নিজৰা বোৱাই আনিব পাৰে।

  —এৰিষ্ট'টল

- ধৰ্ম অবিহনে বিজ্ঞান পংগু আৰু বিজ্ঞান অবিহনে ধৰ্ম অন্ধ।

  —আইনষ্টাইন

- তোমালোকে সত্যক জানিবা আৰু সেই সত্যই তোমালোকক মুক্ত কৰিব।

  —বাইবেল

# অসমীয়া ভাষাৰ সংকট আৰু সমাজ ভাষাবৈজ্ঞানিক দৃষ্টিভংগীৰে ভাষা আৰু সমাজৰ সম্পৰ্ক

অলকানন্দা শইকীয়া

ভাষা হৈছে মনৰ ভাৱ প্ৰকাশৰ অন্যতম শ্ৰেষ্ঠ অৱলম্বন। এটা বিস্তৃত দৃষ্টিকোণৰ পৰা ভাষাৰ এটা সংজ্ঞা দিবলৈ হ'লে আমি ভাষা মূলতঃ এক যোগাযোগৰ মাধ্যম বুলি ক'ব পাৰো। স্বৰূপাৰ্থত ভাষা আৰু সমাজৰ সম্বন্ধ অতি নিবিড়। এক কথাত অংগাংগী। ভাষা অবিহনে সমাজ বৰ্তি থাকিব নোৱাৰে। আমাৰ সমাজখনত বিভিন্ন ভাষিত সম্প্ৰদায়ে একেলগে বসবাস কৰি আহিছে। এই বিভিন্ন ভাষিক সম্প্ৰদায়ৰ লোকসকলে যোগাযোগ ৰক্ষাৰ বাবে একোটা সংযোগী ভাষা (Link language) ব্যৱহাৰ কৰে যদিও ঘৰুৱা পৰিৱেশত বা অঞ্চলভেদে উক্ত লোকসকলেই মান্যভাষাৰ (Standard language) ওপৰত প্ৰচলিত বিভিন্ন উপভাষিক ৰূপসমূহৰো ব্যৱহাৰ কৰে। সমাজ এখনত এনেদৰে বৰ্তি থকা বিভিন্ন ভাষিক পৰিস্থিতিক আমি সামাজিক উপভাষাৰ অন্তৰ্গত কৰিব পাৰোঁ। বৰ্তমান সময়ত ভাষাবিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ ভাগ হিচাপে সামাজিক উপভাষাই এক বিশেষ স্থান লাভ কৰিছে। উক্ত পৰিপ্ৰেক্ষিতত সামাজিক উপভাষাক আমি ৩ টা ভাগত ভাগ কৰি অধ্যায়ন কৰিব পাৰো।

(ক) সামাজিক জাতিগত উপভাষা (Social caste dialect)

(খ) সামাজিক শ্ৰেণীগত উপভাষা (social Class Dialect)

(গ) সামাজিক লিংগভিত্তিক উপভাষা (social sex dialect)

আমাৰ সমাজত ধনী-দুখীয়া, বিভিন্ন জাতিৰ তথা বিভিন্ন ব্যৱসায় বা বৃত্তিৰ লগত জড়িত মানুহে বসবাস কৰে। একে ভৌগলিক অঞ্চলত ওচৰা ওচৰিকৈ বাস কৰিলেও সমাজত জাতিভিত্তিক উপভাষাৰ ব্যৱহাৰ হোৱা পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে, কৰ্ণাটকৰ অন্তৰ্গত বাঙ্গালোৰ চহৰৰ ব্ৰাহ্মণ সকলৰ কান্নাড়া ভাষাৰ সৈতে একে চহৰৰ হৰিজনসকলে ব্যৱহাৰ কৰা কান্নাড়া ভাষাৰ মিল পৰিলক্ষিত নহয়। আমাৰ গুৱাহাটী মহানগৰীৰো বিশেষকৈ উজান বজাৰ, খুৰঘুলি আৰু ভৰলুমুখ অঞ্চলত বাস কৰা কৈৱৰ্ত সম্প্ৰদায়ৰ লোকসকলৰ মাজতে একেটা ভাষা ব্যৱহাৰৰ ক্ষেত্ৰত বহুতো পাৰ্থক্য পৰিলক্ষিত হোৱা দেখা যায়।

ঠিক সেইদৰে বিভিন্ন বৃত্তিৰ লগত জড়িত বিভিন্ন শ্ৰেণীৰ লোকৰ ভাষাৰ ব্যৱহাৰৰ ক্ষেত্ৰত একেটা ভাষাৰ ভিন্ ভিন্ ব্যৱহাৰিক ৰূপ পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে, এজন ৰিক্সাচালকৰ ভাষা আৰু এজন ডাঙৰ ব্যৱসায়ী অথবা এজন শিক্ষকৰ ভাষালৈ আঙুলিয়াব পাৰি।

সামাজিক লিংগভিত্তিক উপভাষাৰ পৰিসৰো অতি বিস্তৃত। লিঙ্গভিত্তিক বুলি ক'লে পুৰুষ আৰু মহিলাসকলে ব্যৱহাৰ কৰা ভাষাকে বুজায়। আমাৰ সমাজত নাৰীৰ মৰ্যদা আৰু ভাষা ব্যৱহাৰ বহুক্ষেত্ৰত পুৰুষৰ সৈতে একে নহয়। বৰ্তমান সময়লৈকে ভাষাবিজ্ঞানী পীটাৰ ট্ৰাড্‌জিলে (Peter Trudgill) সমাজ ভাষাবিজ্ঞানৰ ওপৰত সবাতোকৈ বেছি কিতাপ

লিখিছে। তেখেতৰ আমেৰিকাৰ 'নৰউইছ' চহৰত চলা সামাজিক উপভাষাৰ এক সমীক্ষা মতে পুৰুষসকলতকৈ নাৰীয়ে ভাষাব্যৱহাৰ কৰা এক তফাৎৰ উল্লেখ কৰিছে। পুৰুষসকলতকৈ নাৰী ভাষাৰ ব্যৱহাৰত বেছি সৰ্তক। আমাৰ ভাৰতীয় বা অসমীয়া সমাজত আকৌ নাৰী বুলিলে নম্ৰ হ'ব লাগে। নম্ৰতাই নাৰীৰ ভূষণ, ইও ভাষাৰ ব্যৱহাৰত প্ৰভাৱ বিস্তাৰ কৰে। পৃথিৱীৰ বহুতো দেশৰ কেইবাটাও ভাষাত একেটা ভাষাৰে কিছুমান শব্দৰ প্ৰয়োগ নাৰী আৰু পুৰুষভেদে বেলেগ বেলেগ হয়। উদাহৰণ স্বৰূপে আফ্ৰিকাৰ 'জুলু' ভাষাক আঙুলিয়াব পাৰি।

এনেদৰে সমাজৰ অংগস্বৰূপ সকলো লোকে ভাষা একোটাৰ ব্যৱহাৰ কৰা পাৰ্থক্যসমূহে সামাজিক উপভাষাৰ পৰিসৰ বৃদ্ধি কৰিছে।

সাম্প্ৰতিক সময়ত আমি যদি আমাৰ সমাজখনত ব্যৱহাৰ হৈ থকা ভাষাসমূহৰ সমাজ ভাষা বৈজ্ঞানিক দৃষ্টিৰে বিশ্লেষণ কৰো, তেন্তে বহুকেইটা বৈশিষ্ট দেখা পোৱা যায়। আমাৰ মাতৃভাষা অসমীয়া (1st language) যদিও বৰ্তমান সময়ত স্কুল কলেজত ইংৰাজী ভাষাৰ প্ৰদুৰ্ভাৱ বৃদ্ধি পাইছে। সেইহেতুকে ছাত্ৰ-ছাত্ৰীসকলে ঘৰত এটা আৰু স্কুল বা কলেজত অন্য এটা ভাষাৰ ব্যৱহাৰ কৰিছে। এনে বিলাক পৰিস্থিতিক সমাজ ভাষাবিজ্ঞানত দ্বিভাষিক বা বহুভাষিক পৰিস্থিতি ৰূপে অন্তৰ্গত কৰা হয়। এজন ব্যক্তিয়ে দুটা ভাষাৰ ব্যৱহাৰ কৰিলে তেওঁ দ্বিভাষিক আৰু কিছুমান পৰিস্থিতিত বহুভাষিক হোৱা দেখা যায়। সেইকাৰণে বৰ্তমান সময়ত আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ পূৰাকৈ এটা ভাষাতো দক্ষতা নাইকিয়াৰ দৰে হৈ পৰিছে।

উক্ত ভাষিক পৰিস্থিতিত ভাষা ব্যৱহাৰ কৰা পদ্ধতিক Code switching আৰু Code mixing এই দুই ভাগত ভাগ কৰি দেখুৱাব পাৰি।

সাম্প্ৰতিক সময়ত আমাৰ সমাজখনৰ ছাত্ৰ-ছাত্ৰীৰ উপৰিও বহুতো লোকে এটা বাক্য যদি সম্পূৰ্ণ অসমীয়াত কয় পিছৰ এটা বাক্য সম্পূৰ্ণ ইংৰাজীত কোৱা পৰিলক্ষিত হয়। এনে পৰিস্থিতিক 'code switchirg' বুলি অভিহিত কৰা হয়। ব্যক্তিৰ ভাষাৰ ব্যৱহাৰত ভাষা এটাৰ পিছত আন এটা বাক্য যদি বেলেগ ভাষাৰ ব্যৱহাৰ কৰে তেন্তে সি Code switchirg -ৰ অন্তৰ্গত।

Code mixing আমাৰ বৰ্তমান সমাজখনৰ কথনশৈলীৰ এক বিশেষ বৈশিষ্টৰূপে গঢ় লৈ উঠিছে। যদি একেটা বাক্যতে আমি শব্দৰ ব্যৱহাৰত বিভিন্ন ভাষাৰ সহায় লওঁ তেন্তে সি হ'ব আমাৰ Code mixing ৰ অন্তৰ্গত। Code mixing ৰ অন্যতম শ্ৰেষ্ঠ উদাহৰণ হ'ল আমাৰ গুৱাহাটী মহানগৰীৰ FM চেনেলকেইটাৰ আৰ.জে. সকলে ব্যৱহাৰ কৰাৰ ভাষা। আমি বিভিন্ন ধৰণৰ প্ৰভাৱৰদ্বাৰা প্ৰভাৱান্বিত হৈ সংমিশ্ৰিত ভাষাৰ বাক্যৰ ব্যৱহাৰ কৰিবলৈ লৈছো। স্বৰূপাৰ্থত দেখাত এইটো অতি সাধাৰণ আৰু উপকৰা যদিও আমাৰ স্বকীয় বা নিজস্ব ভাষাৰ অস্তিত্ব নিঃচিহ্ন হোৱাৰ পথটো নিচেই ওচৰত যেন বোধ হয়। আমাৰ সমাজত ল'ৰা ছোৱালীয়ে 'ফাইভ টা মেংগ', 'মোৰ নেম অমুক হয়' আদি বাক্যৰ ব্যৱহাৰ কৰাটো একেবাৰে সৰ্বসাধাৰণ কথাত পৰিণত হৈছে। মুঠতে, আমাৰ সমাজত সকলো লোকেই বৰ্তমান সময়ত Code mixing কৰি ভাষাৰ ব্যৱহাৰ কৰিবলৈ লোৱাটো বহুলাংশে পৰিলক্ষিত হৈছে।

ভাষা হৈছে বোঁৱতী নদীৰ দৰেই নিৰবধি। সময়ৰ পৰিৱৰ্তনৰ লগে লগে বা বাঢ়ি যোৱাৰ লগে লগে যেনেদৰে এটা ভাষাৰ শব্দ ভাণ্ডাৰ চহকী হয়, ভাষাটো শক্তিশালী হয়, ঠিক সেইদৰে সময়ৰ সোঁতত ভাষা একোটা জীণো যাব পাৰে। ভাষা ব্যৱহাৰৰ ক্ষেত্ৰত শিক্ষা, বয়স আদিয়েও প্ৰবাৱ বিস্তাৰ কৰে। বহুক্ষেত্ৰত দৃষ্টিভংগীয়েও ভাষা একেটা ব্যৱহাৰ নিয়ন্ত্ৰণত ৰাখে।

যদি আমি সদায় ব্যৱহাৰ কাৰ ভাষাটোৰ প্ৰতি আমাৰ নীচাত্মিকাবোধ থাকে, তেন্তে আমি নিজৰ ভাষাটোতকৈ উচ্চ বুলি ভবা ভাষা একোটা ব্যৱহাৰ কৰি গৌৰৱবোধ কৰো। শিক্ষাইও ভাষাক প্ৰভাৱান্বিত কৰে। এজন অশিক্ষিত লোক আৰু এজন শিক্ষিত লোকৰ ভাষা ব্যৱহাৰ পদ্ধতি একে নহয়। শিক্ষিতজনৰ শব্দৰ ভঁৰালটো চহকী হ'ব আৰু তেওঁ ভাষাটো যিমান পাৰি মান্যকে ব্যৱহাৰ কৰিব তাৰ তুলনাত অশিক্ষিতজন অলপ হ'লেও ব্যতিক্ৰম হ'ব। বয়সেও যে ভাষাক প্ৰভাৱান্বিত কৰে, সেইটো আমাৰ সমাজত বহুলাংশে দেখা পোৱা যায়। বয়স বঢ়াৰ লগে লগে এজন মানুহৰ ভাষা ব্যৱহাৰ পৰিশীলিত হয় আৰু মাতৃভাষাৰ প্ৰতি আকৰ্ষণ বৃদ্ধি পায়। ভাষাবিদসকলে এইটো এটা মনোবৈজ্ঞানিক প্ৰক্ৰিয়া বুলি অভিহিত কৰিছে। সেইসময়ৰ মানসিক স্থিতি কমবয়সৰ মানুহতকৈ যথেষ্ট উচ্চ স্তৰত আৰোহণ কৰে। আৰু এটা কথা ধ্ৰুৱপ যে এটা সময়ত এখন ঠাইত কি ভাষাই অগ্ৰাধিকাৰ লাভ কৰি থাকিব সেইটো সম্পূৰ্ণ নিয়ন্ত্ৰণ কৰে ৰাজনীতিয়ে।

আগতেই উল্লেখ কৰা হৈছে ভাষা এটা কেতিয়াও একেটা ৰূপত বৰ্তি থাকিব নোৱাৰে। কিন্তু আমাৰ অসমীয়া ভাষাটোক কিমান আমি মৌলিকতাত ৰাখিব পাৰো সেইটো দায়িত্ব আমাৰ। আমাৰ সমাজখনত যে ভাষাৰ ব্যৱহাৰ বিভিন্ন স্তৰত বিভিন্ন পৰিস্থিতিত হয়, সেয়া ওপৰৰ আলোচনাত সামান্য আভাস দিবৰ প্ৰয়ত্ন কৰা হ'ল। কিন্তু ভাষাৰ কিছুমান বাৰেবিংকৰা ব্যৱহাৰে আমাৰ জাতীয় অস্তিত্ব বিপন্ন কৰিব পাৰে। পৃথিৱীৰ সেইকেইখন দেশ আৰু সেইকেইটা জাতিয়ে উচ্চস্তৰত আছে যি নিজৰ ভাষাটোক সমান কৰিব জানে আৰু নিজৰ খাদ্যাভাস কোনো কাৰণতে সলনি নকৰে। আমি সকলোৱে নিজৰ মূল চিনা উচিত। পাবত গজা একো বস্তুৰে অস্তিত্ব নাথাকে। আৰু যিয়েই নহওক এজোপা পুলিয়ে পোখাই বাঢ়ি যোৱা সেউজীয়া বটবৃক্ষতকৈ পৰজীৱি আকাশীলতা কেতিয়াও শ্ৰেষ্ঠ নহয়। আমাৰ সমাজত ভাষাৰ সুন্দৰ আৰু পৰিশীলিত ব্যৱহাৰে আমাৰ সংকটজনক অৱস্থাত থকা অসমীয়া ভাষাটোক আমি অমৰ কৰি তুলিব পাৰো। নহ'লে মূলবিহীন হৈ ভৱিষ্যত প্ৰজন্মই আমাক ধিক্কাৰ নিদিবনে বাৰু?

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

(ক) Trudgill, Peter. *Sociolinguistics, Amn introduction to language and Societiy.* Penguin. Fourth Edition, 2000. Print

খ) Romaine, Suzanne. *Language in Society.* Oxford University Press, First Edition, 1994. Print.

গ) পাদুন, নাহেন্দ্ৰ (সম্পাদিত)। *ভাষাৰ তত্ত্ব-কথা*। গুৱাহাটী ঃ বাণী মন্দিৰ, দ্বিতীয় সংস্কৰণ, ২০০৪। প্ৰকাশিত।

ঘ) মৰল, দীপংকৰ। *উপভাষা বিজ্ঞান*। গুৱাহাটী ঃ বনলতা, ততৃতীয় সংস্কৰণ, নবেম্বৰ, ২০০৭। প্ৰকাশিত।

ঙ) দুৱৰা, সপোন। *ভাষা আৰু সমাজ*। গুৱাহাটী ঃ ষ্টুডেন্টচ ষ্ট'ৰচ, প্ৰথম প্ৰকাশ আগষ্ট, ২০০২। প্ৰকাশিত।

চ) পাঠক, ৰমেশ। *উপভাষা-বিজ্ঞানৰ ভূমিকা*। গুৱাহাটী ঃ অশোক বুক ষ্টল, দ্বিতীয় প্ৰকাশ ২০১১। প্ৰকাশিত।

# উন্নয়ন সম্পৰ্কীয় কিছু কথা...

হিৰণ্য দুৱৰা

উন্নয়ন বুলিলে কি বুজা যায়? সাধাৰণ অৰ্থত উন্নয়ন বুলি ক'লে আমি অৰ্থনৈতিক দিশত বিকাশ হোৱাকে বুজো যদিও ইয়াৰ ব্যাপক অৰ্থ সমাজবিজ্ঞানত পৰিলক্ষিত হয়। সাম্প্ৰতিক সময়ত উন্নয়নে সমাজ বিজ্ঞানৰ অধ্যয়নত এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। সমগ্ৰ মানৱ সমাজে দৈনন্দিন জীৱনত বহুতো সমস্যাৰ সন্মুখিন হয়। গতিকে এই নানা ধৰণৰ সমস্যা সমূহ দূৰীকৰণৰ বাবে চলোৱা প্ৰচেষ্টাই হ'ল উন্নয়ন বা বিকাশ। অৰ্থাৎ উন্নয়ন হৈছে এনে এক প্ৰক্ৰিয়া যি প্ৰক্ৰিয়াত এখন সমাজ, একোটা অনুষ্ঠান বা এক সামাজিক পদ্ধতিয়ে এনে এক দিশলৈ পৰিৱৰ্তিত হয় য'ত কোনো ব্যক্তি বা সমষ্টিয়ে পূৰ্বৰ অৱস্থানতকৈ অধিক সন্তোষেৰে নিজৰ প্ৰয়োজন আৰু আকাংক্ষা সমূহ পূৰণ কৰাৰ সুযোগ লাভ কৰে।

উন্নয়ন এক বহুদিশ সম্পন্ন ধাৰণা। উন্নয়ন কেৱল অৰ্থনৈতিক দিশতেই জড়িত নহয়। অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক আদি সকলো দিশতে উন্নয়ন প্ৰক্ৰিয়া জড়িত হৈ থাকে। সমাজৰ এই সকলোবোৰ দিশৰ প্ৰগতি হ'লেহে সামগ্ৰিক উন্নয়ন সম্ভৱ হয়। গতিকে উন্নয়ন হ'বৰ বাবে অৰ্থনৈতিক দিশৰ লগতে ৰাজনৈতিক স্থায়িত্বও এক গুৰুত্বপূৰ্ণ আহিলা। সমাজ ব্যৱস্থাত ৰাজনৈতিক ক্ষেত্ৰত নানা অশান্তি আৰু বিশৃংখলতাৰ সৃষ্টি হ'লে উন্নয়ন সম্ভৱ নহ'ব। দেশৰ উন্নয়ন শান্তিৰ পৰিৱেশতহে সম্ভৱ। ইয়াৰ উপৰিও উন্নয়নৰ লগত প্ৰযুক্তি বিদ্যাও ওতঃপ্ৰোত ভাৱে জড়িত হৈ থাকে। যি বিলাক দেশ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাত উন্নত সেই দেশতহে উন্নয়ন অধিক সম্ভৱ হয়। কিয়নো উন্নয়ন এক গতিশীল ধাৰণা। সময় আৰু পৰিস্থিতি সাপেক্ষে উন্নয়নে ক্ৰমাগত ভাৱে আগবাঢ়ি থাকে। প্ৰযুক্তিবিদ্যাই মানৱ জীৱনত যথেষ্ট প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে।

উন্নয়নে এফালে মানৱ জীৱনৰ মানদণ্ড উন্নত কৰে আৰু আনফালে সমাজ আৰু পৰিৱেশৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলায়। বৰ্তমান মানৱ সমাজ পৰিৱেশ প্ৰদূষণৰ সমস্যাৰ কবলত পৰিছে। ভাৰতবৰ্ষ দৰে তৃতীয় বিশ্বৰ দেশসমূহে নিজৰ পৰিৱেশ আৰু সংস্কৃতিৰ ওপৰত ভিত্তি কৰি উন্নয়নৰ আঁচনি গ্ৰহণ কৰাত ব্যৰ্থ হৈছে। এনেবোৰ বহুতো দেশে উন্নত দেশৰ উন্নয়নৰ আৰ্হিক গ্ৰহণ কৰিবলৈ গৈ সমস্যাতহে পৰিছে। তাৰোপৰি এই তৃতীয় বিশ্বৰ দেশবিলাকে প্ৰযুক্তি গ্ৰহণ কৰিবলৈ গৈ চৰ্ত সাপেক্ষে উন্নত দেশৰ পৰা ধন লবলগীয়া হৈছে। ফলত তৃতীয় বিশ্বৰ দেশবিলাকৰ উন্নয়নত বাধাৰ সৃষ্টি হৈছে।

আগৰ দিনত সাধাৰণ অৰ্থত উন্নয়ন মানে অৰ্থনৈতিক দিশৰ প্ৰগতি হোৱাক বুজোৱা হৈছিল যদিও কিন্তু সময় পৰিৱৰ্তন হোৱাৰ লগে লগে উন্নয়নৰ ধাৰণাটোক জনসাধাৰণে বিভিন্ন দৃষ্টিকোণৰ পৰা বিচাৰ কৰিহে গ্ৰহণ কৰিছে। বিশেষকৈ পঞ্চাছ-ষাঠি দশকত ভাৰতবৰ্ষৰ দৰে দেশে নদীবান্ধৰ জৰিয়তে আহৰণ কৰা বিদ্যুৎ শক্তিৰে উদ্যোগীকৰণ, কৃষিখণ্ডৰ উন্নয়ন আদিৰ কল্পনা কৰিছিল। স্বাধীন ভাৰতবৰ্ষৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহেৰুৱে এসময়ত 'বৃহৎ নদীবান্ধ স্বাধীন ভাৰতৰ মন্দিৰ' বুলি অভিহিত কৰিছিল। কিন্তু নৰ্মদা নদীৰ ওপৰত নিৰ্মাণ কৰিবলগীয়া বান্ধৰ বিৰুদ্ধে যি প্ৰতিবাদৰ সৃষ্টি হৈছিল সেই কথাৰ পৰা বুজা গ'ল যে জনসাধাৰণে তেনে উন্নয়ন নিবিচাৰে। কিয়নো এনে উন্নয়ন অৰ্থাৎ সেই নদীবান্ধ নিৰ্মাণ কৰিবলৈ লওঁতে বহুতো মানুহৰ জীৱন আৰু জীৱিকালৈ ভাবুকিৰ সৃষ্টি কৰিছিল। অকল ইমানেই নহয়, নদীবান্ধ নিৰ্মানৰ বাবে বহুতো মানুহক স্থানান্তৰিত কৰা হৈছিল। এই স্থানান্তৰিত মানুহবিলাকে জীয়াই থাকিবৰ বাবে অৰণ্য বা বনাঞ্চল ধ্বংস কৰি বাসস্থান পাতি লোৱাৰ স্থল আছিল। এনেদৰেও উন্নয়নৰ প্ৰক্ৰিয়াই পৰিৱেশ বিনষ্ট কৰিছে।

বৰ্তমান সময়ত উদ্যোগীকৰণ আৰু নগৰীকৰণে মানৱ জীৱনৰ উন্নয়নত যে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে সেইটো নিশ্চিত। কিন্তু এই বৃহৎ বৃহৎ উদ্যোগ তথা কল-কাৰখানা সমূহৰ পৰা নিৰ্গত হোৱা ধোঁৱা, বিপদজনক বাস্প, ৰাসায়নিক পদাৰ্থ বা অত্যাধিক শব্দই পৰিৱেশ বিনষ্ট কৰিছে। গতিকে এই দৃষ্টিকোণৰ পৰাও উন্নয়ন প্ৰক্ৰিয়াই পৰিৱেশ বিনষ্ট কৰাটো পৰিলক্ষিত হৈছে। উন্নয়নে যেনেদৰে মানৱ সভ্যতাক প্ৰগতিৰ বাট দেখুৱায় তেনেদৰে আন দিশে ভৱিষ্যত প্ৰজন্মৰ বাবে শংকাৰ ও সৃষ্টি কৰিছে। কাৰণ উন্নয়নৰ নামত প্ৰাকৃতিক সম্পদৰ অবাধ লুণ্ঠন আৰু শোষণ চলি আছে। সেয়েহে উন্নয়নৰ বাবে 'বহনক্ষম উন্নয়ন'ক (sustainable Development) গুৰুত্ব দিয়া উচিত। এই বহনক্ষম উন্নয়ন কি? বহনক্ষম উন্নয়ন হৈছে সেই ধৰণৰ উন্নয়ন যি বৰ্তমান প্ৰজন্মৰ চাহিদা পূৰণ কৰিবৰ বাবে ভৱিষ্যত প্ৰজন্মক ক্ষতিসাধন নকৰে আৰু এই ধৰণৰ উন্নয়ন পৰিৱেশ ৰক্ষাৰ সহায়ক হ'ব। অৰ্থাৎ বহনক্ষম উন্নয়নে উন্নয়নৰ প্ৰয়োজন সমূহ আৰু পাৰিপাৰ্শ্বিক দিশৰ পৰা ইয়াৰ প্ৰভাৱ সমূহৰ মাজত এক ভাৰসাম্য ৰক্ষা কৰাৰ চেষ্টা কৰে। গতিকে বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত দুটা ধাৰণাৰ ওপৰত আলোচনা কৰা উচিত। সেয়া প্ৰয়োজনীয়তা আৰু সীমাবদ্ধতা; প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত বিশ্বৰ দৰিদ্ৰ শ্ৰেণীটোৰ ওপৰত অধিক গুৰুত্ব দিয়া উচিত। তৃতীয় বিশ্বৰ অনুন্নত আৰু উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ মূল সমস্যা হ'ল দৰিদ্ৰতা। এই দৰিদ্ৰতাও পাৰিপাৰ্শ্বিকতা অৱক্ষয় হোৱাৰ অন্যতম কাৰণ। সেয়ে দৰিদ্ৰতা দূৰ কৰিবৰ বাবে বিভিন্ন আঁচনি ৰূপায়ন কৰা সম্ভৱ। দ্বিতীয়তে সীমাবদ্ধতা। আমাৰ বৰ্তমানৰ আৰু ভৱিষ্যতৰ প্ৰয়োজন সমূহ পূৰাবৰ বাবে বিশ্বখনৰ সম্পদ সীমাবদ্ধ। সেয়ে মানৱ সমাজৰ প্ৰত্যেক ব্যক্তিয়ে এইটো বিষয়ৰ ওপৰত গুৰুত্ব দিব লাগিব যাতে সম্পদৰ অপব্যৱহাৰ নহয়। গতিকে উন্নয়ন কৰোতে প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দি সম্পদৰ ব্যৱহাৰ হোৱাটো উচিত। অন্যথা ভৱিষ্যত প্ৰজন্মলৈ বহুতো প্ৰত্যাহ্বান সৃষ্টি হোৱাটো নিশ্চিত। গতিকে উন্নয়নৰ ক্ষেত্ৰত বহনক্ষম উন্নয়নক গুৰুত্ব দিয়াটো একান্তই প্ৰয়োজনীয়।

# SANSKRIT INSCRIPTIONS IN US, PERU CAVES

Collected by
**Dr.M.Barthakur**
President of W.G.C.E

The news was published in the sentinel, 24 September 1997 .This information was found to be very interesting ,because the matter was narrated to me by ,no loss then eminent profess. Late Satyendre Sarma as early as 1970 ,when I was searching some ancient scriptures at his residence .This proves that ancient Indian scholars were very much advanced in literature and culture compared to the Greeks or mid-West.

A German linguist claim that his study of ancient inscriptions discovered in caves in Peru and the US show that they are similar to ancient Sanskrit, Suggesting that seafarers from India may have reached the Americas long before anyone else.

Mr. Kurt Schliemann , a former German government employee who has been dabbling in linguistics for over 30 years, found the similarity ,after deciphering script of the Indus Valley civilization .He claims that Indus Valley script is based on Sanskrit and not a Dravidian language ,as propagated by some Russian and Finnish linguists and historians.

Mr Schildmann said the study of Sanskrit was his "great passion "Now 88 and living in Heiderhof ,a suburb of Bonn , the linguist claimed he had deciphered the Indus Valley script

Two months ago while doing " epigraphic research" of the Crespi Collection Cuenca peru, Mr Schildmann discovered that Sanskrit had been used in inscriptions found in peru and in the Burrows cave in Southern Illinois, U.S .The burrows cave was accidentally discovered by Russel Burrows ,a retired colonel of the US armed forces, on April 2.1982.

Mr. Schildmann said that he noticed the similarity between the language of the inscription in peru deciphered and the Burrows Cave after having the inscription at Indus Valley.

Mr. Schildmann also deciphered a tablet found in the Burrows Cave, in which he said many details depicted the "Wisdom of the Indus culture". He said he was struck by the drawing of an elephant on top of a pyramid" with three lines of legend below .

"I started from the copper tablets with animal pictures and legends and the so –called pictorial bilinguals since the name of the animal depicted formed part of the legend," Mr. Schildmann told India Abroad News service. "The names deciphered proved to be Sanskrit, not Dravidian" he said.

অচিনাকী অজান পুৰা

বাঁহীত সুৰ নিদিবি অ' গৰখীয়া ল'ৰা
প্ৰেমহীনতাত ডুব যায় য'ত
অস্তাচলৰ অভিমানী বেলি
সাৰপাই মাজনিশা মুখাপিন্ধা মানুহে
জী উঠে বন্যতা আৰু
সকলো হয় পন্য

তইনো কি বিচাৰি আহিছ ইয়ালৈ
যাগৈ
যাগৈ গুচি
সেমেকা শীতৰ জুহালৰ কাষলৈ
য'ত
কুঁহিপাতত সুৰ অঁকা আছে
নিগৰি নিগৰি আহে
নিজান দুপৰীয়া....।





## ক্লাছমেট

শ্ৰীবনজিত শৰ্ম্মা

সৌজাক যুৱক যুৱতী
শান্ত তেওঁলোকৰ নেচাৰ
তেওঁলোকৰ চকুত ভাহি উঠে
এটি উজ্জ্বল ফিউচাৰ।
সিহঁতৰ মাজৰে কিছুমান
ভীষণ চিৰিয়াছ
যাৰবাবে তেওঁলোক হয়
বৰ বেছি কমপ্লেক্স।
কিছুমান যুৱতীৰ অৱশ্যে
আছে স্মাইলিং ফেচ,
এয়াই আঘাত কৰে
ল'ৰাবোৰৰ চেষ্ট।
কৰ্তব্যৰ প্ৰতি তেওঁলোক
অত্যন্ত এলাৰ্ট,
তাৰবাবে তেওঁলোক হয়
একোজন জিনিয়াছ।
এয়াকি তেওঁলোকৰ গন্তব্যস্থান
দেখোন মোৰেই কলেজ
তাৰমানে তেওঁলোক
মোৰেই ক্লাছমেট।

## জাগি উঠা মা

ৰুবী চৌধুৰী

হে মা বসুন্ধৰা
তুমি উঠা
চকু পাহি খোলা,
দেখা তোমাৰ সন্তানক
তোমাৰেই বুকুত পৰি আছে
মৰাশ হৈ
অচেতন আৰু অজ্ঞান হৈ
ক'ত গ'ল তোমাৰ মমতা
ক'ত গ'ল তোমাৰ কৰুণা
তোমাৰ সন্তানে আজি
মাৰিলে তোমাৰেই সন্তানক
তুমিতো কৰুণাময়
তুমিতো নিয়াত
ন্যায় কৰা
তোমাৰ সন্তানে আজি
বলি দিছে তোমাৰেই সন্তানক
মা তোমাৰ বুকু কপি নুঠেনে?
হে মা তুমি পৰ্দাপন কৰা
দুৰ্গা হৈ, কালি হৈ
উদ্ধাৰ কৰা সন্তানক
নষ্ট কৰি দিয়া
অহংকাৰ, হিংসা আৰু দ্বেষ
আনি দিয়া প্ৰেমৰ শুৱনি বতৰা
যাতে, তোমাৰ সন্তানে আজি
তেজৰ ৰং নেখেলি
প্ৰেমৰ ৰঙত মিলি যায়।



# ভালোবাসা

*অনিতা রায়*



ভালোবাসা মানে মরিচীকা,
যাকে ভালোবাসবে; তার কাছে অনেক আশা।
তাই মাঝে-মাঝে হবে হতাশা।
তখন ভালোবাসা হবে, ভালোবাসা।
সূর্য ওঠার পূর্ব মুহূর্তের ঝলমলে আলো ভালোবাসা।
সূর্যাস্ত হ'ল; ভালোবাসার পরিণতি।
ভালোবাসা জন বিশেষে এক এক গতি;
কৈশোরে পাকে বাদাম খাওয়া।
যৌবনে দেহের উষ্ণতা; এই ভালোবাসা।
এখনও, আছে কি প্রকৃত ভালবাসা?
চাওয়া আর পাওয়া;
ব্যস্ত জীবনে দায়বদ্ধতা এরই নাম কি ভালোবাসা?



# হৃদয়ের আকুতি

*দেবজ্যোতি রায়*

ঘুমিয়ে আছি আমি তোমার স্বপ্ন প্রতীক্ষায়।
স্বপ্ন ভাবের বেদনা তুমি দিওনা আমায়,
আমার হৃদয় মাঝে, তোমার শূন্য আসনখানি,
পূর্ণ করে ফেল; তুমি আজি এখনই।
স্বার্থ হৃদয় সাগরে ডুব দিয়ে বাঁচিবারে চায়,
আমার হৃদয় মন্দিরে শুধু তোমারই উপাসনা,
দেবীরূপী নারী হয়ে মেটাও এ জীবন বাসনা।



## অভিশপ্ত দিন

*পুলক দেবনাথ*

ভুলতে পারি না আজও
সেই অভিশপ্ত দিনটির কথা।
যা আমায় আজও কাঁদায়,
আজাও ভাবিয়ে তোলে,
আমি ভাগ করতে পারি না
সেই দিনটি কারো সাথে
একলা ঘরে বুক ফাঁটে
এখনও নিজের অজান্তে।
যা গাঁথা আছে মনের খাতায়।
লেখা আছে ডায়েরির পাতায়।
চার দেয়ালের মাঝে
প্রতিটি ইটের পরতে
শুধু জানবে না তুমি।
অনন্ত ভবিষ্যতে আঁধার ঘরে
রাতের প্রহর কেটে যাবে,
চোখে আসবে না ঘুম
মনে থাকবে এক অজানা ভয়,
শুধু দুশ্চিন্তার ঘুণ পোকা
খুঁড়ে খুঁড়ে দংশন করবে আমায়।

## শীতের সকাল

**জিয়াউর হোসেন**

মিস্টি সকাল ঠান্ডা হাওয়া,
কুয়াশার আবার আসা-যাওয়া।
পাখিদের ওই মিস্টি গান,
ফুলের মতো দোলায় প্রাণ।
মধুর-সকাল নরম আলো,
রৌদ্রে দাঁড়াতে লাগছে ভালো।
নদীর বুকে বইছে হাওয়া,
তাই-তো সেথা যায় না যাওয়া।
শ্যামা মেয়েটি কুড়াল নিয়ে,
কাটছে খড়ি আপন মনে।
নগ্ন-প্রায় ঐ পাগলা বিষু,
উদাস মনে গাইছে কিছু।
পাশের বাড়ির মিস্টি খুকি,
মায়ের কোলে আছে চুপি।
হাড় কাঁপানো এমন শীতে,
গোয়ালা যায় দুধ আনতে।
পাড়ার মাথার ঐ বুড়োটি,
যাচ্ছে কাজে কষে নেংটি।
তাই তো বলি শীতের সকাল,
সবার কাছে ভিন্ন প্রকার।



# রাত্রি

রনজিৎ পাল



রাত্রি তুমি নিস্তব্ধ, নিশ্চল, নিঝুম
তোমার নিস্তব্ধতার মাঝে লুকিয়ে
আছে কারো প্রেমের আনন্দ
কারো আছে বিরহের বেদনা
তুমি নিরব পাথরের মতো,
মাঝে মাঝে জোনাকির আলোয়
তুমি যেন কুচ্ছিত ছলনাময়ী
কোন নারী,
যে শুধু নিস্তব্ধতার আঙ্গীনায়
নিজের অপরূপ সৌন্দর্যকে
আড়ালে রেখেছে।
রাত্রি তুমি অচল, অসীম, অপরূপ
তোমার মধ্যেই আমি
আমার প্রিয়ার কথা ভাবতে পারি।
রাত্রি তুমি নিষ্ঠুর নির্দয়
শুধু বেদনা দিতে জানো
তোমার অন্ধকার মূর্তিও
কী ভয়ানক।
রাত্রি তুমি আশার আলো
তুমিইতো রঙিন স্বপ্ন দেখাও
বাস্তবের আকাঙ্খা স্বপ্নে মেটাও
রাত্রি তুমি খুব সুন্দর।



# অগ্রগামী বর্তমান

সমীর শর্মা

বর্তমান মনে হচ্ছে যেন
অতীতের অভিশাপে অভিশপ্ত।
ভবিষ্যতও ঠিক তেমনি
নিজের ঠিকানা হারিয়েছে।
শুধু চলছে এই অজানা পথে
অজানা লোকেদের সঙ্গে, অজানা
ঠিকানায়।
অজানা ভবিষ্যৎকে সঙ্গে নিয়ে
জানা অতীতকে ভুলে যাচ্ছে।
সব নতুনকে আগলে ধরে
পুরোনোকে করে তুলছে ধুলিসাৎ।
পুরোনোকে তারা ফেলে রেখেছে পেছনে
নতুনকেও ঠিকমতো গ্রহণ করছে না।
ভবিষ্যৎ রয়েই গেছে অজানা
অতীতকেও তৈরি করছে অজানা রূপে।
ভবিষ্যতের অজানা পথে
অতীত হয়ে যাচ্ছে আরো ঘৃণিত।
শুধু বর্তমানকে ঢাল বানিয়ে
অজানা ভবিষ্যতের দিকে এগিয়ে
যাওয়াই সঠিক উপায়।

# বক্তব্য

*শুভেন্দু মজুমদার*

মাগো আমি মানুষ হতে চাই
লোকে বলে মানুষ হ'লে গরীব হতে নাই।
মাগো যদি সত্যি হবে তাই
লালন ফকির তবে কি মা,
মানুষ হয় নাই?
বেকার ছেলে গ্যালিলিও-
বানিয়েছিলেন টেলিস্কোপ।
অমনি ছিলেন শরৎ চন্দ্র
রমরমিয়ে চলছে তারই বায়োস্কোপ।
পেয়ে গেছি আজ মানুষ হওয়ার পথ্য,
উপার্জন করতে হবে অনেক অর্থ।
চেয়েছিলাম দীন দরিদ্রের বক্তা হতে,
রুদ্ধ সে দ্বার বাস্তবের প্রেক্ষাপটে।
তাইতো মা আজ শিক্ষক শিক্ষণে।
তবু যদি না পারি হতে,
দেবে না মা ঠাঁই তোমার কোলে।



# পৃথিবী

মিঠুন আচার্য্য

তোমার পরশে হিয়া ভরে ওঠে
তোমার কোলে শিশু জন্মে বড় হয়ে ওঠে।
একবিংশ শতকেও আমরা তোমায় ভুলতে পারিনি।
যদিও তোমার কোল শূন্য করে ভরে দিয়েছি
মস্ত সব দালান বাড়ি আর কারখানায়,
এসব দেখেও তুমি রয়েছ নীরবে
সব দুঃখ, কষ্ট ভুলে।
তবু তুমি রয়েছ আমাদের আপন করে।
স্নেহভরা মায়ের আদর দিয়ে,
যেন আমাদের মাতৃসম।

# PLIGHT OF A LITTLE GIRL

Rupali Dutta

I heard a sweet voice.
And peeped out through the window.
A small girl who was shabbily dressed,
Was singing and begging for alms stretching out her little palm?
At the doorstop of every house.
She cried for aid.
But no kindly person came in view.
And this was nit new.
It seemed all her hopes have died.
And there was no one to stand by her side
There was sadness in her face.
As she was unwelcome in every place.
Alone, all alone,
She walked the road of life,
Wiping her eyes glistening with tears.
In this cruel world of ours.
Shedding away all her fears.



# Desire

*Faiza Ahmed*

I desire of a world
Where love will bless the earth
And its path adorn with pace
I desire of a world
Where greed will no longer sap our soul
Where black or white
Whatever race we be
Will share the bounties of the earth
And every man is free
I long for a world
Which will make my life?
On earth meaningful
Oh, I Desire for such a world





# EDUCATION

*Manisha Paul*

Even before the evolution of human,
I was there ,but in a den.
Developments were going on day by day.
Everything was enriching me, in a new way
Unknown to the universe ,unknown to you.
Some people unfold me and arranged me in a
lean able queue.
Can you recognize me?
I am always with thee.
Amongst you, I am always there
You can find me near and anywhere.
Today, I am very needful.
Anyone without me, is a fool.
I am in you, I am with you.
To me everyone due.
Of course ,I am always near.
But you have to try hard to get me dear.
No one is complete without my ditty
Proper research on me, can make you celebrity.
Friends, can you find me.
Where am I Hidden?
Just join the first word of 1, 3.........lines
I will be open.
Still, not getting dear
Another clue is here
I am the main pillar of a nation.
You can find me in every fashion.
Do you need more elaboration?
Dear Friends,
I am 'EDUCATION'

# Music

*Yetika Jain*

Melodious music of any kind
Has always fascinated mankind.
Be it the tabla ,veena or sitar,
Or the violin ,flute or guitar,
Music soothes and cools one's mind
It is medicine of a unique kind.
When there is music,
Nothing more is needed,
In wining our hearts,
Music has always succeeded.



## Be A Gem Collector

Priya.Daimari

I love collecting and reading quotes because they challenge inspire, encourage and teach me .Why not start a quote collection yourself and allow the words of others others to complement your life.? Here's one of my favorite gems by Ralph Wal Do Emerson

How do you measure success?
To laugh often and much;
To win the respect of intelligent people
And the affection of children;
To earn the appreciation of honest critics
And endure the betrayal of false funds;
To appreciate beauty;
To find the best in others;
To leave the world a bit better
Whether by a healthy child,
a redeemed social condition,
or a job well done ;
To know even one other life has breathed
Because you have lived.
This is to have succeeded.

## About Money

Saheli Sangupta.

Money can buy food, but not appetite.
Money can buy amusement,
But not happiness.
Money can buy machine,
But not salvation.
Money can buy cosmetics,
But not beauty.
Money can buy house,
But not home.

## JOKES

Collected by Jasmine Lakra

1) (Peter was dancing at his math's test)
Girl: "Why are you Dancing?"
Peter: "Teacher said that I will get marks for each step".
2) Customer: "Waiter ! Waiter!
"There's fly in my soup."
Waiter: Do not worry, Sir, the spider in your salad will get it.!"
3) Two thieves were robbing an apartment.
First thief: "I hear the owner coming! Quick, jump out the window!"
Second thief: "Are you crazy? We are on the fifteenth floor!"
First thief: This is not the time to be superstitious"!
4) Store Owner: "This computer will reduce you work load by 50%
Customer: "Great ! Give me two!"



# পপীয়া তৰাৰ সাধু



অসীম চুতীয়া

তৰা এটা খহি পৰিল। কোনখিনিত পৰিল ধৰিব পৰাৰ আগতেই ক্ৰমশঃ সৰু হৈ হৈ ক'ৰবাত হেৰাই থাকিল। অথচ স্খলিত হোৱাৰ আগলৈকে সেইটোও আছিল এটা জীৱিত তৰা। অন্য তৰোবোৰৰ দৰেই দিনত লুকাইছিল। ৰাতি তিৰবিৰাইছিল।

..বহল আকাশলৈ চাই হুমুনিয়াহ এৰিলে ধৰ্মই। এৰা! জীৱনটোও ঠিক এনেকুৱাই। তৰাবোৰৰ দৰে। কেতিয়া কোনটো তৰা খহি পৰে কোনেও ক'ব নোৱাৰে। নিজৰ জীৱনটোৰ কথা ভাবিলে আচৰিত লাগে ধৰ্মৰ..।

সেই নাহৰ পথাৰত হেম্বেলিয়াই হেম্বেলিয়াই হেৰুৱা দামুৰি বিচাৰি ফুৰা ধৰ্ম। শিমলু ফুলাৰ বতৰত গুম্‌ৰাগৰ নিচাত মতলীয়া যৌৱনৰ সেই ধৰ্ম। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দুবছৰীয়া শিক্ষা জীৱন আৰু নৰ্থ বেংক মহাবিদ্যালয়ৰ অধ্যাপক ড° ধৰ্মকান্ত পেগু আৰু আজি দুৰাৰোগ্য ব্যাধি ভেল্লুৰ অত্যাধুনিক চিকিৎসালয়ত চিকিৎসাধীন ধৰ্মৰ বাবে নিজৰ জীৱনটোৱেই যেন এক প্ৰহেলিকা। বহল আকাশৰ পৰা লাহেকৈ দৃষ্টি ঘূৰাই আনিলে ধৰ্মই। আকাশলৈ বৰ বেছিকৈ চাই থাকিব নোৱাৰে আজিকালি। আজলী মাকজনীলৈ চেৰেং চেৰেংকৈ মনত পৰে।

গৰমৰ ৰাতি মাকে সাধু কৈছিল — 'য়াবকুৰ' (মিচিং মানুহে ঘৰৰ পিছফালে সজোৱা চাং)-ৰ সেই সোণালী ৰাতিবোৰ আজিও তাৰ বাবে এক মিঠা নষ্টালজিয়া।

"তৰাবোৰ একো একোটা আত্মা। মৃত্যুৰ পাছত আত্মাবোৰে তৰা হৈ আকাশত জিলিকি থাকে।" এয়া মাকে কোৱা কথা। মাকে আৰু কৈছিল— "সেই যে

খহি পৰিল তৰাটো দেখিছ। সেইবোৰ পাপাত্মা। বেয়া আত্মাবোৰে আকাশত স্থান নাপাই খহি পৰে। তাৰ তন্দ্ৰালু দেহাটো বুকুত সাৱটি মাকে কৈছিল— 'অজানিতে হাত কাটি তেজ ওলালেও, দ্বন্দ্ব-খৰিয়ালত তেজ ওলাব নাপায়। 'দবুৰ' কৰি পৰাচিত হ'ব লাগিব। দুখীয়া হোৱাটো পাপ নহয়। কিন্তু আনৰ সুখ কাঢ়ি খোৱাটো পাপ। কেতিয়াও আনৰ অন্যায় নকৰিবা সোণ।"

ধৰ্মৰ চকু দুটা অজানিতে সেমেকি উঠিল। সেই আকাশৰ তৰাৰ সাধু কোৱা তাৰ আজলী মাকজনী, পাপ আৰু পুণ্যৰ পবিত্ৰ জ্ঞানৰ ভাণ্ডাৰ তাৰ মৰমী আইজনী এদিন নিজেই আকাশৰ তৰা হৈ গ'ল...

সামান্য পেটৰ বিষতে মাকজনীয়ে তাক এৰি থৈ গ'ল। স্তব্ধ হৈ গৈছিল সি। সকলোতে এন্ধাৰ দেখিবলৈ লৈছিল। ধৰ্মই পাছত গম পাইছিল— আচলতে মাকৰ গেষ্ট্ৰিক হৈছিল। তাক পেট পুৰাই খাবলৈ দি সদায় আধা পেটিকৈ থাকিছিল মাক। উদৰত বৰ বেয়াকৈ গোপনে শিপাবলৈ লৈছিল টেঙেচীয়া ৰোগটো। আৰু এনেকৈয়ে হঠাতে এদিন তাৰ একমাত্ৰ সম্বলটিও সি ঢুকি নোপোৱা উচ্চতালৈ আঁতৰি গৈছিল। আকাশলৈ।

...সৰুৰে পৰাই পঢ়াত তীক্ষ্ণ আছিল ধৰ্ম। স্কুলত দ্বিতীয় হোৱা তাৰ মনত নপৰে। তাক লৈয়েই আকাশমুখী হৈছিল মাকৰ সপোন। ল'ৰাই এদিন এম এ পঢ়িব, প্ৰফেছাৰ হ'ব। গাঁৱৰ মানুহেতো মুকলিকৈয়ে কৈছিল— এইজন ল'ৰাই এদিনি দাংধৰা উজলাব।

ধৰ্মই অৱশ্যে নিৰাশ কৰা নাছিল। প্ৰৱেশিকা পৰীক্ষাত ষ্টাৰমাৰ্ক পাইছিল সি। 'নগিন-প-ৰ' (মিচিং পানীয়)-ৰ নিচাত জীপাল হৈছিল সেইদিনা দাংধৰা ! দাংধৰাৰ দৰে জকাইচুকত ষ্টাৰ। ধেমালি কথা!

ধৰ্মৰ মনত কিন্তু অকণো আনন্দ নাছিল। মানুহৰ আগত সি ওলাব পৰা নাছিল। সুখৰ সলনি বিষাদৰ ঠৰঙা বতাহে জঠৰ কৰি পেলাইছিল তাৰ কলিজা। চকুপানীৰে অস্পষ্ট দেখিছিল সন্মুখৰ সকলো।

যিগৰাকী মাকে তাক লৈ অজান সপোন দেখিছিল, নিজে পেটত গামোচা বান্ধি তাক ডাঙৰ মানুহ কৰোৱাৰ স্বপ্নত বিভোৰ মাকজনী তাৰ আনন্দত ভাগ ল'বলৈ আৰু এই পৃথিৱীত নাছিল।

প্ৰৱেশিকাৰ ৰিজাল্টৰ পাছতে বোবা হৈ গৈছিল ধৰ্ম। তাৰ আন্ধাৰ ভৱিষ্যতৰ চিন্তাই তাক কোঙা কৰি পেলাইছিল।

তেতিয়াই। ঠিক তেতিয়াই দেৱদূতৰ দৰে তাৰ কাষত থিয় দিছিলহি তাৰ মোমায়েক। মাকৰ দুৰ সম্পৰ্কীয় ভায়েক।

তাৰ নিজৰ জীৱনটোৰ প্ৰতি অমনোযোগিতা দেখি মোমায়েকে ভয় খাই গৈছিল— লৈ গৈছিল তাক। মোমায়েকে ভয় খাইছিল এনেকৈ থাকিলে উজ্জ্বল জ্যোতিষ্কটো এদিন নিস্তব্ধ হৈ যাব।

ঃ মোমাই, মই আৰু নপঢ়ো। আৰু মন নাই।

টিপাশালৰ ওচৰত বহি কওঁ নকওঁকৈ কৈ উঠিল সি। মোমায়েকে শুকান মাছ পুৰি আপং খাই আছিল। শুকান মাছৰ লোভনীয় গোন্ধটোৱে চাংঘৰৰ সৰু সৰু ফুটাবোৰত লুকা-চুকি খেলিছিল তেতিয়া।

ঃসেইবোৰ কথা মোক নকবি। —মোমায়েকে তাক ডবিয়ালে। "তোৰ আয়ে তোক প্ৰফেছাৰ বনাম বুলিছিল। তই হ'ব লাগিব।" আপঙেৰে দুওঁঠ তিয়াই মোমায়েকে ঘোষণা কৰিলে, "মোৰ অজস্ৰ মাটি-বাৰী। অভাৱ মই চিনি নাপাওঁ। মোৰ অভাৱ হ'ল মোৰ ল'ৰা নাই। ছোৱালী এজনী— ঐচেং। আজিৰ পৰা তয়ে মোৰ ল'ৰা।"

মামীয়ে তেতিয়া পাচলি বাছি আছিল। মামীয়ে কৌতুক কৰিলে—

ঃ মিতিৰৰ ল'ৰাটোক কেনেকৈ নিজৰ ল'ৰা কৰিম। আমাৰ ঐচেঙকে তোক যাচিলোঁ দে। জোঁৱাই হ'বি।

—ঠিক তেতিয়াই ঐচেং সোমাই আহিল। কঁকালত পানীৰ কলহ। কঁকাললৈকে বৈ পৰা চুলিখিনি তিতি আছিল। নদীত গা ধুই আহিল হ'ব পায়।

লাজতে তলমূৰ কৰিলে ধৰ্মই। নিজৰ দুগালৰ উত্তাপ সি নিজেই অনুভৱ কৰিলে। মামীৰ পাছৰ কথাখিনি তাই শুনিলে যদি। চেঃ, কিযে লাজত পৰিব লগা হ'ল।

মোমায়েকক মাত নিদিয়াকৈয়ে ওলাই আহিল সি। একো নভবাকৈয়ে নদীৰ পাৰ পালেহি।

ফাগুন মাহ। চেঁচা বতাহজাকে নদীৰ পাৰত ঢপলিয়াই ফুৰিছে। দুৰৈৰ ক'ৰবাৰ পৰা গুমৰাগৰ ধ্বনি এটি বতাহৰ সোঁতে সোঁতে ভাহি আহিছে।

শিল এছটাত বহি পৰিল ধৰ্ম। এনেকুৱা দিনবোৰত মাকলৈ তাৰ বৰকৈ মনত পৰে। আজি মাকজনী থকা হ'লে কিমান যে সুখী নহ'লহেঁতেন তাৰ সফলতাত। চিঞৰি চিঞৰি কান্দিবৰ বৰ মন গ'ল তাৰ। নদীৰ ঘাটটোত কলিজাটো ঠেকেচি পেলাবৰ মন গ'ল।

হঠাৎ কাৰোবাৰ স্পৰ্শত উচপ খাই উঠিল ধৰ্ম। খপ্‌জপকৈ সি ঘুৰি চালে। আশ্চৰ্যত দুচকু বহল হৈ গ'ল তাৰ। ঐচেং।

সন্ত্ৰস্ত হৈ ইফালে সিফালে চাই পঠিয়ালে ধৰ্মই। নদীৰ ঘাটটো নিজান পৰি আছে। কোনো জন-প্ৰাণী এটা নাই। ধৰ্মৰ ভয় লাগিল। সি পেঁপুৱা লাগি ৰ'ল।

ঃ কিয় ইয়ালৈ গুচি আহিলি? মোৰ কথাত খং উঠিল — ঐচেঙে তলমুৰকৈ তাক সুধিলে।

ধৰ্মই কিবা এটা ক'লে। কিন্তু কি ক'লে সি নিজেই নুশুনিলে।

ঐচেং ফেকুৰি উঠিল।

ঃ মোকনো আৰু কিমান বেয়া পাব তই। মইনো কি জগৰ লগালো তোক। মোক নামাত কিয়? ঐচেঙৰ কথাখনি থোকা-থুকি হৈ ওলাল।

ধৰ্মই ঐচেঙলৈ চালে। তাই তলমুৰ কৰিলে। ক'লে "তোৰ কথা নাজানো। মই তোক ভালপাঁও। তোৰ অন্তৰত যদি ঠাই নিদিয়, লুইতে দিব।"

ধৰ্ম মুক হৈ ৰ'ল। মৰম লাগি গ'ল ছোৱালীজনীৰ প্ৰতি কিমান ভাল পালে এজনী ছোৱালীয়ে এটা ল'ৰাক ভালপোৱাৰ প্ৰস্তাৱ দিব পাৰে। ভালপোৱা কিমান গভীৰ হ'লে উচুপি উঠিব পাৰে এনেদৰে।

উদাস দৃষ্টিৰে ধৰ্মই আকাশলৈ চালে। তাৰ পাছত ক'লে— "আকাশত কিমান তৰা আছে নাজানো। এই লুইতত কিমান পানী আছে নাজানো।" ধৰ্ম অলপ ৰ'ল। ঐচেঙেও মুৰ তুলি চালে। চকুৰে চকুৰে পৰিল। ধৰ্মই আকৌ ক'লে— ঃকিন্তু এটা কথা জানো। মই তোক তাতকৈও বেছি ভাল পাওঁ।

ঐচেঙক সজোৰে সাৱটি ধৰিলে সি। তাইৰ দুচকুৰ কুহুমীয়া লোতকেৰে সেমেকি উঠিল তাৰ বহল বুকু। দুটা মন মিলি এক হ'ল। দুয়োৰে উশাহ মিলি এটা হ'ল...

...টং টং টং। ৱাল ঘড়ীটোৰ যান্ত্ৰিক শব্দৰ সম্বিৎ ঘুৰি আহিল ধৰ্ম। তিনি বাজিছে। ৰাতিপুৱাবলৈ আৰু বেছি সময় নাই। অকণো শোৱা নহ'ল তাৰ। তথাপি আক্ষেপ নাই। নিজৰ অতীত সোঁৱৰণ কৰি তাৰ আজিকালি ভাল লাগে।

ধৰ্মই অনুভৱ কৰিলে তাৰ সোঁ বাহুটো জিনজিনাইছে। হ'বই। কিমান সময় একাটি হৈ শুই আছিল।

লাহে লাহে ইকাটি হ'বলৈ সি চেষ্টা কৰিলে। ডিঙিত অসহ্য বিষ এটা অনুভৱ কৰিলে। ইমান সময়ে তাৰ বিষটোৰ কথা একেবাৰে পাহৰি আছিল সি। হঠাতে তেতিয়া সেই ভয়ানক বিষটোৱে আকৌ বিব্ৰত কৰি তুলিলে তাক। ডাক্তৰে কৈছে, তাৰ কেন্সাৰ হৈছে। প্ৰথমতে সি বিশ্বাসেই কৰা নাছিল। সামান্য বিষ পেইন

কিলাৰেৰে চলাই দিছিল। কিন্তু লাহে লাহে অসহ্য হৈ উঠিছিল বিষটো। ভাত গিলিবলৈ হৈ সাক্ষাৎ যমদূত দেখিবলৈ লৈছিল।

লখিমপুৰ হস্পিতালত ডাক্টৰে যেতিয়া তাক সম্ভাব্য বেমাৰৰ কথা কৈছিল তেতিয়া বিশ্বাস কৰা নাছিল। নকল কৰি পাছ কৰা ডাক্টৰ বুলি মনে মনে গালি পাৰিছিল। কিন্তু গুৱাহাটীত কেইবাবাৰো পৰীক্ষা কৰাৰ পাছত যেতিয়া একেখিনি কথাই ক'লে, সি চকুৰে ধোঁৱা-কোঁৱা দেখিলে। ডাক্টৰেতো কৈয়েই দিলে — "লাষ্ট ষ্টেজ আশা ক্ষীণ।"

ধৰ্মৰ নিজৰো ভেল্লুৰলৈ আহিবৰ অকণো মন নাছিল। বিজ্ঞানৰ যিমানেই উচ্চ শিখৰলৈ নুঠক কেন্সাৰ এতিয়াও দুৰাৰোগ্য ব্যাধি।

কিন্তু ল'ৰা -ছোৱালীহঁতৰ খেচ্‌খেচনিত বাধ্য হৈ পৰিল সি।

হওঁতে অৱশ্যে তাৰ বৰ বেছি চিন্তা নাই। ডাঙৰজনীক ইতিমধ্যে বিয়া দিয়া হ'ল। ভাল ঘৰতে পৰিছে। গতিকে তাইক লৈ চিন্তা নাই।

মাজুজনী এতিয়া স্কুল শিক্ষয়িত্ৰী। তাইৰ অৱশ্যে বিয়া নাই হোৱা। তথাপি তাইলৈও চিন্তা নাই। তথাপি চাকৰি আছে যেতিয়া কিবা এটা হ'বগৈ। গতিকে তাইলৈও চিন্তা নাই।

মাজুজনী এতিয়া স্কুল শিক্ষয়িত্ৰী। তাইৰ অৱশ্যে বিয়া নাই হোৱা। তথাপি তাইলৈও চিন্তা নাই। তথাপি চাকৰি আছে যেতিয়া কিবা এটা হ'বগৈ। গতিকে তাইলৈও চিন্তা নাই।

কিন্তু ল'ৰাটোৰ কাৰণে কেতিয়াবা ব্যাকুল হৈ উঠে সি। বি এ পাছ ল'ৰা। এতিয়ালৈকে একো এটা মুৰ গুজি দিব পৰা নাই। বাপেক হিচাপে সেয়া তাৰ ব্যৰ্থতা। অৱশ্যে এল আই চি তাৰ নামত যথেষ্ট আছে। সময়ত কিবা হ'বগৈ। গতিকে সেই লৈওঁ বৰ চিন্তা নাই।

কিন্তু এটা চিন্তাইহে তাক খুলি খুলি খাইছে। ঐচেংজনীৰ বৰ অকলশৰীয়া হৈ পৰিব। ডিঙিৰ অপাৰেশ্যনৰ বাবে যেতিয়া ভেল্লুৰলৈ অহাৰ কথা ওলাল বেচেৰীজনীৰ অৱস্থা কাহিল। আহিবৰ সময়ত কেনেকৈ যে কন্দা-কটাখন কৰিছিল তাই। সেই যৌৱনৰ প্ৰেম-ভালপোৱা আজি ছাপন্ন বছৰতো একেই আছে। ধৰ্মৰ হঠাতে ভাল লাগি গ'ল কথাটো ভাবি। খিৰিকীৰে আকৌ এবাৰ বাহিৰলৈ চাই পঠিয়ালে ধৰ্মই। অজস্ৰ তৰা আকাশত জিলিকি আছে। মাক মৰাৰ পাছত এটা উজ্জ্বল তৰালৈ সি সদায় বহুপৰ চাই ৰৈছিল। অৱচেতন মনত সেয়া তাৰ মাক বুলি বিশ্বাস জন্মিছিল। তৰাটো এতিয়াও জিলিকি আছে।

বহু কষ্টেৰে বিছনাৰ পৰা ধৰ্ম উঠিল। খিৰিকীৰ কাষ পালেগৈ সি। আজি মাকৰ লগত কথা পাতিবলৈ বৰ মন গৈছে তাৰ। গ্ৰিলত ধৰি তৰাটোলৈ সি চাই পঠিয়ালে। তাৰ অনুভৱ হ'ল তৰাটো যেন বেছি উজ্জ্বল হৈ উঠিল।

ধৰ্মই বহু সময় ধৰি একেথিৰে আকাশলৈ চাই থাকিল। এটা সময়ত সি বিৰ্‌বিৰাই উঠিল, "মা, কিছু সময় অপেক্ষা কৰা। ময়ো তোমাৰ ওচৰতে তৰা এটা হ'মগৈ...।"

হঠাৎ ধৰ্মই মন কৰিলে, উজ্জ্বল তৰাটো খহি পৰিল। বিষাদেৰে আৱৰি ধৰিলে ধৰ্মৰ মনটো। লাহেকৈ বিছনালৈ উভতি আহিল। সি চকু দুটা মুদি দিলে। মনতে ভাবিলে— এই শয়নেই হওঁক শীতলতম শয়ন। অনন্ত কালজোৰা শয়ন।

তেতিয়া বাহিৰত পোহৰ আৰু আন্ধাৰৰ মাজত শৰাইঘাট এখন হৈ আছিল।

(গল্পকাৰ— গৱেষক ছাত্ৰ, আধুনিক ভাৰতীয় ভাষা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।)



# এটি জীয়া সপোন

ৰিজুমণি শাণ্ডিল্য

ঘৰখনত সীমাহীন ব্যস্ততা। চাৰিওফালে উদুলি-মুদুলি পৰিৱেশ। ঘৰৰ সকলোৰে মনত আনন্দৰ সীমা নাই। নহ'বনো কিয়? ঘৰত এখন বিয়া ওলাইছে। সকলো বজাৰ সমাৰ কৰা, বিয়াৰ ৰভা দিয়া এইবোৰক লৈয়ে ব্যস্ত। দেউতাকৰো তাই বৰ মৰমৰ। দৰা ভাল। Geologist। ভাল দৰমহা, ঘৰৰ অৱস্থা পাতিও ভাল সেয়েহে দেউতাকে গৰ্বতে আধা ইঞ্চিমান বুকু ফুলাই সকলোকে কৈ ফুৰিছে জোঁৱাই ভাল চাকৰিয়াল। বৰ মাক জনীও জানো কম? বিয়াৰ আগৰে পৰা ছেগ বুজি তাইক শুনাই থাকে বিয়া হ'লে কিন্তু পাটৰ কাপোৰ এযোৰ দিবি দেই। আচলতে বৰদেউতাকৰ ছোৱালীজনীয়ে বিয়াৰ পাছত সৰু বৰমালৈ পাটৰ মেখেলা চাদৰ আনিলে আৰু ডাঙৰ বৰমাক দিলে এখন কপাহী চাদৰ। তাকে বুঢ়ীয়ে মাজে সময়ে শুনাই থাকে বোলে বিয়া হৈ গৈ মাৰক হে পাটৰ কাপোৰ দিবি, মোৰ ভাগতনো সেই জেলাইলাই চাদৰ দুখৰিহে পৰিবগৈ।

বিয়াঘৰৰ ব্যস্ততাৰ মাজতো আজি তাইৰ কিছুমান কথা বৰকৈ মনত পৰিছে। চাওঁতে চাওঁতে বিয়াৰ দিনটো দেখোন আহিয়েই পালেহি। মামাক, মাহীয়েক, জেঠাইক আৰু সম্পৰ্কীয় সকলোৰে ব্যস্ততাৰ অন্তনাই। জোৰোণৰ দিনা কি পিন্ধিম, বিয়াৰ দিনা কোনটো

পাটৰ যোৰাৰ লগত কোনটো গহনাৰ চেট পিন্ধিম। উঃ মুঠতে সীমাহীন ব্যস্ততা। কেইজনীমান আকৌ জোৰা নাম বনোৱাত ব্যস্ত। জীয়ৰী বিলাকৰতো গাত ততেই নাই। কথাতেই কয় নহয় সাঁজিলে কাঁচিলে বান্দৰীও সুন্দৰী হয়। জীয়ৰী হলেও হাতত মেহেন্দী অঁকা, চুলিত হেনা কৰা, লিপষ্টিক, আইব্ৰ' উঃ মুঠতে সকলো নিজকে ধুনীয়াকৈ সজোৱাত ব্যস্ত। জেঠাইকৰ জীয়েকজনী আকৌ ৰচকী নাচনী বাৰে বাৰে তাইক সুধি ব্যতিব্যস্ত কৰি তুলিছে বোলো দৰাৰ লগত handsome ল'ৰা আহিবনে?

যদিও সকলোবোৰ ব্যস্ত হৈ পৰিছে কিন্তু কন্যাৰ মনত হেজাৰ ভাবৰ দোলদোলনি। তাইৰ আজিও মনত আছে অনুৰাগক প্ৰথমলগ পোৱাৰ দিনটোৰ কথা। তাই তেতিয়া ৰাসায়ন বিজ্ঞান বিভাগৰ স্নাতক ১ম বৰ্ষৰ ছাত্ৰী। পঢ়াত যথেষ্ট মেধাৱী কন্যাই ঘৰৰ পৰা আঁতৰত হেষ্টেলত থাকি পঢ়িছিল। 20 August 2006 সেইদিনা তাইৰ জন্মদিন। সেইদিনাই প্ৰথমবাৰৰ বাবে ৰাগক লগ পাইছিল তাই। তাৰ পাছত লাহে লাহে বন্ধুত্ব গঢ়ি উঠিল। তাইৰ সকলো ভাল পোৱা, বেয়া পোৱা সকলোৰে খবৰ ৰাখে। সি আৰু তাইও জানো তাক কম আপদাৰ কৰিছিল। লাহে লাহে সেই সম্পৰ্কই প্ৰেমৰ ৰূপ লৈছিল। আৰু এদিন সি তাইক প্ৰেমৰ প্ৰস্তাৱ আগবঢ়ালে।

খৰাং মাটিডৰাই যেনেকৈ এটোপাল বৰষুণলৈ হেঁপাহেৰে বৈ থাকে ঠিক তেনেকৈ তাইও যেন মনে মনে কামনা কৰিছিল যে তাইৰ জীৱনলৈও বৰষুণ নামক। এজাক প্ৰেমৰ বৰষুণ আৰু সেই বৰষুণৰ মিঠা আমেজলৈ তাইও যেন চিঞৰি ক'ব অ' ৰাগ মইও তোমাক ভাল পাওঁ। বহুত বহুত...

বাহিৰত দোপালপিটা বৰষুণ। কালিলৈ জোৰোণ। সকলো জোৰোণৰ প্ৰস্তুতিত লাগিছে। বৰদেউতাকৰ ল'ৰা কেইটাই আকৌ তাইক জোকোৱাত ব্যস্ত।

'খকুলী আগতে হ'বলা চৰুতে ভাত খাইছিলি। সেইবাবেহে বৰষুণ দিছে।' তাই মনে মনে মুখ টিপি হাঁহিলে আৰু খঙেৰে ক'লে চাবি কাইলৈ ৰ'দ দিব।

সঁচাকে তাই ভবাৰ দৰে জোৰোণৰ দিনা আকাশ মুকলি। ঘৰৰ মানুহ আলহীৰ বাবে ঢাৰি পাটি পৰা, খোৱা বোৱাৰ দিহা কৰাত ব্যস্ত। কিন্তু বন্যাৰ বুকুখন ধান বনাদি বানিছে। সঁচা কথা, এই দিনটোৰ বাবে তাই যোৱা ৬ টা বছৰে অপেক্ষা কৰিছিল। ৰাগৰ ওচৰলৈ একেবাৰে যাবলৈ তাই যে কিমান সপোন দেখিছিল— ঘৰটো কেনেকৈ সজাব, পৰ্দা, বিচনা চাদৰ কেনেকুৱা হ'ব, চ'ফা, বিচনা, ডাইনিং কেনেকৈ সজাব, মুঠতে অলেখ অযুত কল্পনা। কিন্তু আজি কিয় তাইৰ মনটো উগুল থুগুল লাগিছে। মনত ভয় সোমাইছে। হয়তো সকলো ছোৱালীৰে এনেকুৱা হয়। এঘৰ নতুন মানুহক আপোন কৰিবলৈ আগবাঢ়িছে তাই এইয়া জানো কম কথা।

উ... লু... লু.... লু...

বাহিৰত উৰুলি। অ' তাৰমানে দৰাঘৰৰ মানুহ পালেহি। ঘৰৰ ডাঙৰবোৰে দৰাঘৰীয়াক আদৰি আনি ঢাৰি পাটিত বহাইছে। আয়তী সকলে বিয়া নামেৰে ৰজাঘৰ মুখৰিত কৰি তুলিছে। অলপ সময় নাম গুণ গাই ৰাগে পঠোৱা গহনা-গাঠৰি আৰু পাটৰ কাপোৰযোৰ তাইক পিন্ধাই মাকে শিৰত সেন্দুৰকণ দি ৰোৱাৰী হিচাপে আদৰি ল'লে। এতিয়া দৰাঘৰীয়াক শুশ্ৰূষা কৰাৰ পাল। দৰাঘৰৰ মানুহৰ খোৱা বোৱাৰ যত্ন ল'লে দেউতাই নিজেই কিজানি কিবা বেয়াই পায়।

দৰাঘৰীয়া সকলো গ'লগৈ। সকলো কইনা ঘৰীয়া তাইৰ কোঠাত উবুৰি খাই পৰিছে দৰাই দিয়া গহনা কাপোৰ চাবৰ বাবে। মাজত আকৌ মাহীয়েকৰ সৰু ছোৱালী জনীয়ে ক'লেই বা তোমাৰ Make up ৰ বস্তু বিয়াৰ দিনা ব্যৱহাৰ কৰিব দিব লাগিব। কিন্তু। তাই মিচিকিয়াই হাঁহিল। এবাৰ তাই নিজকে আইনাত চালে।

সঁচাকে ৰাগেপঠোৱা গহনা আৰু পাটৰ কাপোৰ যোৰে তাইক বৰ ধুনীয়া দেখিছে। তাইৰ হঠাতে মনত পৰি গ'ল সি ধেমালিতে কোৱা কথাষাৰ— 'মই তোমাক দামী মেখেলা চাদৰ নিদিও নহয়। বজাৰৰ পৰা বিচাৰি বিচাৰি আনি এশ টকাৰ মেখেলা চাদৰ দিয়া আৰু আজি গোটেইখন দেখোন সোণ, ৰূপ পাট, মুগাৰে ভৰাই পঠাইছে। তাইৰ মনে মনে হাঁহি উঠি গ'ল।

চুমা, চাওঁ এইফালে আহাচোন। দেউতাকে মৰমতে মাতে তাইক চুমা বুলি। দেউতাকৰ মাতত তাই কোঠাৰ পৰা বাহিৰলৈ ওলাই গ'ল। দেউতাকে অতিথি কেইজনমানৰ লগত চিনাকি কৰি জিৰণি লবলৈ তাইক ভিতৰলৈ পঠালে।

চাওঁতে চাওঁতে ৰাতিটোৱেই পালেহি। আজি আকৌ সিহঁতৰ নিয়ম মতে কইনা বিচনাত শুব নেপায়। মাটিত শুব লাগে। সেয়েহে মাটিতে বিচনা পাৰি তাই শুই পৰিল।

ৰাতি পুৱাৰ লগে লগে গোটেইখন খদমদম। সকলোৰে লৰা-ধপৰা। ইমান ব্যস্ততা। তাই সোনকালে গা ধুই নিজকে সজাই ল'লে। খোপা বান্ধিবলৈ আকৌ তাইৰ চুলিখিনি চুটি। ওচৰৰ পাৰ্লাৰৰ ছোৱালীজনীয়ে তাইৰ চুলিখিনি বান্ধি থাকোঁতেই আকৌ ৰাগে ৰসিক কৰি কোৱা কথাষাৰ তাইৰ মনত পৰিল— 'তাকলী, ইমান চুটি চুলি হৈ থাকিলে মই বিয়া নকৰাও দেই। পিঠিত পৰিব লাগিব। সি যি কি নহওঁক পাৰ্লাৰৰ ছোৱালী আছে যেতিয়া কিহৰ চিন্তা। চুলি নহ'লেও কলডিলিয়া খোপা বান্ধি দিব পাৰো। সেই হওঁক সজোৱা কামখিনি যেনিবা শেষ হ'ল। বৰ মাকে মচলাৰ বঁটা এটা তাইৰ হাতত দি ক'লে 'এই বঁটাটো ল'। হাঁহিমুখেৰে সকলোকে মচলা দিবি আৰু খোৱা বোৱা কৰিলেনে নাই সুধিবি।' তাই হ'ব বুলি কৈ বঁটাটো হাত পাতি লৈ অতিথিসকলক অভ্যৰ্থনা কৰাত লাগিল।

ৰাতি হোৱাৰ লগে লগে কইনাক পানী তুলি গা ধুওৱাৰ ব্যস্ততা। সকলো ঢোল, তাল লৈ ৰৈ আছে। খুড়ী কেইজনীয়ে চিএঞৰি চিএঞৰি মাহতক কৈছে আহক আহক। পানী তুলিবলৈ যাবৰ হ'ল। ১১ বজাত লগ্ন আছে। ৯ বজাত দৰা পাবহিয়েই। এই দেৰিয়েইহ'ব এতিয়া। সকলো লৰাধপৰা কৰি কলহত পানী তুলি আহি মাহ হালধিৰে তাইক গা ধুৱাই নতুন সাজ পিন্ধাই আয়তীসকল বিয়ানাম গোৱাত লাগিল।

ৰাস্তাত গাড়ীৰ শব্দ শুনি কেইজনমান আগবাঢ়ি গ'ল। দেখিলে পদুলিত দৰা আহি পালেহি। কইনা ঘৰৰ মানুহে দৰা আদৰি আনি সা-সন্মানে ৰভাঘৰত বহুৱালেহি। অলপ সময়ৰ পাছত তাইক মামাকে দাঙিনি ৰাগৰ কাষত হুমৰ জুইৰ আগত বহুৱালে। পুৰোহিতৰ মন্ত্ৰ আৰু হুমৰ জুইক সাক্ষী কৰি দুয়ো পতি পত্নী হ'ল।

ৰাগে তাইৰ চকুলৈ চালে। দুয়োৰে দুচকুত অবুজ ভাষা। আনন্দৰ চকুলো বৈ আহিছে দুয়োৰে দুচকুত। মুখেৰে একো নকলেও দুয়োৰে চকুৰে যেন ইয়াকেই ক'লে বহুত ভাল পাওঁ তোমাক। দেখিছা আমাৰ সপোন সঁচা হ'ল। আমি জীৱন লগৰী হ'লো। সকলোবোৰ তাইৰ সপোনৰ দৰে লাগিল। এটি জীয়া সপোন।

# সাক্ষাৎকাৰ



ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য, শিক্ষাবিদ, চিন্তাবিদ, বিশিষ্ট বিজ্ঞান লেখক ড° কুলেন্দু পাঠকৰ সৈতে অসমৰ শিক্ষা ব্যৱস্থা, শৈক্ষিক সমস্যা, সংস্কৃতি আদি বিভিন্ন দিশৰ ওপৰত এটি সাক্ষাৎকাৰ গ্ৰহণ কৰা হৈছিল। সাক্ষাৎকাৰটি পাঠকৰ বাবে আগবঢ়োৱা হ'ল—

সাক্ষাৎ গ্ৰহণ
বিশ্ব হাজৰিকা, হিৰণ্য দুৱৰা

**❑ অসমৰ শিক্ষাজগতৰ বৰ্তমান সংকট সম্পৰ্কে আপোনাৰ অভিমত কেনেধৰণৰ?**

=> এইটো অৱশ্যে এটা বহল বিষয়। কাৰণ শিক্ষা বুলি ক'লে স্কুল পৰ্যায়ৰ শিক্ষা আছে। স্কুল পৰ্যায়তো তলৰ আৰু ওপৰৰ আকৌ দুটা ভাগ আছে। কলেজ আৰু বিশ্ববিদ্যালয়ৰ শিক্ষা, তাৰোপৰি Technical আদি কেইবাধৰণৰ শিক্ষা আছে। মোৰ ভাৱ হয় যে আটাইবোৰ ক্ষেত্ৰতে আমি ভাৰতৰ অন্যান্য কিছুমান উন্নত ৰাজ্যতকৈ পিছপৰি আছো। পিছপৰি থকাৰ বহু কাৰণ আছে আৰু আমাৰ বহু সমস্যাও আছে। কিন্তু মই ভাবো যে পিছপৰি থকাৰ প্ৰধান কাৰণ হ'ল— অসমীয়া মানুহখিনি অৰ্থাৎ অসমৰ থলুৱা বা স্থায়ী মানুহখিনি বহুক্ষেত্ৰত শিক্ষাৰ গোটেইখিনি কথা চৰকাৰৰ নিৰ্ভৰ মনোভাৱেৰে চলি আছে। দুই এজন ডেকা ল'ৰা ওলাই আহিছে। কিন্তু সামগ্ৰিক ভাৱে চালে শিক্ষাৰ লগত সমাজৰ বা ৰাইজৰ যিটো সম্পৰ্ক এই সম্পৰ্কটো নাই বুলিও মই ক'ব খোজা নাই, কিন্তু যিমানে গভীৰ হ'ব লাগিছিল সিমান গভীৰ হোৱা নাই। ইয়াৰ ফলতেই বহুত সমস্যাৰ সৃষ্টি হৈছে।

**❑ আপুনি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে কাম কৰিছিল। উপাচাৰ্য হিচাপে আপোনাৰ কাৰ্যকালত সাফল্য কি কি দিশত আছিল আৰু এই সাফল্য কেনেকৈ অৰ্জন কৰিছিল?**

=> এইটো আচলতে অন্যক সোধা প্ৰশ্ন। মই কিমান সফল হৈছোঁ মই কোৱা টান। এটা কথা ঠিক যে ছাত্ৰ, শিক্ষক আৰু বিষয়া— এইখিনি মানুহক লৈয়েইটো এখন বিশ্ববিদ্যালয়। তেওঁলোকৰ লগত মই একধৰণৰ ব্যক্তিগত ভাৱে সু-সম্পৰ্ক ৰাখিবলৈ সদায় যত্ন কৰিছিলো। বোধকৰো বহুখিনি সফলো হৈছিলো। তদুপৰি ডিব্ৰুগড় অঞ্চলৰ যিখিনি ৰাইজ তেওঁলোকৰ লগতো মোৰ যথেষ্ট

ভাল সম্পৰ্ক আছিল। বোধকৰো এই আটাইবোৰ কথা লগ লাগি এটা ভাল পৰিৱেশৰ সৃষ্টি হৈছিল। তাৰ ফলতে কিছু সাফল্য যে হৈছে সন্দেহ নাই। কিন্তু সাফল্যটো মই Quantity কৰাটো বৰ উচিত নহ'ব।

❑ **আমি যিহেতু B.Ed college ৰ পৰা আহিছো, B.Ed. Course সম্পৰ্কে আপোনাৰ মতামত কেনেধৰণৰ?**

=> আচলতে এইটো বৰ গুৰুত্বপূৰ্ণ প্ৰশ্ন। অসমত যিটো শিক্ষক প্ৰশিক্ষণ চলি আছে, মই অকল B.Ed ৰ কথাই কোৱা নাই, এই সমগ্ৰ প্ৰক্ৰিয়াটোৱেই যথেষ্ট নিম্ন পৰ্যায়ত চলি আছে যেন ভাব হয়। যিহেতু প্ৰশ্নটো উঠিছেই, মোৰ কথাটো যথেষ্ট বেয়া যেন লাগিব, মোৰ মতে A fresh graduate from university, he is not entitled and not qualified to be teacher । মই ক'ব খুজিছো এইটোৱে যে আমাৰ যিটো শিক্ষা ব্যৱস্থা, ই শিক্ষক হ'বৰ কাৰণে কাকো যোগ্য কৰি নোতোলে। শিক্ষকৰ কিছুমান সুনিৰ্দিষ্ট গুণ আছে। তাৰ ভিতৰত আটাইতকৈ ডাঙৰ গুণটো হৈছে, বিশেষকৈ তলৰ পৰ্যায়ত তেওঁ ছাত্ৰৰ মনোভাৱ, মানসিকতা বুজিব পাৰিব লাগে আৰু প্ৰয়োজন অনুসৰি তেওঁ প্ৰশিক্ষণ দিব পাৰিব লাগে। এই কথাটো মই জনাত কলেজ বিশ্ববিদ্যালয়ৰ শিক্ষা বা সাধাৰণ শিক্ষাই আমাক নিশিকায়। B.Ed ৰ পাঠ্যক্ৰমটো ইমান চুটি, মই যিখিনি দেখিছো আৰু মোৰ কিছু অভিজ্ঞতাৰ পৰা যি বুজিছো ইমান এটা চুটি পাঠ্যক্ৰমে এজন মানুহক যিটো re-orientation ৰ দৰকাৰ, সেই re-orientation টো নিদিয়ে। কিন্তু পাঠ্যক্ৰমটোতো এবছৰীয়াও নহয় আচলতে। খুব বেছি ছয়মাহ-সাতমাহ মান হয়। তথাপিতো যত্ন কৰা দেখা যায়। এইখিনিয়ে যথেষ্ট নহয়। কিন্তু এই খিনিতে এটা কথা ক'ব খুজিছো যে B.Ed course টো উচ্চ পৰ্যায়ৰ শিক্ষকৰ বাবে, প্ৰাথমিক স্কুলৰ বাবে সঠিক ব্যৱস্থা দেখা নাযায়। য'ত শিক্ষাৰ বীজটো আৰম্ভ হয় তাক শিক্ষকবোৰেতো প্ৰশিক্ষণ নোলোৱাকৈয়ে সোমাব লাগে। এই বিষয়ে সমাজৰো কোনো কানসাৰ নাই। কিন্তু এটা কথা মই কৈছো, এতিয়াৰ কথা নহয় বহু বছৰ ধৰি পৃথিৱীৰ উন্নত দেশবোৰত বিশেষ ভাৱে প্ৰশিক্ষিত নোহোৱাকৈ কোনেও প্ৰাইমাৰী স্কুলত সোমাব নোৱাৰে। প্ৰাথমিক স্কুলৰ শিক্ষক হ'বলৈ তেওঁ প্ৰথমতে বিশেষ ভাৱে প্ৰশিক্ষিত হ'ব লাগিব। 'বিশেষ ভাৱে' শব্দটোৰ ওপৰত মই গুৰুত্ব দিছো। তাৰ মানে child psychology আদি কথাবিলাকত যাতে তেওঁৰ যোগ্যতা থাকিব লাগিব। গতিকে এইধৰণৰ কথাবোৰৰ ওপৰত আচলতে আমি গুৰুত্ব দিব লাগে। B.Ed শিক্ষাই এই ধৰণৰ দিশৰ ওপৰত অলপ হ'লেও গুৰুত্ব দিয়ে। গতিকে ঠিকেই আছে।

❑ **মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত বিশেষকৈ অসমত যিসকল এতিয়া শিক্ষক আছে ; আপুনি যিহেতু এজন প্ৰাক্তন উপাচাৰ্য আৰু শিক্ষকো এই সকলো দিশৰ অভিজ্ঞতাৰ পৰা আপুনি কি ক'ব খোজে যে অসমৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষক সমূহ সামগ্ৰিক ভাৱে কিমান উপযুক্ত?**

=> এইটো এটা টান প্ৰশ্ন। মই কথাটো এনেধৰণে কওঁ, মই যেতিয়া শিক্ষক হৈছিলো, মোৰ বেছিখিনি বন্ধু-বান্ধৱে তেওঁলোকে শিক্ষক হ'ম বুলিয়েই শিক্ষক হৈছিল। আমাৰ স্তৰৰ অৰ্থাৎ M.A/M.Sc পাছ কৰি ওলোৱাৰ সময়ৰ কথা কৈছো। কোনোবাই হয়তো ক'ব যে ইমান opportunity ও নাছিল। কিন্তু আমি শিক্ষক

হ'ম বুলিয়েই কামটোত সোমাইছিলো। আজিকালি সাধাৰণতে দেখা যায় যে, অৱশ্যে ব্যতিক্ৰমো আছে, কিন্তু বেছিভাগ ক্ষেত্ৰতে অন্য একো কাম নাপালো যেতিয়া শিক্ষকতাকে কৰো। এই পাৰ্থক্যটো ক্ৰমান্বয়ে প্ৰকট হৈ উঠিছে। শিক্ষকতা এটা এনেকুৱা বৃত্তি, যিটোত তেওঁৰ এটা আগ্ৰহ থাকিব লাগিব। হৃদয়ৰ পৰা আহিব লাগিব যে মই ল'ৰা-ছোৱালীখিনিক শিকাম। সেইটো নহে যদি এইটো এটা যি কোনো চাকৰিৰ দৰে হয়, পৰিস্থিতিত পৰি যোৱা যায়, এই Attitudeটো শিক্ষকৰ কাৰণে উচিত নহয়।

**❑ এই Attitudeটো অসমৰ শিক্ষা জগতৰ শিক্ষকসকলৰ বেছি বুলি ক'ব খোজে নেকি?**

=> স্বাভাৱিকতে হ'ব। কাৰণ তেওঁটো প্ৰথম প্ৰযত্নতে শিক্ষক হোৱা নাইতো। তেওঁৰ লক্ষ্য হয়তো বেলেগ আছিল। তেওঁ হয়তো আৰম্ভণিতে ডাক্তৰ বা ইঞ্জিনিয়াৰ হ'বলৈ যত্ন কৰিব, নোৱাৰিলে বিবয়া বা আন কিবা Compitative পৰীক্ষা চেষ্টা কৰিব। এনেধৰণে যেতিয়া এটাতো সফল নহ'ল, তেতিয়া আৰু সাধাৰণতে শিক্ষকতাই কৰো বুলি সিদ্ধান্ত লয়। এই সমস্যাটো আচলতে সমাধান হ'ব লাগে। মই কোৱা নাই যে তেওঁ সাংঘাতিক কিবা Brilient বা পণ্ডিত হ'ব লাগে। কিন্তু এই যে আন্তৰিক আগ্ৰহটো, 'মই শিক্ষক হ'ব খোজো'— এই আগ্ৰহটো নহ'লে মানুহ ভাল শিক্ষক হ'ব নোৱাৰে।

**❑ বৰ্তমান চৰকাৰী শিক্ষা-ব্যৱস্থা ক্ৰমাৎ দুৰ্বল হৈ গৈছেবুলি কোৱা হয় আৰু তাৰ ঠাই বেচৰকাৰী শিক্ষা ব্যৱস্থাই গঢ় লৈ উঠিছে। এই সম্পৰ্কে আপোনাৰ মতামত কেনে?**

=> এইটো অস্বাভাৱিক কথা একো নহয়। কাৰণ আমাৰ চৰকাৰ বা আমি নিজেও বোধকৰো এতিয়া মুক্ত অৰ্থনীতিত বিশ্বাসী হ'ব ধৰিছো, তাতটো মানুহৰ প্ৰযত্নটো বেছি হ'বই চৰকাৰতকৈ। মই কিন্তু ক'ব খোজা নাই যে চৰকাৰে একো কৰিব নালাগে। কিন্তু স্বাভাৱিক যিটো Tendency সেইটো হ'ব যে চৰকাৰ দুৰ্বল হৈ গৈ থাকিব আৰু যিবিলাকে শিক্ষাকো এটা ব্যৱসায় হিচাপে কৰিব খোজে তেওঁলোক সবল হ'ব। কাৰণ সেইটো হৈছে এতিয়া Trend।

**❑ এই ক্ষেত্ৰত আপুনি চৰকাৰী পক্ষক জগৰীয়া কৰিব খোজেনেকি?**

=> মই কাকো জগৰাকী কৰিব নোখোজো। মই যদি জগৰীয়া কৰিব লগা হয়, মই ৰাইজক মানে মোক নিজকে জগৰীয়া কৰিম। আমি নিজেই কি কৰিছো? আচলতে হ'ব লাগে কি, যিটো এতিয়া চীনত হৈছে। আমাৰ বহুতৰে ধাৰণা যে চীন হ'ল Socialist country। তাত সব চৰকাৰেই কৰে এইটো কিন্তু সঁচা নহয়। চীনত মই জনাত যিবিলাক ভাল বিশ্ববিদ্যালয়, তাৰ ভাল বিশ্ববিদ্যালয়বিলাকে এতিয়া (সিদিনা মোৰ এজন ছাত্ৰই আমেৰিকাৰ পৰা লিখিছে) আমেৰিকাকো চেৰাই যাব। তেওঁলোকৰ মেনেজমেণ্টটো টকা-পইচাৰ ক্ষেত্ৰত এনেধৰণৰ যে 'It is 1:1:1'। তাৰ মানে roughly কবলৈ হ'লে তিনিভাগৰ এভাগ চৰকাৰ, এভাগ ছাত্ৰ-ছাত্ৰী আৰু এভাগ সেই বিশ্ববিদ্যালয় বা শিক্ষানুষ্ঠাটোৱে অৰ্জন কৰিব লাগিব। তাৰ মানে এইটোকে আজি কালি PPP বুলি কয়। অৰ্থাৎ Public private participation। কিন্তু আমাৰ ইয়াত তেনেকুৱা ধৰণৰ একো হোৱা নাই।

**❑ সাহিত্য চৰ্চা আৰু বিজ্ঞান চৰ্চা আপুনি কেনেধৰণে কৰি আছে?**

=> এতিয়া মই বিজ্ঞান চৰ্চা কৰি আছো বুলি কোৱাটো ঠিক নহ'ব। কাৰণ মইটো কোনো লেবৰেটৰীৰ লগত জড়িত নহয়। পঢ়া-শুনা কৰি কৰাটো বেলেগ কথা। গতিকে এতিয়া মই যিখিনি চৰ্চা কৰি আছো সেইটো সাহিত্য চৰ্চা বুলিয়ে নহয় মই বিজ্ঞানৰ কথা বা সমাজৰ কথা মানুহক যিখিনি জনাব লাগে তাকেই জনাই আছো। এতিয়া মোৰ বয়স এইটো নহয় যে মই নতুনকৈ আকৌ কিবা চৰ্চা কৰিম। মোৰ যিখিনি চৰ্চা কৰিছিলো, তাকে অলপ ঠিক ঠাক কৰি ৰাইজক জনাই আছো।

**❑ অসমৰ বিজ্ঞান সাহিত্য সম্পৰ্কে আপোনাৰ মতামত কি?**

=> মই ভাবো আচলতে যথেষ্ট ভালেই। যিখিনি আছে বহুত। কিন্তু আৰু অলপ ভাল অগ্ৰগতি হ'ব লাগিছিল। কাৰণ আমি য'ত আৰম্ভ কৰিছিলো, এতিয়াৰ লিখনি বহুদূৰ আগবাঢ়ি যাব লাগিছিল। সেইটোহে উন্নতি বুলি ক'ব পাৰি। কিন্তু সেই পৰ্যায়তে যদি ৰৈ থাকে তেতিয়াহ'লে সেইটো আমি বিশেষ উন্নতি বুলি ক'ব নোৱাৰো।

এটা ভাল কথা আমি ক'বই লাগিব যে আমাৰ আলোচনী-বাতৰি কাকত এইবোৰে অন্ততঃ বিজ্ঞানৰ লেখাক কিছু প্ৰাধান্য দিয়ে। কিন্তু সেই হিচাপে লেখকসকল যিমান সবল হ'ব লাগিছিল, মোৰ ভাব হয় যে ই সিমান সবল হৈ উঠা নাই। আৰু অলপ সবল হ'লে মই ভালপালোহেঁতেন।

**❑ বিজ্ঞানৰ গৱেষণাৰ কামত আপুনি ভাৰতবৰ্ষৰ বাহিৰতো গৈছে। আপোনাৰ অভিজ্ঞতাৰ পৰা বিজ্ঞানৰ ক্ষেত্ৰত বাহিৰৰ লগত অসমৰ তুলনা কেনেধৰণে কৰিব?**

=> দুটা কথা আছে। আমাৰটো গৱেষণা কৰিয়েই আছে। আমাৰ বয়স যেতিয়া ত্ৰিশ। বিলাতৰ পৰা ঘূৰি আহি আমি যেতিয়া ইয়াত কাম কৰাৰ কথা ভাবিছো, তাতকৈ এতিয়া অৱস্থা বহুত ভাল। কিন্তু সেইটোতো কথা নহয়। বিজ্ঞান এনেকুৱা এটা বিষয় নহয় যে, অসমৰ বিজ্ঞান। মই দুটা কথা ক'ব খোজো যে International (আন্তৰ্ৰাষ্ট্ৰীয়) পৰ্যায়ৰ কামৰ কথা যদি ভবা যায়, তাৰ পৰিমাণ বৰ বেছি বঢ়া নাই। বাঢ়িব লাগিছিল, কিন্তু সেইটো হোৱা নাই। কিন্তু সৰু সুৰাকে ভাল কাম কৰি আছে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথা যে আমাৰ যিবোৰ আচল সমস্যা, সেইবোৰৰ সমাধানত বিজ্ঞানে বহুত অৱদান আগবঢ়াব পাৰে। যদিহে আমাৰ গৱেষকসকলে তাত মন দিয়ে। কিন্তু সেই কামটো খুব কম হৈছে। মই সেইটো ওপৰতে গুৰুত্ব দিব খোজো যে আমাৰ সমস্যাবোৰৰ সমাধানৰ ক্ষেত্ৰত বিজ্ঞানৰ গৱেষণাৰ যিটো প্ৰয়োগ হ'ব লাগিছিল, যিমান খিনি অৱদান আগবঢ়াব লাগিছিল, সিমান অৱদান আগবঢ়াব পৰা নাই। ইয়াৰ কাৰণে মই কওঁ যে গৱেষকসকল আচলতে অসমৰ্থ নহয়। আমাৰ ইয়াত যিটো মনোভাৱেৰে বিজ্ঞান চৰ্চা কৰা হয়, সেইটোৱেই হৈছে সমস্যা। তাৰমানে আমাৰ ইয়াত বিশেষকৈ বিশ্ববিদ্যালয় পৰ্যায়ত মই মন কৰিছো, Humanities টো একে সমস্যা, গৱেষণাটো Ph.D কেন্দ্ৰিক। Student জনৰটো সমাপ্ত হয়েই লগতে Guide জনো আকৌ কিবা বেলেগলৈ গ'ল। গতিকে 'ঠিক এটা সমস্যা ক'লো আৰু ইয়াৰ সমাধান কৰিম'— এই ধৰণৰ গৱেষণা দুই এজনে নকৰা নহয় কিন্তু খুব কম। সেই কাৰণে আমাৰ যিবোৰ জটিল সমস্যা সেই সমস্যাবোৰৰ ক্ষেত্ৰত আমাৰ বিজ্ঞানীয়ে Strongly একো ক'ব নোৱাৰে। সেয়ে উদাহৰণ হিচাপে

ক'ব পাৰি নদী বান্ধৰ সমস্যা। আচলতেনো Tectonically কি? ভূ-প্ৰকৃতি সম্পৰ্কে যদি দুই এজন বিজ্ঞানীয়ে আজি যদি ত্ৰিশ-চল্লিশ বছৰে অধ্যয়ন কৰি থাকিলেহেঁতেন তেওঁ ক'ব পাৰিলেহেতেঁন। কিন্তু এতিয়া অন্যই যি কয় আমিও কওঁ। আমিতো বিজ্ঞানীয়েই নহয়। আৰু বিজ্ঞানী সকলেও প্ৰায় তাকেই কয়। ইয়াৰ কাৰণটো এটাই যে তেওঁলোকে বহুত বছৰ ধৰি এই সমস্যাটোৰ লগত জড়িত হৈ থকা নাই। কিন্তু সেইটো হ'ব লাগে। আমাৰ বহুত সম্পদ আছে, বহুত সমস্যা আছে। এইবোৰ সম্পদৰ সুব্যৱহাৰ আৰু সমস্যা সমাধানত বিজ্ঞানৰ কি প্ৰয়োগ হ'ব পাৰে, সেইটোৱেই মই ভাবো যে গৱেষণাৰ মূখ্য বস্তু হ'ব লাগে।

**❑ বৰ্তমান অসমৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি সামগ্ৰিক ক্ষেত্ৰত যুৱ প্ৰজন্মৰ নেতৃত্বক লৈ আপোনাৰ অভিমত কেনেধৰণৰ?**

=> ৰাজনৈতিক নেতৃত্ব সম্পৰ্কে মই একো নকওঁ। কাৰণ politics যিসকলে কৰে তেওঁলোকক ভোট লাগিবই ultimately। গতিকে They are very limited। কিন্তু যুৱ প্ৰজন্মই এনেওতো নেতৃত্ব দিবই লাগিব। অকল ৰাজনীতি কৰিলেহে নেতৃত্ব দিয়া হয়, তেনেধৰণৰ এক বেয়া ধাৰণা থকা দেখা যায়। কাৰণ সিয়ে ৰাজনীতি কৰিম বুলি গ'ল he is limited। কাৰণ ভোটৰ লগত যিটো সম্পৰ্ক সেই সম্পৰ্কৰেই তেওঁ চলিব।

বৰ্তমান প্ৰজন্মই কিন্তু বহুখিনি নেতৃত্ব দিব পৰা উচিত আছিল। একেবাৰে দিয়া নাই বুলি নকওঁ। কিন্তু বহুতেই আশা কৰা যায়। যেনে ব্যৱসায়ৰ ক্ষেত্ৰত, এইটো নহয় যে ল'ৰা-ছোৱালী ওলাই অহা নাই। ধৰা ভাৰতৰ ভিতৰতে এজন ভাল ব্যৱসায়ী, ঠিক সেই পৰ্যায়টো পোৱা গৈ নাই। তেনেকৈ সকলো ক্ষেত্ৰতে ক'ব পাৰি — শিক্ষকৰ ক্ষেত্ৰত যেনে অমুক বিষয়টোৰ এইজন শিক্ষক, তেওঁক ভাৰতবৰ্ষৰ যিকোনো শিক্ষকৰ লগতেই তুলনা কৰিব পাৰিব লাগিব। এইবিলাক যুৱ প্ৰজন্মৰ কাম আচলতে। আচলতে পঞ্চাশৰ পিছত কোনো মানুহে আৰু নতুন কাম কৰিব নোৱাৰে। যুৱক সকলেই কৰিব লাগিব। কিন্তু আমাৰ যুৱপ্ৰজন্মই সেই Challange টো বা প্ৰত্যাহ্বানটো মোৰ মতে ঠিক কৈ লোৱা নাই। ল'লে পাৰিব। যুৱ প্ৰজন্মৰ সম্পৰ্কে মই সদায় আশাবাদী। আমাৰ ল'ৰা-ছোৱালীবোৰ বেয়া নহয়। কিন্তু তেওঁলোকে জীৱনটো বৰ সহজভাৱে লৈছে। বেছি সহজভাৱে ল'লে বিপথগামী হয়। তেওঁলোকে প্ৰত্যাহ্বান হিচাপে ল'ব লাগে।

**❑ অসমৰ শিক্ষা সংস্কৃতিৰ ক্ষেত্ৰত পাশ্চাত্যৰ প্ৰভাৱ সম্পৰ্কে আপোনাৰ মতামত কেনেধৰণৰ?**

=> মানে কথাটো এনেকুৱা যে আজি আমি যিখন সমাজত আছো, যিহেতু ইয়াত পাশ্চাত্যৰ প্ৰভাৱ প্ৰায় সকলো বিষয়তে আছে, এতিয়া অসমীয়া ভাষা বা অসমীয়া সংস্কৃতিত পৰিব নলাগে এনেধৰণে আমি ক'ব নোৱাৰো। কিন্তু কিমানখিনি পৰিব বা কিমানখিনি প্ৰভাৱ পৰিলে আমাৰ সংস্কৃতিৰ উৎকৰ্ষ হ'ব! কাৰণ সংস্কৃতি বস্তুটোৱেই তেনেকুৱা যিহেতু এটাৰ প্ৰভাৱ আনটোৰ ওপৰত পৰিবই। কোনখিনি গ্ৰহণ কৰিলে সামগ্ৰিকভাৱে অসমীয়া সংস্কৃতি বা জীৱনযাত্ৰা উন্নত হ'ব সেয়া সদায় মনত ৰাখিব লাগিব।

শব্দৰ ক্ষেত্ৰত কৈছো, আচলতে আমাৰ বহুতে নাজানে যে ইংৰাজী ভাষাত যিমান নতুন শব্দ সোমায়, সিমান শব্দ এতিয়াও আন কম ভাষাতহে সোমায়। যেনে এটা সাধাৰণ উদাহৰণ দিছো আমাৰ যিটো 'কৰ্ম' অৰ্থাৎ শাস্ত্ৰৰ 'কৰ্ম' (KARMA) শব্দটো এতিয়া ইংৰাজী ভাষাৰ অংশ। তোমালোকে শুনি আচৰিত

হবা, এই 'কৰ্ম' (KARMA) শব্দটো মই প্ৰথম পাইছো (তেতিয়া মই জেনেভাত গৱেষণা কৰি আছো) এখন Scientific paper-ত। মই তেতিয়া বুজিব পৰা নাছিলো। কিন্তু Paper খন পঢ়ি পাছত বুজি পালো যে এইটো আমাৰ 'কৰ্ম' (KARMA) টোৱেই। পিছত অধ্যয়নৰ পৰা গম পালো যে ইংৰাজীৰ যিটো 'work' ৰ লগত কৰ্ম (KARMA) নিমিলে। 'কৰ্ম'ৰ লগত কৰ্ম ফলৰ কথা লাগি আছে। অৰ্থাৎ তুমি যদি কৰ্ম কৰা তেনেহ'লে ফল পাবা। কিন্তু Work ৰ লগত তেনে কোনো কথা নাই। এই যে 'কৰ্ম' তাত কৈছে যে তুমি যদি এই Mathematical কামটো যদি কৰা This will be a bad 'Karma' (বাক্যটো মোৰ হুবহু মনত নাই)। কাৰণ ইয়াতে তুমি কৰিলা ঠিকেই, কিন্তু সেই পিছত গৈ সি গোলমাল কৰিব অৰ্থাৎ ফল পাবা। সেই কাৰণে সেই কৰ্ম শব্দটো ব্যৱহাৰ কৰিছে। তাৰমানে KARMA শব্দটোৰ লগত এই Implication এটা থাকে 'ফল'। আমাৰ হিন্দুৰ এই শব্দটো 'ইংৰাজী'য়ে গ্ৰহণ কৰিছে। Dictionary এই শব্দটো এতিয়া পোৱা যায়।

ঠিক তেনেধৰণে অমুক শব্দটো ল'লে আমাৰ অসমীয়া ভাষা আৰু সবল হ'বনেকি বা এই শব্দটোৰ বুজাব পৰা প্ৰতিশব্দ সঁচাকৈয়ে অসমীয়া ভাষাত নাই, তেতিয়া আমি গ্ৰহণ কৰিম আৰু অসমীয়া শব্দ হিচাপেই তাক ব্যৱহাৰ কৰিম। যেনে 'Information' শব্দটো, ইয়াৰ অৰ্থ 'খবৰ' নহয়। ইংৰাজী ভাষাত ইয়াৰ এটা নিৰ্দিষ্ট অৰ্থ (Definite meaning) আছে। যাক প্ৰকাশ কৰিব পৰা অসমীয়া শব্দ নাই। 'খবৰ' নহয় কিন্তু। গতিকে আমি আকৌ কিবা শব্দ বিচাৰি কিয় ফুৰিব লাগে, 'Information' টোকে গ্ৰহণ কৰিব পাৰি। ইংৰাজী ভাষাত তাৰ ওপৰত যি অৰ্থ আৰোপ কৰিছে, সেই অৰ্থৰ সৈতে তাক গ্ৰহণ কৰিব পাৰি। তেতিয়া আমাৰ ইয়াত নথকা শব্দটো পাই গ'লো। গতিকে তেনেকৈয়ে মই শব্দ ক্ষেত্ৰত ক'লো। কিন্তু সকলো ক্ষেত্ৰত হ'ব নাচৰ ক্ষেত্ৰত হ'ব পাৰে, গানৰ ক্ষেত্ৰত হ'ব পাৰে। প্ৰতিটো সংস্কৃতিৰে ভাল ভাল কিছুমান বস্তু আছে। আমাৰ নথকা বস্তু তাত থাকিলে সেই বস্তুটো ল'লে যদি আমাৰ সংস্কৃতিৰ উন্নতি হয়, তেতিয়াহ'লে আমি গ্ৰহণ কৰাত আপত্তি থাকিব নালাগে।

❑ ছাৰ আপোনাৰ বহুমূলীয়া মন্তব্যৰ বাবে ধন্যবাদ।

=> ময়ো তোমালোকক ধন্যবাদ জনাইছোঁ।

# সাক্ষাৎকাৰ



গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অখিল কুমাৰ মেধিদেৱৰ সৈতে অসমৰ শিক্ষা ব্যৱস্থা, শৈক্ষিক সমস্যা, গুৱাহাটী বিশ্ববিদ্যালয় আদি সম্পৰ্কে এটি সাক্ষাৎকাৰ গ্ৰহণ কৰা হৈছিল। সাক্ষাৎকাৰটি পাঠকৰ বাবে আগবঢ়োৱা হ'ল—

সাক্ষাৎ গ্ৰহণ

**বিশ্ব হাজৰিকা, হিৰণ্য দুৱৰা**

**❑ প্ৰথমেই আমাৰ অসমৰ শিক্ষা ব্যৱস্থাৰ সংকটৰ বিষয়ে আপোনাৰ মতামত জানিব বিচাৰিছো।**

=> অসমৰ প্ৰচলিত শিক্ষা ব্যৱস্থাত এতিয়ালৈকে বহুতো বিষয়ৰ প্ৰবৰ্তন হোৱা নাই। তাৰ ফলত অসমৰ বহুতো ল'ৰা-ছোৱালী অধ্যয়ন কৰিবৰ বাবে বাহিৰলৈ যায়। অসমত বৰ্তমান চাকৰি জগতৰ এনে বহু বিষয় আছে যেনে— ইঞ্জিনীয়াৰিং, মেনেজমেণ্ট ইত্যাদি দিশৰ ক্ষেত্ৰত অধ্যয়ন ব্যৱস্থাৰ অভাৱ ঘটিছে। সেইবোৰৰ উপৰিও অধিক নতুন নতুন বিষয় অসমৰ শিক্ষা ব্যৱস্থাত অন্তৰ্ভূক্ত হ'লেহে ছাত্ৰ-ছাত্ৰীসকলে ন ন জ্ঞানৰ সন্ধেদ পোৱাৰ লগতে চাকৰি পোৱাৰ বাবেও সুবিধা হ'ব।

**❑ উপাচাৰ্য হিচাপে আপোনাৰ সফলতা কোনখিনিত ?**

=> সফলতা বুলি কব নোৱাৰি যদিও বহুতো পৰিৱৰ্তন হৈছে। আমি বহুতো নতুন বিষয় অন্তৰ্ভূক্ত কৰিছো ফলত ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰিবলৈ সুবিধা হৈছে। তাৰোপৰি মহাবিদ্যালয় সমূহত Semester system আৰু Grading pointৰ ব্যৱস্থা কৰা হৈছে।

**❑ Semester system আৰু Grading point ব্যৱস্থাই অসমৰ শিক্ষাৰ গুণগত মানদণ্ড উন্নত হ'ব বুলি ভাবেনে?**

=> হয়। এই ব্যৱস্থাই অসমৰ শিক্ষাৰ মানদণ্ডও উন্নত কৰিব। এতিয়ালৈকে যোৱা ছমাহত দেখা পোৱা গৈছে যে Semester system প্ৰৱৰ্তন হোৱাৰ পিছত মহাবিদ্যালয় সমূহৰ শিক্ষা ব্যৱস্থাটো ভালৰ দিশে গতি কৰিছে। ফলাফলৰ ক্ষেত্ৰতো ছাত্ৰ-ছাত্ৰী সকল উপকৃত হৈছে। তাৰোপৰি মহাবিদ্যালয়ৰ শিক্ষা ব্যৱস্থাটোত শৃংখলাবদ্ধতা আৰু নিয়মানুবৰ্তিতা ৰক্ষা হৈছে।

**❑ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে আপুনি অসমৰ অন্যান্য মহাবিদ্যালয় সমূহৰ শিক্ষকসকলৰ ভূমিকাৰ ক্ষেত্ৰত কি ক'ব বিচাৰে?**

=> শিক্ষাৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকাই আটাইতকৈ গুৰুত্বপূৰ্ণ। যোগ্য শিক্ষক নিৰ্বাচিত কৰিব পাৰিলেহে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ পথ সুগম হ'ব। শিক্ষকেহে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ পথ দেখুৱায়। গতিকে শিক্ষানুষ্ঠানত ভাল শিক্ষকৰ একান্তই প্ৰয়োজন আছে। এই ক্ষেত্ৰত বিশেষকৈ অসম কলেজ শিক্ষক সন্থাই গুৰুত্বপূৰ্ণ ভূমিকাও গ্ৰহণ কৰিছে।

**❑ বৰ্তমান অসমৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আদি সামগ্ৰিক ক্ষেত্ৰত যুৱ প্ৰজন্মৰ ভূমিকা কেনে হোৱা উচিত?**

=> আচলতে ক'বলৈ হ'লে, এখন দেশৰ ভৱিষ্যতৰ

নিৰ্ভৰ কৰে যুৱ প্ৰজন্মৰ ওপৰত। মই ভাবো যে, বৰ্তমান আমাৰ ছাত্ৰ-ছাত্ৰীসকল শিক্ষিত হোৱাৰ লগতে ভৱিষ্যতৰ পদক্ষেপৰ প্ৰতি সতৰ্ক হোৱা দেখা গৈছে। বৰ্তমান Internetৰ যুগত ছাত্ৰ-ছাত্ৰীসকলে বহুতো নতুন নতুন বিষয়ত জ্ঞান লাভ কৰিছে। সাম্প্ৰতিক সময়ত বিশ্বৰ বিভিন্ন ঠাইত কি কি ঘটি আছে সেই বিষয়ে জ্ঞান লাভ কৰিবলৈ সক্ষম হৈছে। গতিকে মুঠৰ ওপৰত যুৱপ্ৰজন্মৰ নেতৃত্ব একেবাৰে প্ৰশংসনীয় বুলি কব নোৱাৰিলেও ভালৰ দিশত গতি কৰিছে বুলি ক'ব পাৰি। সেয়ে এইটো এটা ভাল লক্ষণ।

**❑ চৰকাৰী শিক্ষা ক্ৰমাৎ দুৰ্বল আৰু বেচৰকাৰী শিক্ষাব্যৱস্থাই গা কৰি উঠিছে বুলি বহু সময়ত চৰ্চা হৈ আহিছে এই বিষয়ে আপুনি কি ক'ব বিচাৰে?**

=> আচলতে কথাটো এনেকুৱা হয় যে আমাৰ দেশৰ চৰকাৰে ১০নে ১১ শতাংশ শিশুকহে ভালদৰে শিক্ষা দিব পাৰিছে। এতিয়ালৈকে কোনো দেশেই সকলো শিশুক চম্ভালিব পৰা নাই। আনকি এই ক্ষেত্ৰত আমেৰিকা নিচিনা দেশতো সফল হ'ব পৰা নাই। কিন্তু কথাটো হ'ল বেলেগ দেশত ৫০ শতাংশ মান আছে কিন্তু আমাৰ ইয়াত তাতকৈ কম। সেয়ে বেচৰকাৰী শিক্ষাব্যৱস্থাই আগবাঢ়ি অহাটো স্বাভাৱিক। বেচৰকাৰী শিক্ষা ব্যৱস্থা বুলি ক'লেই বেয়া শিক্ষা বুলি ক'ব নোৱাৰি। বেচৰকাৰী শিক্ষা ব্যৱস্থাও বহুত ভাল হ'ব পাৰে। বেচৰকাৰী ব্যৱস্থাটো কেৱল শিক্ষাৰ ক্ষেত্ৰতেই নহয়, অৰ্থনীতিৰ ক্ষেত্ৰত জড়িত হোৱা দেখা যায়। গতিকে বেচৰকাৰী ব্যৱস্থাৰ বহুতো ভাল পদক্ষেপ থকাটোও পৰিলক্ষিত হয়।

**❑ অসমত বিজ্ঞান বিষয়ৰ চৰ্চাৰ ক্ষেত্ৰত কেনে মন্তব্য আগবঢ়াব?**

=> বিজ্ঞান চৰ্চাৰ অৱস্থাটো ভাল বুলি ক'ব নোৱাৰি। এই বিষয়ে ক'বলৈ গলে বহু দিঘলীয়া হ'ব। তাৰোপৰি আজিকালি বিজ্ঞান পঢ়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পাইছে। সেয়ে এইক্ষেত্ৰত শিক্ষকসকলে গুৰুত্ব পূৰ্ণ ভূমিকা লোৱাটো উচিত। তেওঁলোকে ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞান পঢ়িবৰ বাবে Motivate কৰিব পাৰিব লাগিব। সেয়ে তাৰ বাবে ভাল শিক্ষক নিৰ্বাচিত কৰাটো বাঞ্চনীয়। তাৰোপৰি B.Sc.B.Ed. নামৰ এক নতুন পাঠ্যক্ৰম সূচনা কৰাৰ পদক্ষেপ লোৱা হৈছে। এই পাঠ্যক্ৰম গুৱাহাটী বিশ্ব বিদ্যালয়ত আৰম্ভ হ'ব যদিও পিছলৈ অন্যান্য মহাবিদ্যালয় সমূহে ল'ব পাৰিব।

**❑ বিজ্ঞান আৰু কলা উভয় শাখাৰ গৱেষণাৰ ক্ষেত্ৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদক্ষেপ কেনেকুৱা?**

=> গৱেষণাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ পদক্ষেপ উল্লেখনীয় বুলি ক'ব পাৰি। বিশ্ববিদ্যালয়ত বহুতো ভাল শিক্ষক আছে আৰু বহুজনে গৱেষণাৰ কাম কৰি আছে। ক'ব পাৰি যে এই গৱেষণাই অসমৰ উন্নতিৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰিব। উদাহৰণ স্বৰূপে Bio-diversity, Pollution, Environment আদি বিষয়ৰ ওপৰত কৰি থকা গৱেষণাই অসমৰ ভৱিষ্যতৰ সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰিব।

**❑ অসমৰ শিক্ষা সংস্কৃতিৰ ক্ষেত্ৰত পাশ্চাত্যৰ প্ৰভাৱ?**

=> শিক্ষা বুলি ক'লে গোটেই বিশ্বতে শিক্ষা একেই। শিক্ষাৰ ক্ষেত্ৰত আচলতে প্ৰাচ্য বা পাশ্চাত্যৰ ভাগ নাথাকে। বিশ্ববিদ্যালয় বুলি কলে আমি বুজো যে বিশ্বৰ বিদ্যালয়। গতিকে শিক্ষাৰ কোনো নিৰ্দিষ্ট সীমা নাথাকে। মুঠৰ ওপৰত কি কি বিষয় পঢ়াব আৰু সেইবোৰ স্থানীয় পৰিস্থিতিৰ লগত কি সম্পৰ্ক আছে সেইটোহে আচল কথা।

**❑ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত B.Ed. কৰ্ছৰ বিষয়ে আপোনাৰ অভিমত?**

=> বিদ্যালয়ৰ শিক্ষকৰ কাৰণে B.Ed courseটো অতি প্ৰয়োজনীয়। গুৱাহাটী বিশ্ববিদ্যালয়ে যথেষ্ঠ গুৰুত্ব সহকাৰেই ইয়াক আগবঢ়াই নি আছে।

**❑ West Gauhati College of Education সম্পৰ্কে আপোনাৰ মতামত কি?**

=> কলেজ খনে মই জনাত ভালদৰেই Bed course চলাই আছে। তথাপিও আৰু কিছু দিশত কলেজখনে ইয়াতকৈও উন্নত হোৱাতো মই বিচাৰিম। যিকোনো ক্ষেত্ৰত ভৱিষ্যতলৈ নিশ্চয় সহায়ো কৰিম।

❑ ধন্যবাদ ছাৰ।

=> ধন্যবাদ

# ORIENTATION PROGRAMME 2011-12

**100 mtrs Race Boys:**

1st : Subendu Majumdar
2nd : Pradip Das
3rd : Rakesh Nath
: Utsav Barman

**200 mtrs Race Boys:**

1st : Jiaur Hussain
2nd : Kamal Roy
3rd : Utsav Borman

**400 mtrs Race Boys:**

1st : Hiranya Duwarah
2nd : Jiaur Hussain
3rd : Kamal Roy

**100 mtrs Race Girls :**

1st : Nabanita Konwar
2nd : Anamika Roy
3rd : Bharati Das

**200 mtrs Race Boys:**

1st : Nabanita Konwar
2nd : Moitry Daimary
3rd : Gitashree Hazarika
: Bharati Das

**400 mtrs Race Girls:**

1st : Saita Ray
2nd : Bibha Rani Baisya
3rd : Anita Roy

**Musical Chair Girls :**

1st : Moitry Daimary
2nd : Anamika Roy
3rd : Kabita Pokhrel

**Chess Competition**

1st : Prodip Das
2nd : Nabanita Konwar
3rd : Tatan Sarmah

**Carrom Boys**

Champion : Biswajit Bordoloi
Rakesh Nath
Runners Up: Utsav Borman
Ratan Sarma

**Carrom Girls**

Champion: Archana Priyam Deka
Kalpana Das
Runners Up: Mainoshree Bodo
Anamika Roy

**High Jump Boys**

1st : Bharat Ray
2nd : Sukanta Sarkar
3rd : Utsav Borman

**Javlin Throw Girls**

1st : Nirmali Gayari
2nd : Gitashree Hazarika
3rd : Nilima Hazarika

**Discuss Throw Girls**
1st : Mridula Baishya
2nd : Surabhi Rabha
3rd : Anita Rai

**Shot Put Girls**
1st : Meghali Talukdar
2nd : Alakananda Saikia
3rd : Mridula Baishya

**Javlin Throw Boys**
1st : Satan Das
2nd : Arun Jyoti Bezboruah
3rd : Debasish Dey

**Discuss Throw Boys**
1st : Debashish Dey
2nd : Debajyoti Rai
3rd : Mrigen Sarmah

**Shot Put Throw Boys**
1st : Mrigen Sarmah
2nd : Debasis Dey
3rd : Arunjyoti Bezboruah

**Spoon Race Girls**
1st : Anita Rai
2nd : Meghali Talukdar
3rd : Nayanjyoti Sarma Boruah

**Modern Song**
1st : Riju Shandilya
2nd : Mithun Acharjya
3rd : Nayanjyoti Sarmah Baruah

**Classical Song**
1st : Jyotiprakash Barman
2nd : Nayanjyoti Sarmah Boruah
3rd : Himadri Changmai

**Bhupendra Sanget**
1st : Himadri Changmai
2nd : Nayanjyoti Sarmah Baruah
3rd : Riju Shandilya

**One act Play**
1st : Hiranya Duwarah
2nd : Pradip Das
3rd : Pradip Das

**Debate Competition**
1st : Pradip Das
2nd : Papul Chamuah
3rd : Rajashree Tamuli

**Bihu Geet**
1st : Gitashree Hazarika
2nd : Papul Chamuah
3rd : Nilima Hazarika

**Rabindra Sangeet**
1st : Jyotiprakash Barman
2nd : Rajdeep Aice
3rd : Chinu Devi

**Mimicry**
1st : Mrigen Sarmah
2nd : Pradip Das

শেষ পৃষ্ঠা —— বিশ্ব হাজৰিকা

# আলোচনীৰ আঁৰৰ আলোচনা...

সাহিত্যৰ উত্তৰণৰ ক্ষেত্ৰত আলোচনীৰ প্ৰয়োজনীয়তা সম্পৰ্কে নতুনকৈ ক'বলগীয়া একো নাই। মহাবিদ্যালয় একোখনৰ সাহিত্য চৰ্চাৰ ক্ষেত্ৰত আলোচনীখনৰ ভূমিকা যথেষ্ট গুৰুত্বপূৰ্ণ। ছাত্ৰ-ছাত্ৰীক সাহিত্য চৰ্চাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ আলোচনীয়ে অনেক প্ৰেৰণা যোগাব পাৰে। অসমীয়া সাহিত্যৰ জোনাকী, আৱাহন, ৰামধেনু যুগৰ পৰা যদি বৰ্তমান সময়লৈকে অধ্যয়ন কৰা যায়, দেখা যাব যে মূলত মহাবিদ্যালয় স্তৰতেই সাহিত্যিক এজনৰ সাহিত্য চৰ্চাৰ মূল সৌধ নিৰ্মিত হৈছে। অৱশ্যে এটা কথা ঠিক যে সাহিত্য চৰ্চা কৰিবলৈ মহাবিদ্যালয়ৰ শিক্ষা গ্ৰহণ কৰিব লাগিবই এনে কোনো কথা নাই। এনেকুৱা বহু মুধাফুটা সাহিত্যিকো আছে, যিয়ে জীৱনত মহাবিদ্যালয় শিক্ষাৰ পৰা আঁতৰত আছে। কিন্তু সিয়ে হ'লেও সাহিত্যিকৰ মহবিদ্যালয় স্তৰ অস্বীকাৰ কৰা নাযায়।

"ৱেষ্ট গুৱাহাটী কলেজ অৱ এডুকেশ্যন" গুৱাহাটীৰ এখন উল্লেখযোগ্য শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়। দীৰ্ঘদিন ধৰি মহাবিদ্যালয়ৰ 'প্ৰজ্ঞাজ্যোতি' আলোচনীখন প্ৰকাশিত হৈ আহিছে। আলোচনীখনৰ ২০১১-১২ বৰ্ষৰ সম্পাদনাৰ দায়িত্ব হিৰণ্য দুৱৰাৰ সৈতে আমাৰ ভাগত পৰিল। কাম আৰম্ভ কৰা দিন ধৰি সদায় এটা কথাই আমাৰ দুয়োকে আমনি কৰি থাকে যে মনে বিচৰা ধৰণে লেখা আদিৰ ক্ষেত্ৰত সহযোগিতা নোপোৱাৰ কাৰণ কি? অসমৰ বহু নামজলা মহাবিদ্যালয়ৰ পৰা নাম কৰি, তাৰোপৰি বিশ্ববিদ্যালয়ৰ দেওনা পাৰ হোৱা বহু উচ্চ মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰীয়ে ইয়াত অধ্যয়ন কৰি আছে। সামগ্ৰিক ক্ষেত্ৰত তেওঁলোকৰ পৰা বহু আশা কৰা যায়। কিন্তু এই আশা পূৰণ নহয় কিয়? এইক্ষেত্ৰত মহাবিদ্যালয়খনে সৃষ্টি কৰা সাহিত্যৰ পৰিৱেশো গুৰুত্ব দিবলগীয়া বিষয়। মাত্ৰ এটা বছৰৰ বাবে অধ্যয়ন কৰিবলৈ অহা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্যৰ পৰিৱেশ সৃষ্টি কৰি দিয়াত কিমান সফল হৈছে? অৱশ্যে প্ৰত্যেকখন শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় বিশেষভাৱে সচেতন হোৱা উচিত। যিহেতু ইয়াত অধ্যয়নৰত প্ৰত্যেক জনেই শিক্ষক প্ৰশিক্ষাৰ্থী। সমাজৰ মেৰুদণ্ডস্বৰূপ শিক্ষক সকলৰ দায়বদ্ধতাক নুই কৰিব নোৱাৰি। সাহিত্য হ'ল সমাজৰ দাপোন। গতিকে এজন শিক্ষকৰ সাহিত্য সচেতনতাকো অস্বীকাৰ কৰা নাযায়। 'প্ৰজ্ঞাজ্যোতি'ৰ জৰিয়তে অদূৰ ভৱিষ্যতলৈ শিক্ষকসকলৰ সাহিত্য তথা সমাজ সচেতনতা ৰক্ষা হ'ব বুলি আশা কৰিলোঁ।

## Coocking Competition




## Work Experience Activities




## Workshop Programme



## Educational Field Trip



Begining of Orientation Programme



Workshop Time......



Class Time......



March-Past Team

